# মোৰ
# ৰবৰ
# নুষ্ঠা মালতী ফুল

চৈয়দ আব্দুল মালিক

STATE CENTRAL LIBRARY
GAUHATI
ASSAM

ফ্ৰেণ্ডচ বুক এজেন্সি · গুৱাহাটী-১

**MORE BABE**
**NURUBA**
**MALATI PHUL**

*A Social Novel written by Abdul Malik Published by Nareswar Das, Friends Book Agency, Panbazar, Gauhati-1. Price Rupees Five Only.*

॥ প্ৰকাশক ॥ শ্ৰীনৰেশ্বৰ দাস ॥
ফ্ৰেণ্ড্চ বুক এজেন্সি ॥ পানবজাৰ ॥ গুৱাহাটী-১
॥ বেটুপাত-অঙ্গসজ্জা ॥ ত্ৰৈলোকা দত্ত ॥ গুৱাহাটী ॥
॥ প্ৰথম প্ৰকাশ ॥ জুলাই' ৭৫
॥ ছপা ॥ শ্ৰীসুকুমাৰ চৌধুৰী ॥
॥ বৰ্ণা প্ৰিন্টিং ৱাৰ্কচ ॥ কলিকতা-৬ ॥
॥ মূল্য ॥ পাঁচ টকা মাথোন ॥

## উছৰ্গা

লেনিনগ্ৰাডৰ ইৰা স্বেতভিদভাৰ নামত, যাক মই বাৰ বছৰ আগতে লগ পাইছিলো আৰু যাৰ ঠিকনা মই আজি নেজানো আৰু যি মোলৈ অসমীয়াতে চিঠি দিছিল—'মৰম লবা' বুলি।

—মালিক—

নাহৰনি
৭ জুলাই' ১৯৭৫ চন।

# ॥ মোৰ বাবে নুঁকবা

# মালতী ফুল ।।

# জীৱন চিৰস্থাদাৰৰ কথা

মই জ্ঞানী পাণ্ডতো নহওঁ দাৰ্শনিকো নহওঁ, বুদ্ধিমান অসাধাৰণ পুৰুষো নহওঁ। মই এজন নিচেই সাধাৰণ সংসাৰী মানুহ। আজি মোৰ জীৱনৰ চৌষষ্ঠী বছৰ বয়সতো মই নিঃসঙ্কোচে স্বীকাৰ কৰিছো যে সাধাৰণ আৰু নিয়মীয়া অৱস্থাৰ 'মাজেদিয়ে আহি মই আজিৰ অৱস্থা পাইছো। কাৰো বিশেষ অনুগ্ৰহ পোৱা নাই, আৰু কোনোবাই সামান্য ঈৰ্ষা কৰিলেও, কোনেও মোক হিংসা কৰা নাই বুলিয়ে মোৰ বিশ্বাস।

মোক কোনো কোনোৱে ঈৰ্ষা কৰিছিল বা আজিও কৰে বুলি ভবাটো ভিত্তিহীনো হব পাৰে। কাৰণ আনৰ ঈৰ্ষাই মোৰ কোনো ক্ষতি কৰিছে বুলি মই নেভাবো। মাত্ৰ মাজে মাজে মোৰ অনুমান কৰি ভাল লাগে যে দুই চাৰিজনে মোক ঈৰ্ষাৰ চকুৰে চায়। এইবাবে তেওঁলোকক মই দোষাৰোপ নকৰো। হয়তো তেওঁলোকৰ অৱস্থাত পৰিলে ময়ো তাকেই কৰিলোহেঁতেন, যদিও মই নিশ্চিতভাবে জানো যে ঈৰ্ষা-হিংসা মোৰ স্বাভাৱিক প্ৰবৃত্তি নহয়।

দেউতা গোস্বামী উকীলৰ তৰণী আছিল। গোস্বামী সেইকালৰ নামজ্বলা আৰু প্ৰতিপত্তিশালী উকীল আছিল। টকাও আৰ্জিছিল প্ৰচুৰ। তৰণী হিচাবে দেউতায়ো ভাল আৰ্জনেই কৰিছিল, আৰু তেতিয়াই সুবিধা বুজি, নগৰৰ ভিতৰত আৰু গাঁৱতো যথেষ্ট মাটি-ভেটি কিনিছিল। নীলামত যোৱা মাটিও কিনি লৈছিল। দেহাবে পৰালৈকে নিজেই হাল—কোৰ বাই খেতি কৰিছিল, নহলেও সদায় কাছাৰীলৈ যোৱাৰ আগতে আৰু কাছাৰীৰ পৰা আহিও পথাৰলৈ এপাক নেমাৰিলে শান্তি নেপাইছিল। উকীল হাকিমৰ লগত চিনা জনা উঠা বহা থকা সত্বেও, দেউতা দুৰাকাঙ্খী নাছিল। সেইদেখি মই এফ-এ পৰীক্ষাত ফেল কৰাৰ কাৰণে বৰ আক্ষেপ নকৰি, আৰু আকৌ

পঢ়ি কোনোমতে পাছ কৰিবলৈ টানি নকৈ গোস্বামী উকীল আৰু এজন হাকিমক খাটি মোক কাছাৰীতে কেৰাণী কামত সুমুৱাই দিছিল। মোৰ ভাল লগা নাছিল। তেতিয়া মোৰ বয়স কুৰি বছৰ মাত্ৰ। দেউতাই পঢ়াওঁ বোলা হলে মোক আৰু পঢ়াব পাৰিলে-হেঁতেন। টকা পইচা আছিল, কিন্তু দেউতা দৃঢ়মনা মানুহ আছিল, আৰু দেউতাৰ ইচ্ছাৰ বিৰুদ্ধে যোৱাৰ মনোবল মোৰ নাছিল। ভাল নাপালেও মই বৰ কম দৰমহাৰ কাছাৰীৰ কেৰাণী কামতে সোমালো। ইয়াৰ কাৰণেও মোৰ দুই চাৰিজন লগৰীয়া বন্ধুৱে মোক ঈৰ্ষা কৰিছিল। কাৰণ তেতিয়া নিবনুৱা সমস্যা আছিল অতি ভয়াবহ আৰু চৰকাৰী চাকৰি, তাতে আকৌ কাছাৰীত পোৱাটো বহুতৰে কাৰণে আছিল পৰম সৌভাগ্যৰ কথা। দেউতাৰ প্ৰভাৱৰ কাৰণেই মই চাকৰি পোৱাটো বহুতৰে মনঃপুত হোৱা নাছিল।

অৱশ্যে চাকৰিত সোমাই পৰাৰ পিছত নিৰ্বিশেষে কেৰাণী শ্ৰেণীৰ এজন হৈ পৰাৰ কাৰণে মোৰ সৌভাগ্যৰ কথা সৰহ দিন আমাৰ আলোচ্য বিষয় হৈ নেথাকিল। ছ'বছৰ নিৰ্ব্বিবাদে কাছাৰীত চাকৰি কৰাৰ পিছত মোৰ সৰুসুৰা এটা প্ৰমোচনো হ'ল। কিন্তু সেই কথাটো আছিল একেবাৰেই বিশেষত্বহীন, আৰু তাৰ বাবে কাৰো আক্ষেপো নাছিল—কাৰণ সহকৰ্ম্মী আৰু হাকিম মুনছিফ সকলোৱেই স্বীকাৰ কৰিছিল যে কামত মই ভাল। অৱশ্যে কামত মই ভাল হোৱাৰ মূলতো আছিল দেউতা। দেউতাই সদায় কঠোৰ ভাবেই সকিয়াইছিল যে যিমান সৰু বা সাধাৰণ কামকে আমি নকৰো লাগিলে, আমি কৰ্ত্তব্যনিষ্ঠ আৰু সৎ হব লাগে। সততা আৰু কৰ্ত্তব্য-পৰায়ণতাই জীৱনত উন্নতিৰ মূল। মোৰ বিশ্বাস হোৱা নাছিল, কিন্তু দেউতাৰ অবাধ্য হব নোৱাৰিছিলো। অৱশ্যে এতিয়া উপলব্ধি কৰিছো যে কামৰ সততাৰ লগত মানুহৰ চৰিত্ৰৰ সততাও জড়িত হৈ থাকে, আৰু নানা কাৰণত চৰিত্ৰৰ সততা ৰক্ষা কৰিব নোৱাৰিলেও, সৎভাবে কাম কৰি গলেও, জীৱনত উন্নতিৰ পথ বন্ধ নহয়।

মোৰ বয়স পঁচিশ পাৰ হৈ ছাব্বিশত সোমাইছিল। বৰ বিশেষ আড়ম্বৰ বা ভূমিকা নকৰাকৈ দেউতাই মোৰ বিয়া পতাৰ ব্যৱস্থা কৰিলে। বিয়াৰ কথা মাজে মাজে ময়ো চিন্তা কৰিছিলো, কাৰণ মোৰ সমনীয়া বহুতেই বিয়া কৰাইছিল, কিন্তু মোৰ বিয়াৰ চিন্তা আছিল অতি অস্পষ্ট আৰু দেউতা আৰু পৰিয়ালৰ জ্যেষ্ঠ সকলৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল। কাৰণ বিবাহযোগ্যা কোনো ছোৱালীৰ লগত ঘনিষ্ঠতা গঢ়ি তোলাৰ কোনো বিশেষ সুযোগ মোৰ হোৱা নাছিল। ঘৰ আৰু কাছাৰী, কাছাৰী আৰু ঘৰ :— ইয়াৰ মাজতে অবিচিত্ৰ দিনবোৰ কটাইছিলো।

দেউতাই মোৰ বিয়াৰ আয়োজন কৰাত মই পেটে পেটে ভালেই পালো। কিন্তু মোৰ কাৰণে যে দেউতাই কেশৱ ফুকণৰ ঘৰৰ লগতহে সম্বন্ধ পতাৰ দিহা কৰিছে জানি মই কিছু ক্ষুণ্ন হলো।

কেশৱ ফুকনৰ ছটা লৰা আৰু তিনিজনী ছোৱালী। ফুকন ব্যৱসায়ী মানুহ :—ঠিকাদাৰী কৰে, দোকান আছে আৰু মাটি-বাৰীও যথেষ্ট আছে। মানুহজনৰ সদায় দুই-চাৰিটা মোকৰ্দ্দমা লাগিয়ে থাকে। দেউতাৰ লগত মোকৰ্দ্দমাৰ যোগে দিয়ে চিনাকি। গোস্বামী উকীলেই ফুকনৰ নিগাজী উকীল, আৰু দেউতায়েই নিগাজী তৰণী।

কাছাৰী ঘৰেই বিচাৰৰ ঘৰ,—মোকৰ্দ্দমাৰ ঘৰ। কাছাৰীত চাকৰি কৰি, মোকৰ্দ্দমা কৰাটোৱেই আমাৰ সমাজৰ স্বাভাৱিক কথা যেন ধাৰণা হৈছিল। সেয়ে কাছাৰীত প্ৰায়ে দেখা পোৱা ফুকনক মোৰ অন্য মোকৰ্দ্দমা প্ৰিয় মক্কেল বোৰৰ নিচিনাই সাধাৰণ যেন লাগিছিল। এবাৰ কিবা প্ৰসঙ্গত ফুকনৰ কথা ওলাওঁতে মই দেউতাক কৈছিলো যে ফুকনৰ নিচিনাকৈ যিবোৰ মানুহ সদায় মোকৰ্দ্দমা লৈ কাছাৰীত ঘুৰি ফুৰে সেইবোৰ নিশ্চয় ভাল মানুহ নহয়। উত্তৰত দেউতাই কৈছিল ন্যায়যুদ্ধ নকৰাটো পাপ, যি মানুহে যুদ্ধ কৰে, তেওঁ বিপক্ষৰ শক্তিবো স্বীকৃতি দিয়ে, কাৰণ ন্যায়ৰ কেতিয়াও পৰাজয় নঘটে। সংসাৰৰ উকীলবোৰ লগলাগি যুঁজিলেও সত্যক ঢাকিব

নোৱাৰে আৰু অসত্যক জয়ী কৰিব নোৱাৰে। কেশৱ ফুকনৰ ডাঙৰ গুণ যে তেওঁ কোনো মোকৰ্দ্দমাত হাৰিলে বিশেষ দুখ নকৰে, আৰু নিজেই কয়, এৰা সিপক্ষ্যহে ন্যায়ত আছিল, মোৰহে কিবা অন্যায় হ'ল হ'বলা ; কিন্তু তাকে মোকৰ্দ্দমাখন নকৰা হলে কেনেকৈ জানিলো-হেঁতেন।

দেউতাৰ ফুকণ সম্পৰ্কে যেনে ধাৰণা নাথাকক মই কিন্তু সঁচাকৈয়ে ফুকনক বৰ শ্ৰদ্ধাৰ চকুৰে চোৱা নাছিলো . আৰু মোৰ বিধৱা পেহী এগৰাকীক এই কথা মই জনাইছিলোওঁ। কিন্তু দেখিলো ফুকন সম্পৰ্কে পেহীৰ ধাৰণাও দেউতাৰ নিচিনাই। পেহীয়ে কলে, "ফুকনৰ নিচিনা ফন্দীয়ক মানুহ আৰু কেইজন আছে ? সিমানকণ বিদ্যাৰে ইমান টকা পইচা কিমানে কৰিছে ? দেখা নাইনে হাকিম উকীল সকলোকে কেনেকৈ তেওঁ হাতৰ মুঠিত ৰাখিছে ? আৰু লৰা-ছোৱালীনো কোনটো আলাইবাতু ? ডাঙৰ কেটা সেইয়া কাজে কাৰবাৰে, চাকৰীয়ে-বাকৰীয়ে নামজ্বলা হলেই। পূৰ্ণ বোলাটোযে পুলিচৰ দাৰোগা সোমাইছে, দেখিবি সি পুলিচৰ বৰ হাকিম হব। আৰু মাধৱ বোলাটো. সিও ডাক্তৰী পঢ়িছে, ডাঙৰ ডাক্তৰ এদিন হবই। অলপ দূৰনীলৈ চাবলৈ শিকিব লাগে। বাপেক হলে ফুকনৰ নিচিনাকৈ লৰা-ছোৱালীক মানুহ কৰি থৈ যাব পাৰিব লাগে। আৰু কেশদাক যে আমাৰ ঘৰলৈ বোৱাৰী কৰি আনিব খুজিছো, তেনেজনী ছোৱালী আমাৰ চহৰখনত আৰু এজনী আছে যদি আঙুলিয়াই দেখুৱাচোন —ৰূপতে পেলাব পাৰিবনে, গুণতে পাৰিব ? ফুকনৰ ঘৰ উঠি-অহা ঘৰ। লৰা-ছোৱালীবোৰ সুলক্ষণীয়া। আমাৰ ঘৰলৈ কেশদা বোৱাৰী হৈ আহক, দেখিবি আমাৰ ঘৰলৈকো লক্ষ্মী গোঁসানী লগে লগে আহিব। আমাৰ ঘৰলৈ যে ফুকনে ছোৱালী দিম বুলিছে সেইটো ভাগ্য বুলিয়ে ধৰিবিচোন, আৰু কেশদায়েই ছোৱালীৰ ভিতৰত ধুমলীয়া। সেইয়া ডাঙৰজনী গুণদাক বিয়া কৰালে চব-ডেপুটিয়ে, তাৰ পিছৰজনী মোক্ষদাক বিয়া কৰালে চন্দ্ৰ উকীলে।

দেউতাৰৰ মুখলৈ চাইহে তোলৈ ফুকনে ছোৱালী দিবলৈ ওলাইছে। তই ইবোৰ সিবোৰ নেগাবি। আৰু তই হঁা-না কৰিলেও ককাইদেৱে কাণ কৰিব হুবলা। মিছাতে দেউতাৰে বেয়া পোৱাটো নকৰিবি।"

অৱশ্যে বিয়াৰ বিষয়ত বা কেশদা সম্পৰ্কত মোৰ আপত্তি কৰিব-লগীয়া নাছিল। বিশেষকৈ কোনো বিশেষ এজনী ছোৱালীক বিয়া কৰোৱাৰ কথা মই ভবাও নাছিলো। আৰু কেশদাকো মই দেখিছিলো। দেখনিয়াৰ আৰু স্বাস্থ্যৱতী ছোৱালী। মোৰ কিয়, অন্যৰো অপছন্দ হোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে।

কেশদাক বিয়া কৰোৱাৰ পাছত বুজিলো, দেউতা, পেহী দেউইতৰ সিদ্ধান্তই নিৰ্ভুল আছিল। কেশদা আমি ভবাতকৈ বহুত ভাল ছোৱালী, সুন্দৰী, স্বাস্থ্যৱতী কৰ্ম্মী আৰু সুগৃহিনী। বয়সো বৰ বেছি নহয়। অথচ অভিজ্ঞ গৃহিনীৰ সকলো সদগুণ কেশদাৰ আছে। আৰু মোৰ সংসাৰলৈ অহাৰ প্ৰথম দিনাৰ পৰাই কেশদাই মোক সুখী কৰিবলৈ যত্নপৰ হোৱাটো বুজি পাবলৈ মোৰ অকনো কষ্ট কৰিব লগা নহল।

মই কেশদাক বিয়া কৰোৱাতো সমনীয়া বহুতৰে চকু-মুখত ঈৰ্ষাৰ ভাৱ প্ৰকাশ পোৱা মই দেখিছিলো। মনে মনে মোৰ গৰ্ব্ব আৰু আনন্দ হৈছিল। অৱশ্যে ফুকনৰ পৰিয়ালৰ লগত মিতিৰ হোৱাটো কোনো গৰ্ব্বৰ কথা বুলি মই নে-ভাবিছিলো। বিশেষকৈ কেশদাক মই বিয়া কৰোৱাৰ পিছতো মোকৰ্দ্দমা লগাই লৈ কেশৱ ফুকন আগৰ দৰেই কাছাৰীলৈ আহি থকা কথাটো মই বেয়া পাইছিলো। কিন্তু সেই বিষয়ত মোৰ কৰলগীয়া বা কৰিবলগীয়া একো নাছিল। মোৰ সম্পৰ্ক কেশদাৰ লগত।

কেশদাই আমাৰ ঘৰখন আৰু মোৰ জীৱনটো আনন্দেৰে ভৰাই তুলিলে। কেশদাৰ মৰম চেনেহ পৰিচৰ্য্যাৰ মাজত মই জীৱনৰ পূৰ্ণতাৰ আস্বাদ বিচাৰি পালো। কেশদা বুদ্ধিমতী, কিন্তু অমায়িক সুন্দৰী কিন্তু অকনো গৰ্ব্বী নহয়। প্ৰতাপী ধনী কেশৱ ফুকনৰ

সুমলীয়া জীয়েক কেশদাই হেমধৰ তৰণীৰ পুত্ৰ জীৱন কেৰাণীৰ পত্নী হৈয়ো কোনো আক্ষেপ অভিযোগ কৰা নাছিল, আৰু নিজৰ ঘৰখনৰ কথা বা ককায়েক দেউতাকৰ কথা পেঘেনিয়াই থাকি কাকো বিৰক্ত কৰা নাছিল। আৰু বিশেষকৈ কেশদাক বোৱাৰী হিচাপে পাই দেউতা বৰ সুখী আৰু সন্তুষ্ট হৈছিল। মোৰহে:মাজে মাজে অলপ ভয় হৈছিল কিজানিবা কাছাৰীৰ সামান্য কেৰাণী বুলি কেশদাই কেতিয়াবা মনে মনে মোক অশ্ৰদ্ধা কৰে আৰু মোক তেওঁৰ ককায়েক ইঁততকৈ সৰু বুলি ভাবে। কিন্তু কেশদাৰ গভীৰ মৰম আৰু অকৃত্ৰিম চেনেহৰ মাজত তেনে কোনো ভাবে দেখা দিয়া মই কাহানিও গম পোৱা নাছিলো। মই মাত্ৰ দেখি মুগ্ধ হৈছিলো যে মোক আৰু আমাৰ পৰিয়ালৰ সকলোকে সকলো প্ৰকাৰে সন্তুষ্ট ৰাখিবৰ কাৰণেই কেশদা একাণপতীয়াকৈ লাগি আছিল। আৰু কেশদাৰ মৰমক অবিশ্বাস কৰিবৰ কোনো থল নাছিল।

এইবোৰ আজি বহুত দিনৰ আগৰ পুৰণি কথা। কিন্তু এইবোৰেই অন্য সকলো সা-সম্পত্তিতকৈ মোৰ কাৰণে অধিক মূল্যবান কথা। আমাৰ বিয়া হবৰ আজি দুকুৰি বছৰবো বেছি হ'ল। কিন্তু সকলো কথাই মোৰ সৌ সিদিনাৰ কথা যেন লাগি আছে। জীৱন মানেনো কি? মই সাধাৰণ মানুহ। দুকুৰি বছৰত কৈ সৰহকাল কাছাৰী ঘৰৰ একেটা কোঠাৰ চাৰিবেৰৰ মাজত, দ'ম দ'ম ফাইলৰ মাজত, অন্য মানুহৰ জীৱনৰ সমস্যাৰ মাজতে কাটি গ'ল। চাকৰিৰ পৰা অৱসৰলৈ যেতিয়া জীৱনত কি পালো, কি নেপালো তাৰ কথা এবাৰ ভাবি চাইছো, দেখিছো, কেৰাণীৰ জীৱন হলেও মোৰ কাৰণে মোৰ জীৱনটো মূল্যহীন নহয়। অসুখ-অশান্তি আলৈ—আহুকালৰ মাজে দিয়ে ময়ো সাতোটা লৰা ছোৱালীৰ পিতৃ হলো। চাৰিজনী ছোৱালী আৰু তিনিটা লৰাক যথাশক্তি চেষ্টা কৰি শিক্ষিত কৰিলো, মানুহ কৰিলো। ভাল পাত্ৰতেই দুজনী ছোৱালীৰ বিয়া দিলো। ডাঙৰ লৰা দুইয়ো ভাল চাকৰিলৈ স্বাৱলম্বীভাবে জীৱন কটাব পৰাত

সহায় কৰিদিলো। সাধাৰণ কেৰাণী হিচাপে সোমাই ৰেভিনিউ চিৰস্তাদাৰ হিচাপে মানে-সম্মানেই অৱসৰ ললো। অৱশ্যে উকীলৰ তৰণী কৰি দেউতাই যিমান ধন ঘটিছিল, মই হয়তো সিমান টকা পইচা কৰিব নোৱাৰিলো। কিন্তু বৰ অভাৱ-অনাটনত নপৰাকৈয়ে মই সংসাৰখন চলাই গ'লো। আৰু কেশদায়ো এগৰাকী দক্ষ মাতৃ আৰু গৃহিনী হিচাপে মোৰ সীমাৱদ্ধ টকাকেইটাৰেই আলহী-অতিথি সুধি, সকাম-নিকাম পূজা-বিহু চলাই, লৰা ছোৱালী পঢ়াই ঘৰখন ৰাই-কুই নোহোৱাকৈ চলাই গ'ল ; আজিও চলাই আছে।

হয়তো কেশদাই পৰামৰ্শ নিদিয়া হলে মোৰ ৰিটায়াৰ কৰাৰ বহু বছৰ আগতে দেউতাই কিনি থৈ যোৱা নগৰৰ ভিতৰৰ মাটি ডোখৰত ভাড়া ঘৰ চাৰিটা সজাই থোৱা নহলহেঁতেন। তেতিয়া কেশদাৰ পৰামৰ্শ বৰ অদৰ্কাৰী যেন লাগিছিল কিন্তু অৱসৰ লৈ আজি বুজিছো যে সেই ভাড়াঘৰ কেইটাৰ পৰা নিয়মমতে ভাড়াৰ টকাখিনি পাই নথকা হলে, আজি এই সকলো বস্তুৰ মহাৰ্ঘৰ দিনত কেনে কষ্টত পৰিবলগীয়া হ'লহেঁতেন। দেউতাৰ নিজৰো সেই ডোখৰ মাটিত ভাড়াঘৰ সজাই দিয়াৰ চিন্তা আছিল। কিন্তু মৃত্যুৰ পূৰ্বে দেউতাই সেই ইচ্ছা পূৰ্ণ কৰি যাব নোৱাৰিলে। কেশদাই .কৰালে। সঁচাকৈয়ে সেই ভাড়াঘৰ চাৰিটাৰ পৰা আজি অত বছৰে বহুত টকা পোৱা হ'ল। এতিয়াও পাই আছো। হয়তো হাতে কামে কেশদা আগ নবঢ়া হলে আৰু ঘৰসজা সকলো বস্তুৰ দাম সস্তা থাকোতেই নসজোৱা হ'লে, আজি এনেকুৱা আহল-বহল চাৰিটাকৈ ভাড়াঘৰ সজোৱাটো সম্ভৱেই নহ'লহেঁতেন। আজি বাকী পৰি থকা মাটিখিনিত সৰু সৰু ঘৰ দুটা সজাওঁতেই ইমান বেছি খৰছ পৰিছে।

দেউতা ঢুকাল। পুতেক বোৱাৰীয়েকৰ এখন সুখী আৰু সমৃদ্ধিশালী সংসাৰ দেখিয়ে দেউতা ঢুকাল। আয়ো ঢুকাল, পেহীও ঢুকাল। ময়েই এখন সংসাৰৰ কৰ্তা হৈ পৰিলো। জীৱন কেৰাণী এদিন জীৱন পেছকাৰ হলো। জীৱন পেছকাৰ এদিন জীৱন

চিৰস্তাদাৰ হলো। ডুজনীকৈ ছোৱালীৰ বিয়া দি সম্মানিত শহুৰ হলো। একপ্ৰকাৰ অবিশ্বাস্য কথা;—কিন্তু তেনেই স্বাভাৱিক কথা। আৰু অৱসৰ লোৱাৰ পিছত আজি নিৰ্ভুলভাৱে বুজিছো যে মই—জীৱন চিৰস্তাদাৰ—বুঢা হলো, মোৰ বয়স পয়ষষ্ঠি বছৰ হ'ল। মোৰ দাড়ি চুলি সকলো পকিল, দাঁতো আধাতকৈ সৰহ সৰিল, চশমা কেতিয়াৰপৰা লবলৈ আৰম্ভ কৰিলোঁ আজি আৰু মনতে নপৰে। আগৰ স্বাস্থ্য আৰু নাই। নিয়মীয়া হোৱাৰ কাৰণেই হয়তো ৰোগ-ব্যাধি বৰ বেছি নাই, কিন্তু দেহাৰ শক্তি কমি আহিছে। দুৰ্ব্বল হৈছো। কেশদা আৰু লৰা-ছোৱালীৰ তাগাদাত ভিটামিন, কেল্‌চিয়াম আৰু কিবাকিবি শক্তিদায়ক ঔষধ-পথ্য খাই গাত শক্তি ৰক্ষা কৰিবৰ কৃত্ৰিম চেষ্টা কৰিছো।

সংসাৰ চলিছে। জীৱন আগবাঢিছে। ময়ো ধীৰে ধীৰে মৃত্যুৰ দেশৰ ফালে আগবাঢিছো। আজিকালি জীৱনৰ চিন্তাতকৈ মৃত্যুৰ চিন্তায়েই মোক অধিক সময় চিন্তান্বিত কৰি ৰাখে। পিতা আৰু স্বামীৰ কৰ্ত্তব্য-নিষ্ঠাৰেই পালন কৰিবৰ চেষ্টা কৰিলো আৰু এতিয়াও কৰি আছো।

এই সকলোবোৰৰ কাৰণে যদি মোক কোনোবাই সৌভাগ্যবান বুলি ভাবে আৰু সেই সৌভাগ্যৰ বাবে মোক কোনোবাই মনে মনে ঈৰ্ষা কৰে, তাৰ কাৰণে মই অনুশোচনা নকৰো। বহুতৰে জীৱন গঢি গঢিও ভাগি ভাগি যায়, কাৰোবাৰ জীৱন ভাগি ভাগিও গঢ়ি উঠে, মই দেখিছো। মোৰ জীৱনত ভঙা-গঢাৰ সজ্ঘাত নাই বুলিয়ে বহুতে কব; মই যেন এটা বান্ধি থোৱা বাটেদি নিয়ম মতে খোজ দি দি আজি নিৰ্বিৰোধে বাটৰ মূৰত ভৰি দিছোহি। পৃথিবীত যেন জীৱন কেৰাণী হিচাপে আৰম্ভ কৰি জীৱন চিৰস্তাদাৰ হিচাপে সামৰণি মাৰিবলৈকে মই আহিছিলো; আৰু কোনো উদ্দেশ্য নাই।

শান্ত, গভীৰ সাগৰৰ ওপৰভাগ দেখিলে তলিত অহৰহ চলি থকা পানীৰ খলকনিৰ কথা আমাৰ মনলৈ নাহে। মোৰ জীৱনৰ নিৰিবিলি

ৰূপটো দেখিলেও হয়তো কোনেও ভাবিব নোৱাৰে যে মোৰ অন্তৰ জগততো এখন শেষ নোহোৱা খলকনিৰ জগত আছে, যি মোৰ মন আৰু হৃদয়ৰ ভিতৰখন অধীৰ, উৰ্ম্মিময় আৰু অশান্ত কৰি ৰাখিছে।

নিজৰ মনৰ কথাৰে বৰকৈ হায়ৌ-বিয়ৌ নকৰা যুগত মই জন্মলৈ ডাঙৰ দীঘল হৈছিলো। সংযম সাধনাৰে নিজৰ স্বভাৱক শক্তিশালী কৰি গঢ়ি তুলিছিলো। জীৱনৰ সমস্যাক অস্বীকাৰ কৰিবলৈ বা সমস্যা এৰাই চলিবলৈ অযথা যত্ন কাহানিও কৰা নাছিলো। কিন্তু আজি মই বুজিব পাৰিছো যে মোৰ এটা ডাঙৰ দুৰ্ব্বলতা আছিল, আজিও আছে। মোৰ জীৱনৰ গতিপথ নিৰ্ণয় কৰাত মই নিজে অতি কম অংশ গ্ৰহণ কৰিছো। দেউতা, কেশদা, হাকিম, উকীল আৰু পিছত মোৰ নিজৰ লৰা-ছোৱালী এই সকলোৱেই মোৰ জীৱনটো এটা সাঁচত গঢ়ি তুলিলে। প্ৰকৃততে মোৰ নিজৰ জীৱনটো গঢ়িবৰ কাৰণে মই নিজে একোকে মোৰ মতে কৰা নাই। ডাঙৰ ছোৱালী জনী—মাধৱী—তাইৰ কাৰণে ইন্‌কম্‌টেক্স ইন্সপেক্টৰ ভবেশ দুৱৰাক জোৱাই হিচাপে ঠিক কৰিলে ককাদেউতাক কেশৱ ফুকনে। দ্বিতীয় ছোৱালী পূৰৱী—তাইৰো দৰা ঠিক কৰিলে মাজু মোমায়েকে – বি. ডি.অ' সোমেশ্বৰ কাকতীক। ডাঙৰ লৰাটোৱেও বিয়া কৰালে নিজৰ পছন্দৰ ছোৱালী—বন্দনাক। মোৰ সন্মতি নিদি উপায় নাছিল, কাৰণ মোৰ আগতে মাকৰ সমৰ্থন আৰু সন্মতি সি আদায় কৰি লৈছিল। ক্ৰমে মোৰ ধাৰণা হব ধৰিলে যে সিদ্ধান্ত লোৱাৰ বিষয়ত মোতকৈ আনৰ দায়িত্ব বেছি আৰু আনৰ সিদ্ধান্তক সমৰ্থন জনোৱাৰ বাহিৰে মোৰ গত্যন্তৰ নাই। এতিয়া সি ভাল চাকৰি লৈ সপৰিয়ালে সুখেৰে আছে। দূৰত থাকিলেও তাৰ বাবে মোৰ কোনো চিন্তা নাই।

আজি বহুত পলমকৈ মই উপলব্ধি কৰিছো যে এইটোৱেই মোৰ আটাইতকৈ ডাঙৰ দুৰ্ব্বলতা। আনে যিহকে যি নকৰক, সেই বিষয়ত

যেন মোৰ একো কবলগীয়া নাই, একো কৰিবলগীয়া নাই। আৰু আনে কৰা সকলো কামেই যেন ঠিক আৰু শুদ্ধ হৈছে।

হয়তো এনে মনোভাৱেৰে সকলো কথাকে চাব পাৰিলে কাৰো লগত কোনো বিৰোধৰ উৎপত্তি নহয় আৰু আনৰ সহানুভূতিও সহজে আদায় কৰিব পাৰি। আনে ইয়াক দুৰ্ব্বলতা বুলি ভবাৰ কোনো সুবিধা নিদিয়ে। ফলত এটা ভিত্তিহীন আত্মসন্তুষ্টিৰ ভাব আহে আৰু সি আমাৰ নিজস্ব স্বাধীন মতামত প্ৰকাশ কৰাত আমাক নিষ্ক্ৰিয় কৰি তোলে।

কিন্তু আজি বুজিব পাৰিছো যে এই নিষ্ক্ৰিয়তা আৰু ব্যক্তিত্ব হীনতা সমাৰ্থক কথা। আনে কৰা সকলো কাম আৰু কোৱা সকলো কথা নিশ্চয় শতকৰা এশভাগ নিৰ্ভুল হব নোৱাৰে।

মোৰ আৰু এটা দুৰ্ব্বলতাৰ বিষয়ে মই আজি বহুত পলমকৈ, সচেতন হৈছো, সি হৈছে মোৰ লৰা-ছোৱালী আৰু পৰিয়ালৰ লোকসকলৰ কাৰণে গভীৰ নিঃস্বাৰ্থ মৰম। মোৰ লৰা-ছোৱালীৰ প্ৰতি থকা মৰমক এটা বেয়া দুৰ্ব্বলতা বুলি আনকি মোৰ পৰিবাৰেও সকিয়াই দিছিল। কিন্তু এই মধুৰ দুৰ্ব্বলতাৰ পৰা মই নিজক কোনো কাহানিও মুক্ত কৰিব নোৱাৰিলো। আজিও পৰা নাই। মোৰ লৰা ছোৱালী কেইটাক, মোৰ পৰিয়ালৰ মানুহক, মোৰ অন্তৰৰ সকলো মৰম উজাৰ কৰি দি পাখিৰে আবৰি ৰাখিবলৈ বিচাৰো। এইয়া কেৱল কৰ্ত্তব্যই নহয়, এইয়া মোৰ জীৱন ধৰ্ম্ম।

হয়তো এই কাৰণেই মই বৰ ভিতৰ কেকুৰা হ'লো। আনকি সম্পৰ্কীয় আপোন মানুহৰ ঘৰলৈও কোনোবা কেতিয়াবাহে মই ওলাই যাওঁ। লৰা-ছোৱালীকেইটাৰ মাজত মোৰ গোটেই খিনি আজৰি সময় কটাই দিওঁ; সিহঁতৰ সামান্য অসুখ বিসুখতো মই বিহ্বল আৰু অস্থিৰ হৈ পৰো; সিহঁতৰ অকনমান ঠেহ—পেচ, খং-বিষ মোৰ পৰম অশান্তিৰ কাৰণ হৈ উঠে। কোনো কথাত কোনোবাই বেয়া পায় বুলি, দুখ পায় বুলি মোৰ দুৰ্ভাৱনাৰ শেষ নাই। মোৰ

দৃঢ় ধাৰণা হৈছিল যে মৰমৰ শাসনহে আটাইতকৈ উত্তম শাসন।

এই বিষয়ত মোৰ আটাইতকৈ দুৰ্ব্বলতা আছিল, মোৰ তৃতীয় ছোৱালী শাৰদাৰ প্ৰতি। ইয়াৰ এটা সৰু কাৰণো আছিল! শাৰদাৰ জন্মৰ পিছতে কেশদাৰ বৰ কঠিন অসুখ হৈছিল। তেওঁ বাচি থকাৰ আশাই বৰ ক্ষীণ হৈ পৰিছিল। দিনে-ৰাতিয়ে দুই তিনিজন ডাক্তৰৰ এহাশুধীয়া চেষ্টা আৰু আমাৰ সকলোৰে শুশ্ৰূষা পৰিচৰ্য্যা, পূজা প্ৰাৰ্থনাৰ ফলত প্ৰায় সাত মাহৰ মূৰত কেশদা ভালৰ ফালে আহিল। কিন্তু কেশদা বৰ নিশকতীয়া আৰু স্বাস্থ্যহীনা হৈ পৰিল। সম্পূৰ্ণ আৰোগ্য হবলৈ আৰু পূৰ্ব্বৰ স্বাস্থ্য ঘুৰাই পাবলৈ কেশদাৰ প্ৰায় দুবছৰ লাগিল। দুশ্চিন্তাই মোক বিব্ৰত কৰিলে। কেশদাৰ জীৱন আৰু কেচুৱা শাৰদাৰ জীৱন—দুয়োটাকে ৰক্ষা কৰিবৰ কাৰণে মই হাতীয়ে—মহে যুঁজাদি যুঁজিলো। কেশদা আৰোগ্য হোৱাত হয়তো বেছি আচৰিত হ'বলগীয়া নাই। কিন্তু পানী কেচুৱা শাৰদাজনীক আমি কেনেকৈ নমৰাকৈ ৰাখিলো—ভাবি মোৰ আজিও আচৰিত লাগে। মাকৰ গাখীৰ তাই এমাহৰ বেছি খাবলৈ নেপালে। মাকৰ অসুখ কাৰণে শাৰদাক মাকৰ লগত শুৱাবলৈ মানা কৰিলে। তাইক—সেই অকণমান, নিশকতীয়া কেচুৱাজনীক মরে বুকুতে সুমুৱাই ৰাখিবলগীয়া হ'ল। প্ৰায় এবছৰ মোৰ শোৱা-খোৱা নহ'ল। প্ৰায় সৰহভাগ ৰাতি উজাগৰে কটাই দিলো। শাৰদাজনী বৰ ধুনীয়া আৰু মৰম লগা আছিল। তাইৰ গাৰ বৰণ গাখীৰ যেন বগা, মিহি, কোমল চুলিবোৰ ঘন ক'লা, চকুহালিত জীয়াই থকাৰ দুৰ্ব্বাৰ আশাৰ লগতে মিহলি হৈ আছিল শিশুৰ সৰল স্নেহৰ গভীৰতা। ইমান ধুনীয়া চকু খুব কমৰহে হয়—যেয়ে দেখে সেয়ে কৈছিল। কিন্তু মাকৰ গাখীৰ খাবলৈ নোপোৱাৰ কাৰণে আমাৰ সকলো যত্ন পৰিচৰ্য্যা পোৱা সত্বেও শাৰদা শকত আৱত হোৱা নাছিল। তাইৰ হাত ভৰিবোৰ আছিল ক্ষীণ আৰু দুৰ্ব্বল। তাই যথেষ্ট কান্দিছিল—

আমনি কৰিছিল। কিন্তু যেতিয়া তাইৰ মিহি, কোমল ওঠ দুটাত হাঁহি জিলিকি উঠিছিল, তেতিয়া যেন সমগ্ৰ আকাশ আৰু স্বৰ্গৰ সকলো সৌন্দৰ্য্য আহি তাত থুপ খাইছিল। তাকে দেখি মই অধীৰ হৈ উঠিছিলো। সৰল শিশুৰ হাঁহিত যদি স্বৰ্গ নাই, তেন্তে ক'ত আছে মই ভাবিব পৰা নাছিলো। শাৰদাক যিকোনো উপায়ে বচাই ৰাখিবলৈ মই দৃঢ় সংকল্প হৈছিলো।

হয়তো এই কাৰণেই, আনৰ কাৰণে নহ'লেও, মোৰ কাৰণে শাৰদায়েই আছিল আটাইতকৈ মৰমৰ ছোৱালী। বহুত দিন অসুখত ভোগাৰ পিছত কেশদা যেতিয়া আৰোগ্য আৰু সুস্থ হ'ল, আৰু কেশদাৰ পৰা সকলো মনোযোগ আঁতৰাই আনি মই একমাত্ৰ শাৰদাত কেন্দ্ৰীভূত কৰিব পৰা হ'লো, তেতিয়া শাৰদাৰো যেন দেহ মনৰ মাজলৈ এটা অভূতপূৰ্ব ৰূপান্তৰ আহিল। দিনে দিনে তাইৰ স্বাস্থ্য ভাল হৈ আহিল। হাঁহিৰে তাইৰ চকু-মুখ উপচি পৰিব ধৰিলে। মান অভিমান ঠেহ-পেচেৰে তাই আমাৰ সকলোকে ব্যস্ত ৰাখিব ধৰিলে। আমাৰ গোটেই পৰিয়ালটোৰ মাজলৈ এটা নতুন উচ্ছ্বাস আনন্দৰ জোঁৱাৰ আহিল। প্ৰথমবাৰৰ কাৰণে তাইক দেখা মানুহেও তাইলৈ চাই তাইক কাষলৈ মাতি অকনমান মৰম নকৰাকৈ থাকিব নোৱাৰা হ'ল।

আৰু মই, মই একপ্ৰকাৰ উন্মাদ হৈ গ'লো। শাৰদাক অন্য কাকো নেলাগে—দেউতাক লাগে, মোক লাগে। মোৰ কামলৈ যোৱাত পলম হয়, ঘুৰি অহাত সোনকাল হয়—শাৰদাৰ কাৰণেই। শাৰদাই মোৰ সকলো চিন্তা কল্পনা মধুৰতাৰে ভৰাই ৰাখিলে, এইয়া মই যেন যখিনীৰ ধনহে পালো। মোৰ চোতালত যেন কোনোবা সাউদৰ সাত নাও সোন-ৰূপ কোনোবাই এৰি গ'ল। পাতালপুৰীৰ কোনোবা জলকুঁৱৰীয়ে যেন সমুদ্ৰ গৰ্ভৰ সকলো মানিক মুকুতা আনি মোৰ মজিয়াত সিঁচি থৈ গ'ল। যিমানে শাৰদা ডাঙৰ হৈ আহিল, সিমানে মই অনুভৱ কৰিব ধৰিলো যে শাৰদাৰ নিচিনা এজনী

ছোৱালীৰ পিতৃ হোৱাতকৈ ডাঙৰ সৌভাগ্যৰ কথা আৰু একো হ'ব নোৱাৰে। শাৰদাৰ মন যোগোৱা, শাৰদাক সন্তুষ্ট ৰখা, সকলো কষ্ট অশান্তিৰ পৰা শাৰদাক নিলগাই ৰখা, এপাহ বনৰীয়া ফুলৰ দৰে শাৰদাক নিজৰ মতে বিকশিত হবলৈ দিয়া—এয়ে হ'ল মোৰ সাধনা।

ঘৰৰ কোনেও আপত্তি নকৰিলে। কেচুৱাতে মাকৰ মৰম নোপোৱা ছোৱালী, অলপ অভিমানী হয় যদি হওক, অলপ জেদী হয় যদি হওক, অলপ আলসুৱা হয় যদি হওক, বয়সত সকলো ঠিক হৈ যাব।

সকলোৰে মুখে মুখে শাৰদা সম্পৰ্কে এষাৰ মাথোন কথা আছিল, "এনেকুৱা এজনী ৰূপৱতী ছোৱালী সমগ্ৰ নগৰখনত আন ক'তো এজনীও আৰু নাই। বয়সত তাই যে কিমান ধুনীয়া হব ভাবিবই নোৱাৰি। ঈশ্বৰে তাইক ভালেৰে বচাই ৰাখিলেই হয়।"

ক্ৰমে মই প্ৰৌঢ়তাৰ ফালে আগবাঢ়িলো আৰু শাৰদা, শিশু শাৰদা কৈশোৰৰ ফালে আগবাঢ়িল। মোৰ চোতাল মজিয়া দিনক দিনে নতুন নতুন ৰূপ আৰু সৌন্দৰ্য্যৰ ঐশ্বৰ্য্যেৰে উপচি পৰিবলৈ ধৰিলে।

যথা সময়ত মাধৱী আৰু পূৰবীৰ বিয়া হৈ গ'ল। মোৰ ডাঙৰ লৰা পৰীক্ষিতে মেট্ৰিক পাছ কৰিয়ে ইঞ্জিনীয়াৰিং পঢ়িবৰ কাৰণে শিৱপুৰলৈ গ'ল। ঘৰ খনত লৰা-ছোৱালী তাকৰ হ'ল। আমি নজনাকৈয়ে শাৰদাই সকলোৰে প্ৰতি থকা আমাৰ সকলো মৰম নিজেই সামৰি ল'লে। শাৰদা, শাৰদা, শাৰদা, ঘৰখন শাৰদাময় হৈ উঠিল। শাৰদা এপাহ ফুল। শাৰদা এটা জোন। শাৰদা এটা স্বপ্ন। শাৰদাৰ যেন একোৰে লগত তুলনা নহয়।

মাজে মাজে কেশদাই মোক সাৱধান কৰি দিয়ে—সৰু ছোৱালীক ইমান বেছি মৰম কৰা ভাল হোৱা নাই।

কেশদাৰ কথাত মই কেৱল মুখ টিপি হাঁহিছিলো, শাৰদাৰ নিচিনা এজনী ছোৱালীক মৰম নকৰাকৈ থাকিব পৰাটো মানুহৰ কাম হ'ব

নোৱাৰে। মই কেশদাক বুজাই কব নোৱাৰো শাৰদাৰ নিচিনা এজনী ছোৱালীৰ পিতাক হোৱাটো এখন ৰাজ্যৰ অধীশ্বৰ হোৱাতকৈ কিমান গৰ্ব্বৰ কথা।

লাহে লাহে শাৰদা যিমানে ডাঙৰ হৈ আহিল, সিমানে তাই নিজৰ ৰূপ সৌন্দৰ্য্যৰ বিষয়ে সজাগ আৰু সচেতন হৈ আহিল। তাইৰ চকু-মুখত নিজৰ ৰূপৰ কাৰণে এটা গোপন অহঙ্কাৰ সাৰ পাই উঠিল। সাৱধানে বা অসাৱধানতাৰে তাই নিজক দেখনিয়াৰ কৰি তুলিবৰ কাৰণে ৰূপ সাধনাত লাগিল। তাইৰ সকলো আৱদাৰ মই বিনা প্ৰতিবাদে, হাঁহিমুখে মানি চলিব ধৰিলো, যেন তাই মুহূৰ্ত্তৰ বাবেও উপলব্ধি নকৰক যে তাই কম দৰমহা পোৱা জীৱন কেৰাণীৰ ছোৱালী, তাই উকীল হাকিমৰ জীয়েক নহয়, মধ্যবিত্ত বাপেকে তাইক ভাত কাপোৰ খিনি দিব পাৰিলেও হীৰা-মুকুতা দিব নোৱাৰে।

যেতিয়া মই দেখিলো যে তাই দেখাই মেলাই যিমান ধুনীয়া, পঢ়া শুনাতো সিমানেই ভাল, তেতিয়া মোৰ আনন্দৰ সীমা নে-থাকিল। শাৰদাৰ কাৰণে মোৰ সৰ্ব্বস্ব উজাৰ কৰি দিবলৈ মই হাঁহিমুখে প্ৰস্তুত হলো।

এদিন ফাগুনমহীয়া জোনাক ৰাতি কোনোবা গছৰ ডালত পৰি এটা কুলিয়ে মাতিলে, ক'ৰবাৰ পৰা বতাহত বনৰীয়া ফুলৰ মৃদু গন্ধ উৰি আহিল, ৰূপালী জোনাক বোৰত কোনোবাই সোনগুৰি ছটিয়ালে, ৰিব্ ৰিব্ কৈ বলা বতাহজাক কিবা কিছুমান অৰ্থ নোহোৱা কথাৰে গীত মুখৰ হৈ উঠিল, মাটিৰ বুকুৰ পৰা এটা আদিম কেঁচা গোন্ধ ওলাই আহিল, আমাৰ চোতালৰ আগৰ বৰ গোলাপ জোপাৰ ঢোপা এটা এপাহ ফুল হৈ গ'ল। খিৰিকিৰ জলঙাইদি সোমাই আহি এখানি ৰূপালী জোনাকে শাৰদাৰ টোপনি যোৱা কাণত কিবা এটা মধুৰ সম্বাদ ঢালি দিলে। তাইৰ আউলি—বাউলি চুলিৰ আঁহে আঁহে সোমাই ৰাতিৰ কোমল বতাহজাকে আশীৰ্ব্বাদৰ আঙুলি বোলালে।

ৰাতিপুৱা এখন সৰল সুন্দৰ কিশোৰ মুখ কিছুমান অবুজ ভয়,

শঙ্কা, উদ্বেগ আৰু আনন্দেৰে উপচি পৰিল। শাৰদাৰ গোটেই জীৱনত প্ৰভাতৰ পূৱালী আকাশখনক ইমান ৰক্তাভ, ইমান বৰ্ণালিৰে ভৰা কাহানিও দেখা নাছিলো। লাজত শাৰদাৰ গাল মুখ, চকুকাণ এপাহ তেজ গোলাপ যেন ৰাঙলী হৈ উঠিল।

আনন্দত মোৰ হৃদয় উপচি পৰিল। মোৰ আনন্দ চেষ্টা কৰিও মই ঢাকি ৰাখিব নোৱাৰা হ'লো। শাৰদাৰ যৌৱন লাভ যেন মোৰ জীৱনৰেই চৰম সাফল্যৰ স্বাক্ষৰ। এজনী নিশকতীয়া ছোৱালী কেতিয়া কেনেকৈ ইমান জনী হ'ল, গাভৰু হ'ল ভাবিও মোৰ আচৰিত লাগে।

কিয় নেজানো কেশদাই মোৰ সমান আনন্দ প্ৰকাশ নকৰিলে। শাৰদা গাভৰু হোৱা কথাটো যেন কেশদাৰ কাৰণে এক দুশ্চিন্তা আৰু দুৰ্ভৱনাৰ কথাহে হৈ পৰিল। যেন কেশদা এক নতুন জটিল সমস্যাৰ সম্মুখীন হৈছে, আৰু এতিয়াৰ পৰা আমি বৰ সাৱধানে চলিব লাগিব।—অতি সাৱধানে।

কেশদাই এদিন মোকো সুবিধা বুজি সোঁৱৰাই দিলে, শাৰদাৰ ওপৰত চকু ৰাখিব লগীয়া হ'ল। তাইক আগৰ নিচিনাকৈ মুকলি-মূৰীয়া হৈ য'তে তৈতে ফুৰিবলৈ দিয়া ভাল নহ'ব। তাইক লৈ মোৰ চিন্তাই হৈছে। তাই সকলোৰে চকুত পৰা হৈ আহিছে দিনে দিনে।

মই কিন্তু কেশদাক প্ৰতিবাদহে কৰিলো: পূৰবী আৰু মাধবীত কৈও শাৰদা বেছি সাহসী আৰু মনোবল থকা ছোৱালী। আৰু তাই পঢ়া-শুনাতো ভাল, এজনী জ্ঞানী ছোৱালী। আজিকালি আৰু দুৱাৰ ঘৰ মাৰি ছোৱালীক ভিতৰত সুমুৱাই ৰখাৰ দিন নাই। মনৰ শাসনেই আটাইতকৈ ভাল শাসন। তুমি চিন্তা নকৰিবা।

কিন্তু তিৰোতাৰ স্বাভাৱিক দৃষ্টিৰে কেশদাই চন্দন ফুকনৰ ও ৰত যিদৰে পাৰে চকু ৰাখিলে, মই বেয়া নেপালো।

দুশ্চিন্তাতকৈ গৰ্ব্বই হৈছিল মোৰ বেছি। য'তে যেয়ে মোক

লগ পায় কিবা নহয় কিবা উপলক্ষ্য উলিয়াই শাৰদাৰ কথা কয়।— শাৰদাৰ ৰূপ আৰু গুণৰ কথা উলিয়ায়। বাপেকৰ আগত জীয়েকৰ বিষয়ে তোষামোদজনক কথা অতি কমেই কয়। নিঃস্বাৰ্থভাৱেই তেওঁলোকে শাৰদাৰ কথা কয়। আত্মতৃপ্তিত মনটো মোৰ ভৰি উঠে।

শাৰদা ধুনীয়া, শাৰদা ৰূপহী, শাৰদা অপৰূপা, শাৰদা অনিন্দ্য সুন্দৰী··

সকলোৰে মুখে মুখে এই প্ৰশংসা বাণী। কোনোৱে সৰলভাৱে কয়, কোনোৱে সামান্য তোষামোদ কৰে, অৱশ্যে নিঃস্বাৰ্থভাবেই। শাৰদাৰ পিতৃহিচাপে মোৰ মন আনন্দেৰে ভৰি উঠে।

কেশদা কিন্তু কিয় জানো কিছু ভীতা। যেন ভালৰ কাৰণে শাৰদা ইমান ৰূপহী হোৱা নাই। শাৰদাৰ ৰূপ যৌৱনৰ প্ৰাচুৰ্য্যৰ অন্তৰালত যেন কিবা এটা ভয়াবহতাৰ গোপন সম্ভাৱনা লুকাই আছে আৰু আমি সাবধান আৰু সতৰ্ক হোৱা দৰকাৰ। মই যিমানে কেশদাৰ শঙ্কা অমূলক বুলি হাঁহি উৰাই দিবৰ প্ৰয়াস কৰিলো, সিমানে কেশদা যেন বেছি সন্ত্ৰস্ত হ'ল।

মোৰ শাৰদা সম্পৰ্কে নিৰ্ভাৱনা হোৱাৰ কাৰণ কেবাটাও আছিল। মই দেখাত আৰু বুজাত শাৰদা দৃঢ় মনোবল থকা ছোৱালী। লগৰ কোনো লৰাই কোনো অবাঞ্চনীয় কথা কৈ তাইক জোকাব নোৱাৰে। তাই শক্তিশালীভাবে প্ৰতিবাদ জনায়। তাই নিজৰ ৰূপ যৌৱনৰ সম্পৰ্কে যিমান যত্ন লয়, নিজৰ পঢ়া শুনাৰো সিমানে যত্ন লয়। তদুপৰি হাকিম-মুনছিফ ডাঙৰ মানুহৰ ছোৱালীবোৰ সকলো তাইৰ বন্ধু। নিজেই আহি সিইত তাইৰ লগত বন্ধু হয়, এইবাবেও তাইক কোনেও অপ্ৰিয় কথা কবলৈ সাহ নকৰে।

কেশদাই কিন্তু প্ৰায়ে কয় "ডাঙৰ মানুহৰ ছোৱালীৰ লগত হলি-গলি কৰিলেই তাই ডাঙৰ মানুহৰ ছোৱালী হৈ নেযায়। আৰু আটাইবোৰ ছোৱালী তাইৰ বন্ধুও নহয়। তাইৰ লগত মিলামিছা

কৰি তাইৰ কিবা খুঁত অলপ উলিয়াবৰ চেষ্টাতহে আছে। আপোনালোক মতা মানুহবোৰে ছোৱালীৰ মনৰ গতিবিধি একো বুজি নেপায়।"

কেশদাৰ কথাবোৰ মোৰ কেইবাশ বছৰৰ আগৰ কোনোবা বুঢ়ী আইতাৰ মুখৰ কথা যেনহে লাগিছিল। আজিৰ যুগৰ ছোৱালীক কেশদাই কেনেকৈ বুজি পাব? আৰু কিছুমান তিৰোতা মানুহ অলপতে সন্দিগ্ধ প্ৰকৃতিৰ হয়। কেশদাকলৈ কোনো দিনেই মোৰ অসন্তুষ্ট হবৰ কোনো কাৰণ হোৱা নাই। পত্নী আৰু মাতৃ হিচাপে কেশদাক সৰ্বগুণী বুলি কলেও বেছি কোৱা নহয়। কিন্তু শাৰদা সম্পৰ্কে কেশদাৰ ধাৰণা কিয় অন্য ৰকমৰ মই বুজিব নোৱাৰো।

গোলাপ উকীলৰ পুতেক ৰথীন আৰু শাৰদা সমান বয়সীয়া, একে ক্লাছতে পঢ়ে। বাপেকৰ নিচিনাই ৰথীন সৰল চেঙেলীয়া লৰা। সৰুৰে পৰা শাৰদাৰ লগত একেলগে খেলিমেলি সি ডাঙৰ হৈছে। অলপ ওখপাখ হৈছে, অলপ তেজপানী গাল মুখলৈ আহিছে। সেইবুলি এতিয়াও লৰা হৈয়ে আছে। আগৰ দৰেই এতিয়াও সি শাৰদাৰ লগত ধেমালি-ধুমুলা কৰে, সৰু সুৰা দন-কাজিয়াও কৰে। মাজে মাজে ঠেহ-পেচও লাগে। কেশদাইঁতে যেনেকৈ নিজৰ লৰা-ছোৱালীৰ নিচিনাকৈয়ে ৰথীনক মৰম চেনেহ কৰে, গোলাপ উকীল-হঁতেও শাৰদাক তেনেকৈয়ে মৰম চেনেহ কৰে।

আগেয়ে কেশদাই একো নকৈছিল, একো নেভাবিছিল। কিন্তু আজিকালি ৰথীন আৰু শাৰদাই অকলে কিবা পঢ়া-শুনা কৰি হাঁহি মাতি থকাটোও কেশদাই বৰ ভাল নেপায়। পৰাপক্ষত সিহঁতক অকলশৰ হবলৈ নিদিয়ে, কেতিয়াবা কিবা অজুহাত দেখুৱাই শাৰদাকে অন্যফালে মাতি আঁতৰাই লৈ যায়। ৰথীনে চাগৈ মনে মনে বেয়া পায়। একো নকৈ সি মনে মনে আমাৰ ঘৰৰ পৰা উঠি যায়। এইবোৰ কথা মাজে মাজেহে মোৰ চকুত পৰে। মইতো সদায় ঘৰৰ ভিতৰতে সোমাই নেথাকো।

কেতিয়াবা কেতিয়াবা এইবোৰ কথা মোৰ চকুত পৰে। মই একো নকওঁ যদিও কেশদাৰ ওপৰত অসন্তুষ্ট হওঁ। শাৰদাৰ কাৰণেও মোৰ বেজাৰ লাগে, ৰথীনৰ কাৰণেও বেয়া লাগে, সিহঁত সহোদৰ ককাই ভনীৰ নিচিনাকৈ ডাঙৰ হৈছে। সিহঁত কম বয়সীয়া সৰু লৰা-ছোৱালী, সিহঁতৰ হহাঁ-মতাক অন্য চকুৰে চোৱাটো পাপৰ কথা। কিন্তু কেশদা মাইকী মানুহ। পৰিস্থিতিটো যেন ক্ৰমাৎ মোৰ শাসনৰ বাহিৰলৈ ওলাই যায়।

এদিন সচাঁকৈয়ে কেশদাই ৰথীনৰ উপস্থিতিতে শাৰদাক টান কথা শুনাই দিলে। উপলক্ষ্য আছিল তেনেই সামান্য। আমাৰ বাৰীৰ পিছফালে এজোপা বৰ জামু আছিল, জমুজোপা পকিছিল, অন্যান্য সৰু-ডাঙৰ লৰা-ছোৱালীৰ লগতে ৰথীন আৰু শাৰদায়ো জামু বুটলি আহিছিল। হঠাৎ—কি ভাবি ল'ৰা-মন-ৰথীনে শাৰদাৰ গালৈ পকা ক'লা জামু এমুঠি মাৰি পঠিয়ালে। শাৰদাৰ পিন্ধি থকা সকলো কাপোৰ চিতৰা পখৰা হৈ পৰিল। তাই চেঁচেঁয়াই উঠিল, আৰু তাইও এমুঠি পকা জামু ৰথীনৰ গালৈ মাৰি পঠিয়ালে। দুয়োটাৰে ভালকৈয়ে এখন সৰু-সুৰা কাজিয়া লাগিল। বুটলি লোৱা জামুবোৰ ৰথীনে দলিয়াই পেলাই দিলে আৰু কোঁ-কোঁৱাই ঘৰলৈ গুচি গ'ল। ৰথীন তেনেকৈ গুচি যোৱা দেখি শাৰদাই ফেকুৰি ফেকুৰি কান্দিলে আৰু হাতৰ জামুবোৰ দলিয়াই পেলাই দিলে।

ঘটনাটো কেশদাই লক্ষ্য কৰি আছিল। ইয়াৰ বাবেই তেওঁ শাৰদাক বহুত টান কথা শুনালে। কেশদাৰ ভৰ্ৎসনা পাই শাৰদা মৰ্ম্মাহত হ'ল আৰু মোৰ নিচুকনি আৰু মৰম চেনেহেও বিশেষ কাম নিদিলে। সেইৰাতি আৰু ভাতকে নেখালে।

অৱশ্যে এনে নিষ্ঠুৰতাৰ কাৰণে মই কেশদাক কিবা এটা কওঁ কওঁ বুলিও কব নোৱাৰিলো। মই জানো গোটেই জীৱনত মই এনে দুৰ্ব্বলতা অতিক্ৰম কৰিব নোৱাৰাৰ ফলতেই নানা দুৰ্ভোগ ভুগিব-লগীয়া হৈছে। কিন্তু কাৰোবাৰ কোনো কামত বাধা দিলেই কিজানিবা

অসন্তুষ্ট হয় এই ভয়তে মই বহু সময়ত উচিত পৰিস্থিতিতো একো কব বা কৰিব নোৱাৰো। কেশদাৰ ৰূঢ়তাই মোক যথেষ্ট মনোকষ্ট দিছিল, কিন্তু মোৰ সান্ত্বনা বাণীৰে শাৰদাক নিচুকোৱাৰ চেষ্টা কৰাৰ বাহিৰে মই অন্য একো কৰিব নোৱাৰিলো।

মই কিন্তু শাৰদাৰ ক্ষেত্ৰত কেশদা এনে কঠোৰ হোৱাৰো কোনো কাৰণ বুজিব নোৱাৰিলো।

মই কোনো দিন ভবানাছিলো যে জীৱন চিৰস্তাদাৰৰ জীয়েক শাৰদাই সৰু চহৰখনত এটা ইতিহাস সৃষ্টি কৰিবৰ কাৰণে জন্ম ধাৰণ কৰিছিল, আৰু এই ইতিহাসৰ গতি ইমান অপ্ৰতিহত হব যে তাক বাধা দিয়াৰ সকলো প্ৰত্যক্ষ বা পৰোক্ষ চেষ্টাই কৰুণ ভাবে ব্যৰ্থ হৈ যাব। আৰু মই নেজানিছিলো যে মোৰ আটাইতকৈ ধুনীয়া আৰু আটাইতকৈ মৰমৰ ছোৱালী জনীয়েই মোৰ আটাইতকৈ গভীৰ আৰু অন্তৰ্দাহী বেদনাৰ কাৰণ হব। কব নোৱাৰো শাৰদাৰ সৌন্দৰ্য্যই মোক দুৰ্ব্বল কৰি পেলাইছিল নেকি, নাইবা সকলো পিতৃয়েই সন্তানৰ ক্ষেত্ৰত মোৰ নিচিনাই দুৰ্ব্বল হয় নে কি ?

# কৈলাশ নাথ কাকতীৰ কথা

মোৰ সম্পৰ্কে কেবাটাও অভিযোগ বন্ধু মহলত প্ৰচলিত থকাৰ কথা মই জানো। মই এজন ডাঙৰ মানুহৰ লৰা। যদিও দেউতা ডেপুটি কমিছনাৰ হোৱাৰ কাৰণে মোৰ কণমাণও অহঙ্কাৰ নাই।—তথাপি সকলোৰে লগত হলিগলি কৰি ফুৰিব নোৱাৰো কাৰণে মোক প্ৰায় সকলোৱে গৰ্বী বুলি ভাবে, আৰু মোৰ অহঙ্কাৰৰ বিষয়টো বহুতৰে উষ্ণ আলোচনাৰ বিষয় বুলিও মই জানো। দেউতা হাকিম হোৱাৰ কাৰণেই আমাৰ ঘৰলৈ মানুহ বৰ বেছি নাহে। তদুপৰি মই সৰুৰে পৰা ছিলঙ মিছনেৰী স্কুলত পঢ়াশুনা কৰিছিলো। দেউতা চৰকাৰী চাকৰিয়াল অ'ৰ পৰা ত'লৈ বদলি হৈ থাকে। আমাক লগতে লৈ নফুৰাই, হোষ্টেলত থৈ পঢ়াইছিল। দেউতা নিজেও কম কথা কোৱা মানুহ, আমাকো অযথা বলকি ফুৰাটো বেয়া অভ্যাস বুলি শিকনি দিছিল।

কথা কম কলেই আৰু যাৰে তাৰে লগত হলিগলি কৰি নুফুৰিলেই মানুহক অহঙ্কাৰী বুলি ধৰিব লাগে নেকি মই নেজানো, কিন্তু মোক বহুতে অহঙ্কাৰী বুলি ভাবিছিল।

মোৰ বিপক্ষে দ্বিতীয় অভিযোগ—ডাঙৰ মানুহৰ লৰা হৈও মই পঢ়া-শুনাত চোকা। লক্ষ্মীৰ লগত সৰস্বতীৰ অৰিয়া অৰিৰ কাহিনী প্ৰায় লোক বিশ্বাসত পৰিণত হৈছে। সৰস্বতী একেটা পৰিয়ালতে দুপুৰুষৰ সৰহ নেথাকে, লক্ষ্মীক বান্ধিচাটি, খাটিলুটি ৰাখিব পাৰিলেও সৰস্বতীক হলে ঘৰতে সদায় ৰখাৰ কোনো উপায় নাই। কিন্তু মোৰ ক্ষেত্ৰত হ'ল ব্যতিক্ৰম। চোকা মানুহ দেউতাৰ পুত্ৰ—(দেউতাৰ নাম আছিল নীলকণ্ঠ কাকতী)—মই কৈলাশনাথ কাকতীও হলো পঢ়া-শুনাত চোকা। মই কোনো পৰীক্ষাতে কোনো দিনে দ্বিতীয়

হোৱা নাই। অৱশ্যে এইবাবে মোৰ আত্মপ্ৰসাদ থাকিলেও, গৰ্ব নাই। কাৰণ পঢ়া-শুনাত ভাল হোৱাটো বা পৰীক্ষাত ভাল কৰাটো মোৰ মগজুৰ বিশেষত্ব বা কৃতিত্বই নহয়; মই পঢ়া-শুনাত যথেষ্ট অধ্যৱসায় কৰো, অন্য বহু ছাত্ৰতকৈ মই বেছি পঢ়ো। অৱশ্যে মোৰ স্মৰণশক্তি আন বহু, তকৈ ভাল (স্মৃতিশক্তি প্ৰখৰ হোৱাটো যে কি বিড়ম্বনা আনে যদি বুজিলেহেঁতেন। সকলো ভাল বস্তু সকলোৰে কাৰণে সকলো সময়তে নিশ্চয় ভাল নহয়!) মই পৰীক্ষাত বেয়া কৰিব নোৱাৰাৰ কাৰণে যদি কোনোবাই মোক বেয়া পায়, মইনো কি কৰিম, তৃতীয়তে মই ভাল খেলুৱৈ। টেনিছ আৰু ক্ৰিকেট মোৰ প্ৰিয় খেল, সৰু কালৰ পৰা খেলিছো। মই নিয়মীয়া খেলুৱৈ; ব্ৰিলিয়েণ্ট ষ্টাৰ নহয়, কিন্তু বহু উল্লেখযোগ্য খেলাত জিকাৰ মোৰ ৰেকৰ্ড আছে।

সদায় টেনিছ আদি খেলাৰ কাৰণেই হয়তো মোৰ স্বাস্থ্য ভাল, দেহ আটিল, নিৰোগ। মোৰ গাৰ বং বৰ বগা নহয়, কিন্তু স্বাস্থ্য শ্ৰীসম্পন্ন এজন ডেকা মানুহৰ স্বাভাৱিক সৌন্দৰ্য্যই যথেষ্ট। মই নিয়মীয়া শকত, কিন্তু অলপ বেছি ওখ—প্ৰায় ছ ফুট, এইবাবে মই দেখনিয়াৰ নহও যদিও, এনেয়ে মানুহৰ চকুত পৰো।

কোনোবাই যদি মোৰ ওখ আৰু স্বাস্থ্যবান হোৱাটোক, আৰু ভাল খেলুৱৈ হোৱাটোক মোৰ কিবা দোষ বুলি ভাবে মই কি কৰিব পাৰো? এইখন চহৰতে নহয়; অন্য চহৰতো মই প্ৰতিকূল মন্তব্য বহুত হজম কৰি আহিছো, সেইদেখি ইয়ালৈ আহি প্ৰায় একেবোৰ সমালোচনাৰ সন্মুখীন হোৱাত মই দুঃখীত বা বিস্মিত নহলো। আমাৰ মানুহবোৰৰ ধাৰণাৰ জোখকাঠি যে প্ৰায় একে স্তৰৰ তাকে জানি আমোদ পালো।

মোৰ চতুৰ্থ দোষটোৰ সম্পৰ্কত মন্তব্য বেলেগ বেলেগ। হয়তো কোনো সুযোগ নোপোৱাৰ কাৰণে, নাইবা স্বভাৱগত ভাবেই মই ছোৱালী অথবা তিৰোতা মানুহৰ লগত অতি কমেই মিলামিছা

কৰো। কোনো ছোৱালীৰ লগত সামান্য আলাপ আলোচনা কৰিব লগা হলেও মই অপ্ৰস্তুত আৰু নাৰ্ভাছ হৈ পৰো, আৰু মোৰ এই নাৰ্ভাছনেছ ঢাকিবৰ কাৰণেই মই ছোৱালীৰ লগত সদায় এটা উচ্চাত্মিকা ভাবলৈ কথা বতৰা হওঁ। আনকি মোৰ ভনী দুজনী—গৌৰী আৰু সীতা—সিহঁতৰ লগতো মই বৰ সহজ হব নোৱাৰো। মই পেন্‌পেনীয়া কথা, তিৰোতাসুলভ চাল-চলন আৰু দুৰ্ব্বল সিদ্ধান্তক সদায় ঘৃণা কৰো। এই বাবেই মোৰ ভনীকেজনীয়েও মোক দাম্ভিক বুলি ভাবে, আৰু এই বিষয়ে মা আৰু দেউতাৰ ওচৰতো কেতিয়াবা অভিযোগ উত্থাপন কৰে। মই সিহঁতৰ অসহায় দুৰ্ব্বলতাখিনি মনে মনে উপভোগ কৰো।

কাশী বিশ্ববিদ্যালয়ত মাইনিং আৰু মেটেলাৰ্জিৰ ফাইনেল পৰীক্ষা দি আহিছিলো। উচ্চ ডিগ্ৰীৰ কাৰণে জাৰ্মেণী বা ইংলেণ্ডলৈ যোৱাৰ ব্যৱস্থা কৰাত লাগি আছো। দেউতায়ো ঘৰলৈ কিছুদিনৰ কাৰণে মাতি পঠাইছিল। আচলতে লৰাকালৰে পৰা মই আমাৰ পৰিয়ালৰ লগত বৰ বেছি দিন থাকিবলৈ পোৱা নাই। বিদেশলৈ যোৱাৰ আগতে কিছুদিন মা-দেউতাহঁতৰ লগত থাকি যোৱাটো পৰিয়ালৰ সকলোৰে ইচ্ছা।

অৱশ্যে গৌৰী আৰু সীতা দুয়োজনীয়েই স্পষ্ট ভাবে জনাই দিছে—"ঘৰত থাক যদি ঘৰৰ মানুহ থকাদি থাকিবি। গোৱাঁৰ গোবিন্দ মহাপণ্ডিতহৈ থাকিব খোজ যদি আহিবই নালাগে। ইঞ্জিনীয়াৰ হলেই নহয়, ভদ্ৰলোক হবলৈকো শিকিব লাগে। আমাৰ লগত অভদ্ৰামি কৰি আমাক লাজত পেলাব নোৱাৰ কিন্তু..."

সীতাহঁতে যিহকে নকওক, মই কিন্তু অভদ্ৰ নহয়। কাৰোবাৰ লগত হলিগলি নকৰা, কাৰোবাৰ লগত দৰকাৰতকৈ বেছি কথা নপতা, হোৱাই নোহোৱাই কাৰোবাৰ ঘৰলৈ গৈ চাহ-তামোল খাই বহি থকাৰ অভ্যাস নকৰাক যদি কোনোবাই অভদ্ৰামি বোলে, মোৰ উপায় নাই।

ঘৰলৈ আহিলো। কেই দিনমান থাকিয়ে আমনি লাগিল। আমাৰ দেশত ডাঙৰ চৰকাৰী চাকৰিয়ালৰ ঘৰ আৰু বন্দীশালৰ মাজত বিশেষ পাৰ্থক্য নাই। বিশেষ এক শ্ৰেণীৰ মানুহৰ বাহিৰে সৰ্ব্বসাধাৰণ মানুহ আমাৰ ঘৰলৈ নাহে। দেউতা মাহঁতো দুঘৰমান একে পৰ্য্যায়ৰ মানুহৰ ঘৰৰ বাহিৰে অন্যৰ ঘৰলৈ নেযায়। এখন অতি ঠেক জগতত ডেপুটি কমিছনাৰ নীলকণ্ঠ কাকতী আৰু তেওঁৰ সৰু পৰিয়ালটো থাকে। সময়বোৰ মোৰ নেযায়, নুপুৱায় যেন লাগিল। ইঞ্জিনীয়াৰিঙৰ কিতাপ আলোচনীৰ বাহিৰে আৰু বাতৰি কাকতখনৰ বাহিৰে অন্য কিতাপ-পত্ৰ পঢ়াৰ বৰ বেছি অভ্যাস মোৰ নাই। আবেলি অলপ টেনিছ খেলো—সিও নিয়মীয়া নহয়। সন্ধিয়া কেতিয়াবা দেউতাৰ লগত বহি অসমৰ উদ্যোগীকৰণ সম্পৰ্কে সৰু-সুৰা আলোচনা কৰো। দেউতা ফিলছফীৰ ফাষ্ট´ ক্লাছ এম, এ আছিল। আগেয়ে সাহিত্য আৰু তত্বমূলক কিতাপ বোৰ পঢ়িছিল। আজিকালি একো পঢ়া-শুনা কৰিবলৈ আজৰি নেপায়, অফিচৰ ফাইলৰ মাজতে সময় কটায়। দেউতা যেন দিনে দিনে 'চিনিক' হৈ গৈছে, মোৰ কেতিয়াবা তেনেকুৱা ধাৰণা হয়। কেতিয়াবা দেউতাই অভিযোগ ভৰা ভাষাৰে মোক কয়: জীৱন আগতকৈ বহুত জটিল হ'ল, লজিকৰ সূত্ৰেৰে man is a rational animal বুলি কৈ যোৱাটো আজিকালিৰ মানুহৰ ক্ষেত্ৰত এটা absurd definition আগতেও মানুহে dual personalityৰ কথা জানিছিল, আজিৰ মানুহৰ personality কিন্তু dual এই নহয়, multiple. আজিৰ মানুহৰ জীৱন অতি জটিল হৈ পৰিছে—দুৰ্বোধ্য ভাবে complicated কেতিয়াবা কোনো বিচাৰত মোৰ conclusion আৰু judgment সম্পূৰ্ণ ভুল যেন লাগে। তই যেতিয়া নিজৰ কামত নিজেই সন্তুষ্ট হব নোৱাৰ, তই সেই কাম সম্পাদন কৰি কেনেকৈ সুখী হবি? মোৰ ভয় হয় আজিৰ জীৱন আৰু জগতে কিজানি আমাক বৰ অসুখী কৰিছে, সুখ বোলা বস্তুটো মানুহে ক্ৰমে হেৰুৱাই আহিছে।

দেউতাৰ কথাবোৰ ভালকৈ বুজি নোপোৱাকৈয়ে সুধিলো, “কিয় বাৰু দেউতা ?”

“ঠিক কব নোৱাৰো কিয়। কিন্তু আজিৰ মানুহৰ কিজানি স্থিৰ প্ৰত্যয়ৰ কোনো অৱলম্বন নোহোৱা হৈ আহিছে, জীৱনক গঢ দিয়াৰ কোনো স্থায়ী সাঁচ নোহোৱা হৈ আহিছে। আমি ঈশ্বৰো বিশ্বাস নকৰো, ধৰ্ম্মও বিশ্বাস নকৰো, বিজ্ঞানৰ ওপৰতো সম্পূৰ্ণ আস্থাবান নহওঁ, নিজৰ অনুভূতিকো সন্দেহ কৰো, নিজৰ জ্ঞান বিবেকৰ অসম্পূৰ্ণতাও অস্বীকাৰ কৰিব নোৱাৰো।”

আৰু কিবা কিবি বহুত কথা দেউতাই কেতিয়াবা কয়। মই একো নুবুজো। মাত্ৰ ভাবো অন্যান্য অভাৱ অভিযোগ বিশেষ নাই যদিও মনে মনে দেউতা বৰ অসন্তুষ্ট, দেউতা সুখী নহয়। কিন্তু দেউতাৰ সমান বয়স আৰু অভিজ্ঞতা মোৰ হোৱা নাই। সুখ পোৱা আৰু সুখ হেৰুওৱা এটাৰো সম্পূৰ্ণ অৰ্থ মই বুজিব নোৱাৰো ! কেতিয়াবা ঘৰখনে আমাক সকলো সুখ দিলেও পৃথিৱীখনে আমাক সকলো সুখৰ পৰা বঞ্চিত কৰে ;—এইয়া দেউতাৰ কথা।

এদিন গধূলি মই টেনিছ খেলি আহি ঘৰ সোমাইছো, অলপ ঘামি জামি আহিছো, ছাৰ্টটোৰ পিঠি আৰু কলাৰ ঘামত তিতি গৈছে। চুলিবোৰ অসংযত হৈ পৰিছে।

ভিতৰলৈ সোমাই যাবলৈ ধৰিছিলো সীতা আৰু কোনোবা ছোৱালী এজনী সেই সময়তে ভিতৰৰ পৰা ওলাই আহিছিল, অচিনাকি ছোৱালীজনী দেখি মই অপ্ৰস্তুত ভাবে বৈ দিব লগীয়া হ’ল ; এনে সাজ পোষাকেৰে এক ভদ্ৰ মহিলাৰ আগত দেখা দিয়াটো নিশ্চয় অভদ্ৰামী। কিন্তু তেতিয়া মোৰ একো কৰিবৰ উপায় নাছিল। ছোৱালীজনীলৈ এবাৰ নোচোৱাকৈ থাকিবৰো কোনো উপায় নাছিল। প্ৰথমতে মই একো অনুভৱ কৰা নাছিলো। তাৰ পিছত হঠাৎ মোৰ মনত লাগিল যেন মোৰ চকুৰ আগত এটা নতুন বগা পোহৰ উদ্ভাসি উঠিছে, আৰু সেই পোহৰৰে এটা তীব্ৰ শুভ্ৰ ৰেখা

হঠাৎ মোৰ বুকুৰ মাজলৈ সোমাই গ'ল। মই চকুহুটা মোহাৰিম নে নোমোহাৰিম একো ঠিক কৰিব নোৱাৰিলো।

"তই আহিলি ককাইদেউ—" সীতাই কলে।

"ও"—কোনো মতে মই কলো।

"এইয়াই আমাৰ কৈলাশ ককাই দেউ" মোক চিনাকি কৰি দিবৰ কাৰণে সীতাই ছোৱালীজনীক কলে।

ছোৱালীজনীয়ে কোমলকৈ, আচৰিত ধুনীয়াকৈ চকুমুখত এটা হাঁহি ফুটাই হাত দুখন কপাললৈ তুলি মোক নমস্কাৰ জনালে। মোৰ হাতত টেনিছৰেকেটখন আছিল, তাৰে সৈতে ছোৱালীজনীক প্ৰতি-নমস্কাৰ জনালো। সীতাই কলে, "এওঁ শাৰদা, মোৰ ক্লাছ ফ্ৰেণ্ড।"

কৰিডৰটো ঠেক। ইমান তেজাল ধুনীয়া এজনী ছোৱালীৰ লগত এনে ঠাইত এনেদৰে চিনাকি হোৱাটো বৰ অশোভনীয় বুলি মই অনুভৱ কৰিলো। "অ" বুলি কৈ মই একাষৰীয়া হৈ বাট এৰি দিলো।

"যাওঁ ব'লা শাৰদা,"—সীতাই কলে।

ছোৱালীজনীয়ে দুয়ো চকুৰ সম্পূৰ্ণ চাৱনি মোৰ চকুমুখৰ ওপৰত সানি এটা বেলেগ হাঁহি মাৰি কলে, "আজি যাও। বেয়া নেপায় যদি আকৌ কেতিয়াবা আহিম। আমাৰ ঘৰ ওচৰতে।"

ইয়াৰ উত্তৰত কি কব লাগে মোৰ জনা নাছিল। মই কিজানি খেলাতকৈ এতিয়াহে বেছি ঘামিছিলো। মই মাত্ৰ কোনোমতে মূৰ দুপিয়ালো। কিবা কব খুজিছিলো যদিও, ডিঙিৰ মাত নোলাল। মই নিশ্চয় ৰঙা পৰিছিলো।

পিছত সীতাক মই বকিলো। এনেকৈ সেই ছোৱালীজনীৰ লগত মোক চিনাকি কৰি দিব নেলাগিছিল। মানুহৰ লগত বিশেষকৈ এজনী ছোৱালীৰ লগত চিনাকি হোৱাত এটা 'ডেক'ৰাম' থকা দৰকাৰ। সীতাই কিন্তু কলে, "তই যে ইমান নাৰ্ভাছ হবি মই কেনেকৈ জানিম? শাৰদায়ো কিজানি তই নাৰ্ভাছ হোৱাটো বুজি গ'ল।"

—"কোনে কি বুজি গ'ল সেই বিষয়ে তই গৱেষণা কৰি থাকিব পাৰ। কিন্তু এনেকৈ যেতিয়াই তেতিয়াই যাকে তাকে তই আমাৰ ঘৰলৈ নানিবি।"

সীতাই প্ৰতিবাদ কৰি উঠিল,—"যাকে তাকে মানে? শাৰদাৰ বিষয়ে সেই বুলি কৈছ! তাই কিমান ধুনীয়া দেখিলিনে? দেখিছ ক'ৰবাত ইমান ধুনীয়া ছোৱালী?"

"ওঁ শাৰদা নহয়, ক্লিওপেট্ৰা। কিন্তু তোৰ বন্ধু তোৰ ওচৰলৈ আহিব পাৰে মোৰ ওচৰলৈ নানিবি।"

সীতাই বেয়া পালে নেকি জানো। তাই কলে, "নানো। আমাৰ ঘৰলৈনো কোন আহে? শাৰদাতো নাহেই। মইহে টানি-টুনি লৈ আহিছিলো, আৰু তোৰ লগত চিনাকি হবৰ তাইৰ যিহে আগ্ৰহ আছিল!"

মই আৰু একো নকলো।

সেইদিনাৰ পৰা এটা শব্দ কাৰণে অকাৰণে মোৰ মুখত ফুটিব ধৰিলে, শাৰদা, শাৰদা, শাৰদা। হঠাৎ যেন মই এখন নতুনকৈ আবিষ্কাৰ কৰা পোহৰৰ দেশত অজানিতেই প্ৰবেশ কৰিলো,— যিদেশৰ পোহৰবোৰ মধুৰ অৰ্থময়। পোহৰবোৰৰ নাম আছে। পোহৰবোৰৰ নাম—শাৰদা।

ছোৱালীজনী কিন্তু আৰু আমাৰ ঘৰলৈ নহা হ'ল। আকৌ এবাৰ ছোৱালীজনীক দেখা পাবৰ কাৰণে মই অধৈৰ্য্য হৈ পৰিলো, কিন্তু মোৰ মনৰ অৱস্থাৰ বিষয়ে কাকো একো জনাব নোৱাৰো হলো। কেইবাবাৰো শাৰদা সম্পৰ্কে সীতাক কিবা এটা সুধিম বুলি ভাবিছিলো, কিন্তু সঙ্কোচ লাগিল, কিজানি সীতাই কিবা ভাবিব, আৰু তেনে কৰিলে মোৰো দুৰ্ব্বলতা প্ৰকাশ পাব।

কিন্তু শাৰদাক আকৌ দেখা পাবৰ কাৰণে মই উদগ্ৰীৱ হই ভাবিলো। শাৰদা স্কুললৈ অহা যোৱা কৰা বাটত থিয় হৈ থকাৰ কথা ভাবিলো, কিন্তু জীৱনত কাহানিও মই তেনেকাম কৰা নাই।

আৰু যদি কেনেবাকৈ সীতা বা গৌৰী বা মাইঁতে জানি যায়! মোৰ লাজৰ সীমা নেথাকিব। মোৰ অত দিনৰ খ্যাতিৰ অধঃপতন ঘটিব। ছোৱালীৰ কথা ভবাতকৈ আৰু দুৰ্ব্বলতা হব নোৱাৰে।

তথাপি মনটো ভাল লগা নাছিল। শাৰদা আকৌতো এবাৰ আমাৰ ঘৰলৈ আহিব পাৰিলেহেঁতেন, সীতাজনীয়েওতো এবাৰ লৈ আহিব পাৰে।

এদিন অভাৱনীয়ভাবে শাৰদাক লগ পাই গলো। দেউতাৰ গাড়ীখন লৈ ক্লাবলৈ ওলাই গৈছিলো, যাওতে বাটতে দোকান এখনত সোমাই কিবা কিবি বস্তু দুটামান কিনি লৈছিলো। ঘুৰি চাই দেখো মোৰ অলপ আঁতৰতে শাৰদা থিয় দি আছে। মই ভালকৈ চালো—ঠিক এইজনী শাৰদা,—যাক এবাৰ দেখিলে আৰু পাহৰিবৰ বা ভুল কৰিবৰ কোনো উপায়ে নাথাকে। শাৰদাই মোক সিদিনাৰ দৰেই নমস্কাৰ কৰিলে। মোৰ দুৰ্ভাগ্য আজিও মোৰ হাতত টুথব্ৰাছ, চাবোন আৰু কিবাকিবি। তাৰেইপ্ৰতি-নমস্কাৰ জনালো। প্ৰণাম জনায়েই অপ্ৰস্তুত আৰু নাৰ্ভাছ হৈ গ'লো। শাৰদাক লগ পাবৰ সময়ত মোৰ হাত দুখন খালি থাকিব নেপায়নে? কি বিড়ম্বনা?

হাঁহি শাৰদাই কলে, "আপোনাক ইয়াত দেখিহে সোমালো। এতিয়া কোন ফালে যাব?"

সহজ হবৰ চেষ্টা কৰি মই ক'লো, "ক্লাবলৈ বুলি ওলাই আহিছো।"

"অ' তেন্তে যাওক—" শাৰদাই ক'লে।

ইয়াৰ পিছত কি কব লাগে মই বুজিব নোৱাৰিলো।

অলপ পৰ মনে মনে থাকিলো। তাৰ পিছত কোনো মতে কলো "তুমি কোন ফালে যাবলৈ আহিলা?"

"আপুনি যিফালে যাব সেইফালে মোৰ যাব লগীয়া নাই।" কৈ মোৰ চকুলৈ চাই শাৰদাই এক বেলেগ ৰকমে হাঁহিলে।

মই অভিভূত হৈ গলো। কেনেকৈ নেজানো মই কলো, "দৰকাৰ হলে তুমি যোৱা বাটে দিয়ে ময়ো যাব পাৰো।"

অলপ সময় শাৰদাই কোনো উত্তৰ নিদিলে, তাৰ পিছত শান্ত ভাবে ক'লে, "আজি বাৰু আমি নিজ নিজ বাটেৰেই যাওঁ। দৰকাৰ হলে কেতিয়াবা দুয়ো একেলগে যাম। আহিলো দেই।"

বিশেষ নেভাবি গাড়ী লৈ মই ক্লাবৰ ফালে আগ বাঢ়িলো।

কিন্তু ৰাতি শুবলৈ লৈ মোৰ নানা ৰকমৰ চিন্তা হ'ল। শাৰদা নামৰ এই ছোৱালী জনীয়ে মোক ভবাই তুলিলে। কোনো দিন মই ছোৱালীৰ কথা চিন্তা কৰাত অভ্যস্ত নাছিলো। কিন্তু আজি কিয় জানো শাৰদাৰ প্ৰতিটো কথা আৰু প্ৰতিটো ভাবভঙ্গী বিশেষ অৰ্থপূৰ্ণ যেন লাগিল। শেষৰ কথা কেটাত যেন এটা ইঙ্গিত সোমাই আছিল। কথাবোৰ চিন্তা কৰি কৰি মই উত্তেজিত হৈ পৰিলো। এনেবোৰ কথাই জীৱনত মোক এই প্ৰথম বাৰৰ কাৰণে উত্তেজিত কৰি তুলিলে।

দিনবোৰ খৰগতিৰে আগ বাঢ়ি যাব ধৰিলে। এদিন বৰ আচৰিত-ভাবে মই উপলব্ধি কৰিলো যে শাৰদাক লগ পোৱাৰ পিছৰ পৰা মই শাৰদাৰ বাহিৰে অন্য একো কথা ভবাই নাই, আনকি মোৰ উচ্চ শিক্ষাৰ কাৰণে বিদেশলৈ যোৱাৰ নিচিনা দৰকাৰী কথাটোও গুৰুত্ব দি ভাবিবলৈ পাহৰি আছো। মোৰ নিজৰ ওচৰতে লাজ পোৱা যেন লাগিল।

তাতোকৈ লজ্জাৰ কথা যে এদিন মই নিশ্চিতভাৱে উপলব্ধি কৰিলো—যে মই শাৰদাৰ প্ৰেমত পৰিছো ইয়াত কোনো ভুল নাই। এইটো বুজিব পাৰি মই আচৰিত হলো। আচৰিত হলো ভাবি,— এই সকলোবোৰ কেনেকৈ সম্ভৱ হ'ল।

প্ৰায় স্বাভাৱিক ভাবেই শাৰদাৰ লগত মোৰ সাহচৰ্য্য আৰু সান্নিধ্য গঢ়ি উঠিল। নিতৌ শাৰদাক লগ পাওঁ। শাৰদা আমাৰ ঘৰলৈ আহে। ময়ো সিহঁতৰ ঘৰলৈ যাওঁ। সঙ্কোচ মোৰ আগৰ

পৰা নাছিল। কিন্তু দুদিনতে শাৰদাৰো মোৰ সন্মুখত কোনো সঙ্কোচ নোহোৱা হ'ল। আমি আপোন হৈ পৰিলো। আত্মীয় হৈ পৰিলো।

এদিন সেই তাহানিকালৰ প্ৰেমিক এজনৰ দৰেই মই কৈ উঠিলো। "তুমি নহলে মই জীয়াই থাকিব নোৱাৰিম শাৰদা। মৃত্যু পৰ্য্যন্ত তুমি মোৰ জীৱনত থাকিব লাগিব।"

জিজ্ঞাসু প্ৰশ্ন লৈ শাৰদাই মোৰ চকুলৈ চালে, যেন তাই একোকে বুজা নাই। শাৰদাৰ চকুৰ চাৱনিয়ে মোক উদ্‌ভ্ৰান্ত, অৱশ কৰি তুলিলে। চঞ্চলভাৱে শাৰদাৰ হাতডুখন মোৰ হাতৰ মাজত লৈ মই কলো, "তুমি মোৰ কাৰণে বাট চাব লাগিব। মই ইউৰোপৰ পৰা ঘুৰি আহো। কোৱা, মোৰ কাৰণে তুমি ৰবা?"

মোৰ প্ৰশ্নটোৱে যেন শাৰদাক বৰ চিন্তিত কৰিলে এনে ধৰণে কিছুপৰ মোৰ মুখলৈ চাই থাকি, শাৰদাই ফিক্ কৰে হাঁহি দিলে আৰু এক কৃত্ৰিম অভিযোগ ভৰা মাতেৰে ক'লে, "আপুনি হে দূৰ-দূৰণিলৈ যাবলৈ ওলাইছে। মইনো কলৈ যাম?"

আবেগ জড়িত মাতেৰে মই ক'লো, "মোৰ সঁচাই চিন্তা হৈছে শাৰদা, কিজানি মই বিদেশৰ পৰা ঘুৰি অহালৈকে তুমি মোলৈ বাট নোচোৱা।"

ধুনীয়াকৈ মুখটো জোকাৰি শাৰদাই ক'লে, "মই সৰু ছোৱালী হৈ থকা নাই জানো? এতিয়াও মেট্ৰিককে পাছ কৰা নাই। মইনো ক'লৈ লৰ মাৰিম? আপুনি মাত্ৰ পাহৰি নগলেই হয়।"

এখিনি অব্যক্ত মৰমেৰে মোৰ বুকুৰ ভিতৰখন ভৰি উঠিল। মই আবেগেৰে শাৰদাক বুকুৰ মাজত সাৱটি ধৰিলো, কুচিমুচি মোৰ বুকুৰ মাজত সোমাই শাৰদাই কেৱল আনন্দ-আপ্লুত মাতেৰে বাৰে বাৰে সুধিলে, "আপুনি সঁচাকৈয়ে মোক ভাল পায় জানো? কেলেই ভাল পায়?"

মোৰ মুখত ভাষা নাছিল।

মোৰ বিলাতলৈ যোৱাটো ঠিক হ'ল। যা-যোগাৰ খৰ-খেদাকৈ কৰা হ'ল। মা-গৌৰী-সীতাহঁতৰ মই দূৰণিলৈ আৰু দুই তিনি বছৰৰ কাৰণে যাম বুলি মনে মনে দুশ্চিন্তা আৰু বেজাৰ হোৱাত মই আচৰিত নহলো। শাৰদাৰ পৰা ইমান দিন আঁতৰি থকাৰ দুৰ্ভাৱনাই মোৰ সান্ত্বনা আৰু শান্তি নোহোৱা কৰিলে। কিন্তু বাহিৰত মই মোৰ মনৰ ভাব কাৰো আগত প্ৰকাশ নকৰিলো। বৰং হাঁহি মাতি সকলোকে ফুৰ্ত্তিত ৰাখি পৰিস্থিতিটো লঘু কৰিবৰহে চেষ্টা কৰিলো। সীতাই শাৰদা আৰু মোৰ কিছু কথা নজনাকৈ থকা নাছিল। হয়তো সেই বাবেই বাহিৰত মোৰ মুখত কোনো দুখ-বেজাৰৰ চিন নেদেখি কৌতূহলেৰেই মোৰ মুখলৈ চালে। সেই কেই দিন শাৰদা প্ৰতিদিনেই আমাৰ ঘৰলৈ আহিছিল, আৰু প্ৰায় নিঃসঙ্কোচেই মোৰ লগত আৰু ঘৰৰ অন্যান্যৰ লগতো প্ৰফুল্ল ভাৱে কথা বতৰা পাতি মোৰ বস্তু বাহানি সামৰাত সহায় কৰি দিলে। কোনোৱে একো নোভাবিলে। আনকি যোৱাৰ দুদিন আগত যেতিয়া মোৰ লগত একেলগে চিনেমা চাবৰ কাৰণে সীতাহঁত ওলাল আৰু শাৰদাকো মাতিলে, আৰু শাৰদাই মোৰ কাষতে সোঁফালে বহি ছবি চালে, তেতিয়াও কোনোৱে একো নেভাবিলে। শাৰদাই সেইদিনা ৰাতি ছবি চাই অহাৰ পিচত আমাৰ ঘৰতে ভাত খালে। তাৰ পিচত মাই কোৱাত ময়ে গাড়ীৰে নি শাৰদাক ঘৰত থৈ আহিলোগৈ। আমাৰ ঘৰৰ পৰা জীৱন চিৰস্তাদাৰৰ ঘৰলৈ এমাইলৰো কম। কিন্তু পোনে পোনে শাৰদাহঁতৰ ঘৰলৈ নগৈ আমি নগৰখনৰ একাষলৈ অলপ আঁতৰি গলো। সেইফালে তেতিয়া মানুহ প্ৰায়বোৰ শুইছিল। গাড়ী ৰখাই আমি এনেই অলপ খোজকাঢ়ি ফুৰিলো। কিবা কিবি সৰু সৰু কথা পাতিলো। আমাৰ ভবিষ্যত জীৱনৰ এটা আঁচনি দুয়ো লগলাগি দাঙি ধৰিলো।

মোৰ বুজিবলৈ অকনো বাকী নাছিল যে শাৰদাৰ কাৰণেই মই এই পৃথিবীলৈ আহিছো—কেৱল সমগ্ৰ হৃদয় মন দি শাৰদাক ভাল

পাবলৈ। নহলে কোনো দিন ছোৱালীৰ জগত মিলামিছা, হলিগলি নকৰা মোৰ নিচিনা এটা লৰা এনেদৰে উন্মত্ত নহলো হেঁতেন। খনিৰ তলত পোত গৈ থকা বস্তু আবিষ্কাৰ কৰিবলৈ জ্ঞান আহৰণ কৰাত ব্যস্ত মাইনিং বিজ্ঞানৰ ছাত্ৰই এনেকৈ মানুহৰ মন আৰু অন্তৰৰ ধন-ৰত্ন আবিষ্কাৰ কৰাত বলিয়াৰ দৰে নেলাগিল হেঁতেন। শাৰদাৰ সংস্পৰ্শই মোৰ জীৱনৰ অৰ্থকে সলনি কৰি দিলে, মোৰ জীৱন স্বপ্নক এক নতুন অৰ্থেৰে ঐশ্চৰ্য্যশালী কৰি তুলিলে।

কিবাকিবি বহুত কথা পাতিলো আমি। মূৰৰ ওপৰত আছিল এখন গাঢ় নীল, ৰহস্যময় আকাশ তাৰ বুকুত আছিল বহুত দূৰণীয়া কেইটামান তৰা। আমাৰ নাকত লাগিছিল কেঁচা বননিৰ এক তীব্ৰ কোমল গোন্ধ। ৰাতিৰ নিৰবতা ভৰি তুলিছিল শাৰদাৰ চুলি আৰু শৰীৰৰ এক মৃদু মাদকতা ভৰা মদিৰ গোন্ধে। আমাৰ পৃথিবীখন অন্য এখন জগত যেন লাগিছিল—এনে এখন জগত য'ত আমাৰ দুয়োৰে মিলিত স্বপ্নবোৰৰ নিশ্বাসে চৌদিশ প্ৰাণময় কৰি তুলিছিল।

কথা কোৱা শেষ হৈছিল—আৰম্ভ হৈছিল বাঙ্‌ময় মৌনতাৰ গভীৰ মুখৰতা। কোনোবা অজানিত অসতৰ্ক মুহূৰ্ত্তত শাৰদাক মই বুকুৰ কাষলৈ চপাই লৈছিলো। এক উন্মাদনাময় তন্ময়তাই আমাৰ দুয়োকে আত্মহাৰা কৰি তুলিছিল, কবলৈ আমাৰ কোনো কথা নাছিল। মই মাথোন অনুভৱ কৰিছিলো যেন আমি দুয়ো অন্য কোনো এক নক্ষত্ৰৰ প্ৰাণী, যত হৃদয় অনুভৱ কৰাৰ মাদকতাৰ বাহিৰে আৰু একো নাই।

নেজানো মই হাঁহিছিলো নে কান্দিছিলো। প্ৰাণটো ইঁহা-কন্দাৰ অতীতলৈ উৰি গৈছিল। একান্তভাৱে পোৱাৰ চৰম আনন্দেৰে বাৰে বাৰে শাৰদাক বুকুৰ আৰু কাষলৈ চপাই আনি মই মাথোন অস্পষ্ট ভাষাৰে কৈছিলো, তোমাৰ মৰমৰ কাৰণেই মই এই পৃথিবীলৈ আহিছিলো শাৰদা, আৰু মোক একো নেলাগে, আৰু মই একো নিবিচাৰো।

. শাৰদাই একো কোৱা নাছিল। 'মাত্র আৰু নিবিড় আৰু অসহায় ভাবে মোক সাৱটি ধৰি মোৰ বুকুৰ মাজত মুখখন হেচি ধৰিছিল। সেইয়া যেন আছিল আকাশৰ তৰাক সাক্ষী ৰাখি আমাৰ গভীৰ আত্মনিবেদনৰ স্বাক্ষৰ, সেইয়া যেন আছিল এক নিৰৱ অবিনশ্বৰ প্ৰতিজ্ঞা।

* * *

বিলাতত মই তিনিটা বছৰ কটালো। তেতিয়া সম্পূৰ্ণ ডেকা। সেই নতুন দেশৰ নতুন নতুন অভিজ্ঞতাই মোক এক নতুন উন্মাদনাৰে জীৱন্ত কৰি তুলিলে। পঢ়া-শুনাত আত্মনিয়োগ কৰিলো। দেউতা-মা-সীতা-গৌৰীহঁতৰ নিয়ম মতে পাই থকা চিঠিবোৰে মোৰ ঘৰৰ লগত সম্পৰ্ক সজীৱ কৰি ৰাখিলে, আৰু শাৰদাৰ মৰমভৰা চিঠিবোৰে মোক নতুন নতুন প্ৰেৰণাৰ যোগান ধৰিলে। ভবিষ্যতৰ সম্ভাৱনাময় স্বপ্নই মোক উন্মনা কৰি ৰাখিলে। অনুভৱ কৰিলো জীৱনৰ প্ৰাণোচ্ছল গতিময়তা, অনুভৱ কৰিলো হৃদয়ৰ পাৰ উপচি পৰা পূৰ্ণতা। মই যেন কুবেৰৰ ধন ভড়ালৰ সঁচাৰ কাঠি পাই গলো। আৰু মোক একো নেলাগে,—একোকে নেলাগে।

শিক্ষাকাল শেষ হৈ গ'ল এদিন। বিদেশৰ বিচিত্ৰ দিনবোৰ শেষ হৈ গ'ল এদিন। এটা সন্মানিত ডিগ্ৰীৰ সন্মানিত অধিকাৰী হলো এদিন। হঠাৎ যেন ক্লান্ত হৈ পৰিলো, যেন কেৱল তিনি বছৰ নহয়। বহুত বহুত বছৰ মই পৰি আছিলো মোৰ চিনাকি জগত খনৰ পৰা বহুত নিলগত, তালৈ যেন লক্ষ কোটি যোজনৰ সীমা-হীন মধুৰ দূৰত্ব। প্ৰাণৰ মাজত এটা অকাৰণ শ্ৰান্তি অনুভৱ কৰিলো। দেহাৰ ভাগৰ নহয়, প্ৰাণৰ এটা অনামী অলসতাই মোক আগুৰি ধৰিলে। প্ৰিয়জনৰ পৰা আঁতৰি থকাৰ পৰম তৃপ্তিখিনি যেন হেকৰাই পেলাবৰ কাৰণে মোৰ অকনো মন নগল।

তাৰ পিচত এদিন সমুদ্ৰ পাৰৰ যাত্ৰীৰ যাত্ৰা শেষ হ'ল। বৃটেইনৰ

মাটিৰ স্পৰ্শ ভৰিৰ তলৰ পৰা হেৰাই গ'ল। ভাবিবৰ কোনো অৱকাশ নেপালো ইয়ালৈ আকৌ কেতিয়াবা আহিম নে নাহিম।

সকলো আশা, সকলো স্বপ্ন, সকলো কল্পনা বুকুৰ মাজত লৈ এদিন ঘৰ পালোহি। দেউতা মা সীতাহঁত, মোৰ বন্ধু বান্ধৱ সকলো ৰৈ আছিল এৰ'ড্ৰমত মোক অভ্যৰ্থনা জনাবৰ কাৰণে। সকলোৰে মুখত হাঁহি। সকলোৰে মুখত আনন্দৰ পোহৰ। মই যেন কোনো যুদ্ধ জয় কৰি অহা এজন অজেয় সেনাপতি।

অলপ ক্ষুণ্ণ হলো। এৰ'ড্ৰমত সকলোৰে মাজত শাৰদাৰ দুটা কোমল, মৰমী চকুৰ তৃপ্তি ভৰা চাৱনিয়ে মোক নিৰৱ স্বাগত জনাব বুলি আশা কৰি আহিছিলো শাৰদাক নেদেখিলোঁ। ইমান লাজনে? কিন্তু নহব কিয় লাজ? শাৰদাৰ চিঠিবোৰৰ পৰাই মই জানিছিলো কিদৰে অধীৰভাৱে শাৰদাই মোৰ কাৰণে বাট চাই আছে, দিনৰ পিছত দিন গণি। আজি সেই প্ৰতীক্ষাৰ শেষ হৈছে; এতিয়া আহিছে লজ্জা আৰু অভিমানৰ মুহূৰ্ত্ত।

বহুত আহিল মোক দেখা কৰিবলৈ। বহুত আহিল মোক অভিনন্দন জনাবলৈ। আমাৰ ঘৰখন বিয়া ঘৰ যেন হ'ল। জীৱন চিৰস্তাদাৰো আহিল।

—কিন্তু—

শাৰদা নাহিল। শাৰদা অহা নাই। মই ক্ষুণ্ণ হ'লো, দুঃখীত হলো, কাৰণ একো বুজিব নোৱাৰিলো, একো সুধিবও নোৱাৰিলো, মনে মনে মাথোন চিন্তা কৰিলো, কেনেবাকৈ মই শাৰদাৰ কিবা লজ্জাকৰ বা অনিষ্টকৰ কাম কৰিছিলো নেকি। মনত নপৰিল। শাৰদাৰ এনে অভাৱনীয় পৰিবৰ্ত্তনে মোক বিস্মিত কৰিলে, ভবাই তুলিলে।

দীঘল এটা সপ্তাহ পাৰ হৈ গ'ল। শাৰদা আমাৰ ঘৰলৈ নাহিল। এইয়া আছিল সম্পূৰ্ণ অভাৱনীয়, অপ্ৰত্যাশিত। কাকো একো নকলো।

সীতায়ো শাৰদাৰ কথা এবাৰো উলিওৱা নাই। অথচ দুয়োজনী অন্তৰঙ্গ বন্ধু।

মাজে মাজে সীতা মোৰ কোঠালৈ আহে। কিবাকিবি কথা পাতে। মোৰ অনুমান হয় যেন মোৰ মনৰ অৱস্থা বুজিবৰ কাৰণেহে তাই আহি বহি থাকে।

এদিন মই কাপোৰকানি পিন্ধি ওলাই যাবলৈ সাজু হৈছিলো। মনতে ঠিক কৰিছিলো শাৰদাহঁতৰ ঘৰলৈকে যাম। শাৰদা কিয় মোক দেখা কৰিবলৈ এবাৰো অহা নাই বুজ লৈ আহিম।

সীতা আহি মোৰ কোঠাৰ দুৱাৰ মুখত থিয় হ'ল।

—"কেনিবা যাৱনেকি ককাইদেউ ?"

—"অলপ ফুৰিবলৈ ওলাই যাওঁ।"

— "গাড়ী লৈ যাবি ?"

—"গাড়ীখন আছে জানো ?"

—"আছে। দেউতা আহিল।"

—"তয়ো যাবি নেকি ? যাৱ যদি ব'ল।"

—"কাৰোবাৰ ঘৰলৈ যাবি নেকি ?

—"ওঁ, শাৰদাহঁতৰ ঘৰলৈ যাওঁ। শাৰদা ঘৰত নাই জানো ? আমাৰ ঘৰলৈ একেবাৰে অহা নাই—?"

মই সীতাৰ মুখলৈ চালো, তাইৰ চকুমুখ বিবৰ্ণ হৈ গৈছে। তাইৰ এই পৰিবৰ্ত্তনৰ কোনো কাৰণ মই বিচাৰি নেপালো।

"ব'ল-যাবি ?" মই ক'লো।

তাই মোৰ কাষ চাপি আহিল আৰু একপ্ৰকাৰ ফুচ্-ফুচাই ক'লে, "তই শাৰদাহঁতৰ ঘৰলৈ নেযাবি।"

সীতাৰ অপ্ৰত্যাশিত কথাষাৰে মোক এটা আঘাত কৰিলে। ভালকৈ নুবুজাৰ দৰে মই তাইৰ মুখলৈ চালো,

"কি কৈছ সীতা ?"

তলমূৰ কৰি তাই সৰু সৰুকৈ ক'লে, "সকলো শুনিবি নহয়, তই

শাৰদাহঁতৰ ঘৰলৈ যাব নেলাগে। মা-দেউতাহঁতে বেয়া পাব।”

কৈয়ে সীতা মোৰ কোঠাৰ পৰা ওলাই গ'ল।

মোৰ মনটো তেনেই দমি গ'ল। লজ্জা অভিমান নহয়, শাৰদা মোক দেখা কৰিবলৈ নহাৰ তেন্তে অন্য কিবা কাৰণ আছে। কিন্তু কি কাৰণ থাকিব পাৰে? মাত্র তিনিটা বছৰ মই আঁতৰি থাকিলো শাৰদাৰ পৰা। ইয়াৰ মাজতে এনেকি অঘটন ঘটিল যে শাৰদা আৰু মোৰ মাজত এনে ব্যৱধান গঢ়ি উঠিল?

সীতাৰ কথাষাৰে মোক চিন্তিত কৰি তুলিলে। বিল্লাতলৈ যোৱাৰ আগতে মই প্রায়ে শাৰদাহঁতৰ ঘৰলৈ যোৱাৰ কথা মা-দেউতা সকলোৱেই জানিছিল, তেতিয়া দেখোন সেইবাবে কোনেও বেয়া পোৱা নাছিল। এতিয়ানো কি হ'ল?

সেইদিনা মই শাৰদাহঁতৰ ঘৰলৈ নগলো। গাড়ীখন লৈ ওলাই গলো মোৰ পুৰণি সহপাঠী জিয়াওৰ ৰহমানৰ ঘৰলৈ। যোৱা বছৰ সি বিয়া কৰাইছে। উকীল হিচাপে সি ভালেই কৰিছে বুলি শুনিছো। নব-বিবাহিত ডেকা উকীল, তাতে মোৰ পুৰণি বন্ধু আৰু সুহৃদ।

জিয়াওৱে বিয়া কৰা ছোৱালীজনী সাধাৰণ ছোৱালী,—দেখা মেলাত বৰ ৰূপহী নহয়। কিন্তু কথা-বতৰাবোৰ মোৰ ভাল লাগিল, আৰু জিয়াওৰৰ লগত কথা-বতৰা পাতি বুজিলো যে দাম্পত্য জীৱনত সিহঁত দুয়ো সুখী হৈছে। জিয়াওৱে অৱশ্যে নিঃসঙ্কোচে ক'লে যে বৰ্ত্তমান দিনত ভালকৈ চলিব পৰাকৈ এতিয়াও সি অৰ্জ্জন কৰিব পৰা নাই। সময় লাগিব। তথাপি নতুন উকীল হিচাপে সি আন বহুততকৈ ভালেই কৰিছে।

চাহ-তাহ খোৱাৰ পিছত আমি তাৰ ঘৰৰ আগৰ ঘাঁহনি ডোখৰতে বহি কথা-বতৰা পতাত লাগিলো; একাষে তাৰ পৰিবাৰো বহিলহি। তেওঁ অৱশ্যে মাজে মাজে আমাৰ কথাত মুখ টিপি হাঁহা আৰু মাজে মাজে মূৰ জোকৰাৰ-বাহিৰে অন্য একোকে কৰা নাছিল।

"তোৰ বিয়াখন পিচে কেতিয়াকৈ পাত?" মাজতে জিয়াওৱে সুধিলে।

"মোৰ আকৌ কি বিয়া?"

"অৱশ্যে আগে কামত সোমাই লোৱাটো ভাল হব। কিন্তু কাম কৰিবৰ কাৰণেতো 'তোৰ চিন্তা কৰিব লগীয়া নাই। কাম তোৰ কাৰণে ৰৈ আছে। কিন্তু বিয়াতো কৰাবিয়েই—কি ভাবিছ?"

"সেইবোৰ মই একো ভবা নাই।"

"জীৱন চিৰস্তাদাৰৰ জীয়েকৰ লগত নহ'বগৈ, নহয়?"

জিয়াওৰ আৰু তাৰ পৰিবাৰ দুয়ো মোৰ মুখলৈ চালে। মই বিব্রত বোধ কৰিলো। অলপ সময় মই কি কওঁ শুনিবৰ কাৰণে বাট চাই থাকি জিয়াওৰৰ পৰিবাৰ ভিতৰলৈ উঠি গ'ল।

মই আৰু অস্বস্তি অনুভৱ কৰিলো, ক'ত যেন কি হৈছে, আৰু মই একোকে নেজানো। আৰু যি হৈছে তাৰ লগত কেনেবাকৈ যেন ময়ো জড়িত হৈ আছো।

বিশ্বস্ত সুৰত মই জিয়াওৰক ক'লো, "কিয় তই তেনেকৈ কৈছ মই বুজা নাই জিয়াওৰ। আগৰ কথাবোৰ তই জান?"

"তই জানো একো কব নোৱাৰ?"

"কিহৰ বিষয়ে?"

"শাৰদাৰ কথা?"

আকৌ মোৰ বুকুৰ ভিতৰখন খীনভাবে কপি উঠিল। অভাৱনীয় কিবা নিশ্চয় ঘটিছে। কিন্তু এনে কি হৈছে যিটো সীতাইতে বা শাৰদাই নিজেই মোৰ পৰা লুকুৱাই ৰাখিছে। এনে ৰহস্যৰ কি প্রয়োজন হ'ল?

জিয়াওৰৰ সাক্ষাতত মই অপ্রস্তুত বোধ কৰিলো। সপ্রতিভভাবে মই কলো, "একোকে নজানো জিয়াওৰ। কোনেও মোক একোকে কোৱা নাই। কি হৈছেনো?"

"আজি এতিয়াই শুনিবি জানো? আৰু শুনিব খোজ যদি আন

কাৰোবাৰ পৰাই শুনিবি। অপ্ৰিয় কথা বন্ধুৰ মুখৰ পৰা নুশুনাই ভাল, নহয় জানো ?"

জিয়াওৱেও ৰহস্য সৃষ্টি কৰিবৰ চেষ্টা কৰা দেখি মই আৰু বিব্ৰত বোধ কৰিলো। ক'ৰবাত কিবা এটা ঘটিছে আৰু তাৰ বাবে ময়েই জগৰীয়া। বাৰে বাৰে এই ভাবটো মোৰ মনলৈ আকৌ আহিব ধৰিলে।

নিজক সংযত কৰি মই ক'লো, লোকৰ কেলেঙ্কাৰী শুনিবলৈ মোৰ অকনো আগ্ৰহ নাই। কিন্তু শাৰদাৰ বিষয়ে জানিবলৈ বিচৰাত মোৰ এটা স্বাৰ্থ আছে—তই নিশ্চয় জান।"

"সেই কথা জানো কাৰণেই মই তোক শাৰদাৰ কথা একো জনাব খোজা নাই। কিন্তু তোক্ অযথা কৌতুহলী কৰি লাভ নাই।"

"ময়োতো সেইদৰেই ভাবো—"

এজন বয়সস্থ উকীলে কোৱাদি জিয়াওৱে মোৰ ফালে নোচোৱাকৈ আত্মস্থভাবে ক'লে, "অন্যকথা অপ্ৰাসঙ্গিক। মই মাত্ৰ ইমানকে ক'ব পাৰো যে শাৰদাৰ লগত তোৰ বিয়া হোৱাৰ আৰু কোনো সম্ভাৱনা নাই।"

মই তাৰ স্থিৰ মুখখনলৈ চালো। তাৰ চকু-মুখৰ ওপৰত যেন এটা গভীৰ বেদনাৰ ছায়া পৰিছে, আৰু কিবা এটা কথা সি জানিও মোক জনাব পৰা নাই।

মই ক'লো, "শাৰদাকেই যে মই বিয়া কৰাম, এনে কোনো সিদ্ধান্ত মই কৰি থোৱা নাই। কিন্তু কৰাব খুজিলে শাৰদাক মই কিয় বিয়া কৰাব নোৱাৰিম, তাৰ কাৰণ মই বুজা নাই।"

এইবাৰ মোৰ ফালে ঘুৰি অলপ ৰুক্ষ মাতেৰে জিয়াওৱে চেপা ক্ৰোধ:আৰু অভিমান ভৰা মাতেৰে ক'লে, "পাঁচ ছবছৰ পুৰণি কথাৰ উল্লেখ নকৰিলেও হব বুলি ভাবিছিলো। হেমলেটে বোধকৰো কৈছিল —ফ্ৰেইল্‌টি, দাই নে'ম ইজ ৱ'মেন। এই কথাষাৰ যে আজিও ইমান সত্য হৈ আছে, শাৰদাৰ কথা কাণ্ড নজনালৈকে মই বিশ্বাস কৰা নাছিলো।"

"পোণপতিয়াকৈ ক', কথাটো কি ?" টানকৈয়ে মই ক'লো।

সমানে নিষ্ঠুৰভাবে জিয়াওৱে ক'লে, "শুনিলে হয়তো তই দুখ পাবি, কিন্তু তোৰ পৰা লুকুৱাই লাভ নাই যে শাৰদা এজনী"— জিয়াওৰ বৈ গ'ল, যেন এটা উপযুক্ত শব্দ বিচাৰিলে। মই ভীত উৎকণ্ঠিত ভাবে তাৰ চকুলৈ চালো। সি এবাৰ তাৰ ঘৰৰ দুৱাৰ-খিৰিকীৰ ফালে আৰু এবাৰ চাৰিওফালে চালে। তাৰ পিচত ক'লে, "অকণো সন্দেহৰ থল নাই যে শাৰদা এজনী অতি বেয়া ছোৱালী,— এজনী—"

ক্ৰুদ্ধ করুণভাবে ওলোৱা তাৰ মাতটোৱে মোক স্তম্ভিত কৰি তুলিলে। মোৰ প্ৰতি জন্মা সমবেদনা প্ৰকাশৰ তাৰ যেন আৰু অন্য কোনো ভাষা নাই।

মই আৰু একো নুসুধিলো। জিয়াওৰৰ এষাৰ কথাই মোৰ সকলো ৰঙীন কল্পনাক, সকলো আশা আৰু স্বপ্নক ধূলিস্মাৎ কৰি দিলে। মই নিৰ্ব্বাক হৈ পৰিলো।

মোৰ ফালে নোচোৱাকৈ ক্ষুণ্ণ মাতেৰে জিয়াওৱে ক'লে, "অৱস্থাটো স্বীকাৰ কৰি ল'ব পৰা হবলৈ তোক সময় লাগিব। কিন্তু তই নেভাবিবি যে মানুহৰ জীৱনটো এটা প্ৰেমৰ ঘটনাতে আৰম্ভ হৈ তাতেই শেষ হৈ যায়। জীৱনটো বহুত ডাঙৰ, বহুত দীঘল। যি প্ৰেম আৰম্ভণিতে শেষ হৈ গ'ল, তাৰ কাৰণে আক্ষেপ কৰি থাকি একো লাভ নহয়, মানুহৰ হৃদয়ত বহুত ঠাই থাকে।"

জিয়াওৱে কোৱা কথাবোৰৰ অৰ্থ বুজিবৰ শক্তি বা ধৈৰ্য্য মোৰ তেতিয়া অকণো নাছিল। বিব্ৰতভাবে আৰু দু-আষাৰমান কথা পাতি মই গুচি আহিলো।

কোনোবাই যদি মোক কলেহেঁতেন যে শাৰদাৰ মৃত্যু হৈছে, শাৰদা নিৰুদ্দেশ হৈছে, শাৰদাক কোনোবাই হত্যা কৰিছে. হয়তো মই সহ্য কৰিব পাৰিলোহেঁতেন। কিন্তু কেনেকৈ মই মানি লম, সহি থাকিম যে শাৰদা,—সেই নতুনকৈ ফুলা'এপাহ ফুলৰ নিচিনা সুন্দৰ

শাৰদাজনী—এজনী চৰিত্ৰহীনা, অসতী, বেয়া ছোৱালী। মোৰ ভাল-পোৱাক কেনেকৈ শাৰদাই এনেদৰে অপমান কৰিব পাৰিলে মই বুজি নেপালো।

*   *   *

ভালেমান বছৰ অতীত হৈ গৈছে। মা-দেউতাহঁতৰ পছন্দমতে মই চাকৰিত সোমোৱাৰ পিচৰ বছৰতে শকুন্তলা নেওগক বিয়া কৰালো। ল'ৰা-ছোৱালীৰে সুখী এটা পৰিয়াল লৈ মই সুখেৰেই আছো। কোনো অভাৱ-অনাটনো নাই।

কিন্তু বুকুৰ ভিতৰত কোনোবা এঠাইত এডোখৰ ক্ৰাহানিও নুশুকুৱা ঘা আছে। হঠাৎ কেতিয়াবা অকণমান আঘাত লাগিলেই তীব্ৰ বেদনা অনুভৱ কৰো। শাৰদাৰ স্খলনৰ কাৰণে, এইভাৱে মোক অপমান কৰাৰ কাৰণে শাৰদাক মই কোনো কালে ক্ষমা কৰা নাই, ক্ষমা কৰিব নোৱাৰিলো। মই আৰু বেছি অসুখী হৈ পৰো যেতিয়া অনুভৱ কৰো যে পৃথিৱীৰ কাৰো লগত মোৰ কোনো শত্ৰুতা নাই যদিও, এজনী ছোৱালীক মই কোনোৰকমে ক্ষমা কৰিব পৰা নাই। হয়তো মোৰ এই ক্ৰোধ তেনেই অহেতুক, কাৰণ নিজৰ স্বেচ্ছাকৃত অপৰাধৰ কাৰণে শাৰদাই মোৰ ওচৰত কোনোদিন ক্ষমা বিচৰা নাই। কিন্তু মোৰ জীৱনটোক এনেদৰে বেদনাৰ্ত্ত কৰি তুলিবৰ কোনো অধিকাৰ শাৰদাৰ নাছিল।

———

# গুণজিত শৰ্মাৰ কথা

সমগ্ৰ নগৰখনে যিটো কথা বিতং বাহুল্যকৈ জানে, সেইকথা ময়ো নজনাৰ কোনো কাৰণ থাকিব নোৱাৰে। তাতে আমাৰ সৰু চহৰখনত সৰু কথাবোৰেই ডাঙৰ হৈ উলায়। গাঁৱলীয়া কেলেঙ্কাৰীৰ ভাগ বিচাৰি ফুৰা মানুহ মই নহয়। কিন্তু আমাৰ পুৰুষ আৰু নাৰী-সমাজত কেলেঙ্কাৰীৰ কাহিনীয়েই আটাইতকৈ মনোৰঞ্জক আৰু উপাদেয় কাহিনী।

মোৰ বৌতি এগৰাকী মিড্ৱাইফ। নাম জোনাকী। আমাৰ সমাজে বৌতিক বৰ শ্ৰদ্ধা নকৰে—মই জানো। কিন্তু বৌতি সকলোৰে কাৰণে দৰকাৰী মানুহ। প্ৰায় প্ৰতি দিনেই বৌতি কোনোবা নহয় কোনোবা ঘৰলৈ যাবলগীয়া হয়, সন্তান প্ৰসৱত সহায় কৰি দিব-লগীয়া হয়। চহৰখনৰ ভিতৰত কিজানি সৰহভাগ লৰা-ছোৱালীয়ে মাতৃৰ হাতৰ স্পৰ্শ নৌ পাওঁতেই বৌতিৰ হাতৰ স্পৰ্শলাভ কৰিছিল।

মোৰ নাম গুণজিত শৰ্মা। উপাধিৰ পৰা মই বুজিছো যে মোৰ দেউতা বামুণ আছিল। কিন্তু দেউতাৰ বিষয়ে মই একোকে নেজানো। বৌতিৰ পৰা ইমানকে জানিছিলো যে দেউতাই বিয়া কৰোৱা নাছিল, আৰু কৰালেহেঁতেন যদিও, বিয়াৰ আগতে মোৰ জন্ম হ'ল আৰু দেউতাৰো হেনো মৃত্যু হ'ল।

দেউতাৰ মৃত্যু আৰু মোৰ জন্মৰ পিচতে বৌতিয়ে মোক লৈ আগৰ ঠাইৰ পৰা অন্য ঠাইলৈ গুচি গৈছিল, আৰু তাতে কিবা ব্যৱস্থা কৰি খাইৰ কাম শিকিছিল। তাৰ পিচত মই সৰু থাকোতেই এইখন চহৰলৈ গুচি আহিছিল। বামুনৰ ছোৱালী হৈ বৌতিয়ে কিয় মিড্ৱাইফ হবলৈ সিদ্ধান্ত কৰিছিল মই আজিও বুজিব নোৱাৰিলো। কিন্তু আন কোনেও নেজানিলেও আৰু জানি প্ৰকাশ

কৰি নকলেও, মই অস্পষ্টভাবে বুজিছিলো যে মই এটা জাৰজ। হয়তো দেউতা জীয়াই থকা হলে মই জাৰজৰ অপবাদ নললেও চলিলহেঁতেন, কিন্তু মোৰ দেউতা মোৰ জন্মৰ আগতেই মৰিল হেনো।

জাৰজ হলেও মই বিধৱা মাতৃৰ বৰ মৰমৰ সন্তান আৰু এতিয়া মই বুজিব পাৰিছো যে মোক মানুহকৰি গঢ়ি তুলিবৰ কাৰণেই বৌতিয়ে এটা স্বাধীন জীৱিকাৰ পথ উলিয়াই ললে। কিন্তু মোক লৈ বৌতিৰ যি স্বপ্ন আছিল, মই তাক পূৰ্ণ কৰি তুলিব নোৱাৰিলো। বৌতিয়ে মোক ডাক্তৰ কৰাৰ কথা ভাবিছিল। কিন্তু মই অঙ্কত ভাল নাছিলো। মেডিকেলত চীট নেপালো। অঙ্কৰ উপৰি মই অন্য বিষয়তো ভাল নাছিলো। পঢ়াত কৈ অন্যান্য কথাতহে মোৰ ধাপ আৰু মনোযোগ বেছি আছিল।

মই ডাক্তৰ হোৱাটো আশা কৰাৰ বৌতিৰ এটা বিশেষ কাৰণ আছিল। সেইকথা বৌতিয়ে মোক খোলাখুলি ভাবেই কৈছিল। বৌতিয়ে ডাক্তৰৰ চাকৰি কৰিবৰ কাৰণে মোক ডাক্তৰ কৰিব খোজা নাছিল। খুজিছিল প্ৰাইভেট প্ৰেকৃটিছ কৰা ডাক্তৰ হবৰ কাৰণে যাতে বৌতিয়ে মোৰ লগতে থাকি মিডৱাইফৰ কাম কৰি থাকিব পাৰে।

বৌতিৰ সেই ইচ্ছা পূৰ্ণ ন'হল। কিন্তু আংশিকভাবে মই সেই আশা পূৰণ কৰিলো কোনো চাকৰি নিবিচাৰি বা নকৰি আৰু স্বাধীন ব্যৱসায় কৰি।

মই ঠিকাদাৰ হলো, গুণজিত ঠিকাদাৰ। প্ৰথমে সৰু ঠিকাদাৰ আছিলো। —কিন্তু ক্ৰমে ঠিকাদাৰী কৰা চিষ্টেমটোত নিজকে খাপ খুৱাই লৈ মই কেইবছৰমানৰ ভিতৰতে ডাঙৰ আৰু ধনী ঠিকাদাৰ হৈ পৰিলো।

এই সূত্ৰতে মোৰ চিনাকি হৈছিল জীৱন চিৰস্তাদাৰ আৰু তেওঁৰ পৰিয়ালৰ লগত। চিৰস্তাদাৰে এটা নতুন ঘৰ সাজিবলৈ লৈছিল আৰু সেই ঘৰৰ ঠিকা ময়ে লৈছিলো।

মই ঠিকাদাৰ। মোৰ তলত মহৰী থাকে, বণুৱা থাকে, ৰাজমিস্ত্ৰী, কাঠমিস্ত্ৰী থাকে। মাজে মাজে মাথোন মই ঘৰৰ কাম কেনে হৈছে চাবলৈ যাওঁ।

চিৰস্তাদাৰ মানুহজন সৰল আৰু মনখোলা। তেওঁৰ বৰ বেছি সাঁচতীয়া টকা নাই। বাৰহেজাৰ টকাত মাটি বন্ধক থৈ চৰকাৰৰ পৰা ধন ধাৰবলৈ লৈ ঘৰটো সজাবলৈ লৈছিল। আগৰ ঘৰটো বৰ পুৰণি হৈছিল। তেওঁ মোক খোলাখুলি কৈয়ে জনাইছিল যে যোল হেজাৰতকৈ বেছি টকা তেওঁ ঘৰটোৰ কাৰণে খৰচ কৰিব নোৱাৰে। মই আশ্বাস দিছিলো যে সিমান টকাৰেই মই এটা ধুনীয়া ঘৰ সজাই দিম।

প্ৰথমে মই ঘৰৰ কামৰ বাহিৰে অন্য একোলৈকে চকু দিয়া নাছিলো। কিন্তু এদিন দুপৰীয়া,—তেতিয়া চিৰস্তাদাৰ ঘৰত নাছিল,—এজনী ছোৱালীয়ে মোক চাহ খাবলৈ মাতিলে। ছোৱালীজনীৰ মুখলৈ মূৰ তুলি চাই মই স্তম্ভিত হৈ গলো। জীৱনত এনেকুৱা এখন ধুনীয়া মুখ ইয়াৰ আগতে মই কোনো-কাহানিও দেখা নাই।

শাৰদাক মই আগে মাজে মাজে দেখিছিলো আৰু শুনিছিলো যে শাৰদা ধুনীয়া। কিন্তু সেইদিনা মই শাৰদাৰ যি ৰূপ সৌন্দৰ্য্য দেখিলো তাক মই জীৱনত কাহানিও পাহাৰিব নোৱাৰো। এইয়া যেন এজনী গাভৰুৰ ৰূপ নহয়, এপাহ বসন্তত ফুলা তেজ গোলাপ, এমুঠি ভক্‌ভক্ কৰে জ্বলি থকা জুইৰ অদ্ভুত পোহৰ। মুহূৰ্ত্ততে মই নিজক হেৰুৱাই পেলালো। মই যেন বুজি গলো পৃথিবীলৈ মই কিয় আহিছিলো।

নতুন উদ্দীপনা আৰু নতুন মাদকতা লৈ মই ঘৰ সজোৱা কাম চাবলৈ নিতৌ যাবলৈ ধৰিলো। আৰু এইদৰেই মোৰ শাৰদাৰ লগত ঘনিষ্ঠতা গভীৰতৰ হবলৈ ধৰিলে। মোৰ কোনো কাম নেথাকিলেও মই চিৰস্তাদাৰৰ ঘৰলৈ গৈ কাম চাই (?) ৰহি নেথাকিলে মনৰ শান্তি নোপোৱা হলো।

মই অনুভৱ কৰিলো শাৰদায়ো যেন মোৰ মনৰ অৱস্থা বুজি উঠিছে। কাৰণ ঘৰত দেউতাক নথকাৰ অজুহাতত শাৰদায়ে আহি মোৰ কাষত বৈ ঘৰটোৰ নিৰ্মাণ কাৰ্য্য আগত কৈ অধিক মনোযোগেৰে চোৱা আৰম্ভ কৰি দিলে। মই নিশ্চিতভাবে বুজিলো ঘৰ সজা চাবৰ কাৰণে নহয়, মোৰ লগত কথা-বতৰা পাতি সান্নিধ্যৰ যোগেদি আত্মীয়তা গঢ়ি তুলিবৰ কাৰণেহে শাৰদা এনেদৰে মোৰ কাষচাপি আহিছে। ঠিকাদাৰ নহয়, মোৰ নিজকে এজন ভাস্কৰ যেন লাগিল। যেন মই কোনো ৰাজকুমাৰীৰ কাৰণে অট্টালিকা সাজিছো—আপোন হাতে।

ঠিকাদাৰে ঠিকাৰ কাম যিমান সোনকালে শেষ কৰাবলৈ বিচাৰে। কিন্তু মোৰ চেষ্টা হ'ল যিমান পৰা যায় ঘৰটোৰ কাম লাহে লাহে কৰোৱা যাতে মোৰ এই নতুন মধুৰ অভিজ্ঞতাৰ যৱনিকা সোনকালে নপৰে।

কিন্তু এদিন সকলো ওলট-পালট হৈ গ'ল। গোটেই চহৰখনত এটা অস্বস্তিকৰ গুজব উঠি গ'ল। এটা একেবাৰে অবিশ্বাস্য কাহিনী।

মই বিশ্বাস কৰিবলৈ প্ৰস্তুত নাছিলো। কিন্তু কাম কৰাবলৈ গৈ দেখো ঘৰত তলা মৰা; কোনো মানুহ নাই। মোৰ বুকুখন ঢিপ্ ঢিপাই উঠিল। সঁচানেকি তেন্তে এই লজ্জাজনক গুজবটো? নিজকে মই কলো,—অসম্ভৱ; সমগ্ৰ পৃথিবীয়ে কলেও মই বিশ্বাস নকৰো। ইমান সুন্দৰ শাৰদাজনী ইমান কদাকাৰ কেতিয়াও হ'ব নোৱাৰে।

হয়তো ঘৰত কাম কৰি থকা মানুহ কেইটায়ো কথাটো শুনিছিল। সিহঁতে যেন লাজতে মোৰ মুখৰ ফালে চাব পৰা নাছিল। কাৰণ শাৰদা আৰু মোৰ সৌহাৰ্দ্দ্যৰ কথা সিহঁতেও নেদেখি সুবুজি থকা নাছিল।

মই সোনকালে ঘৰলৈ গুচি আহিলো। মই নিজেই যেন বৰ লজ্জাজনক অপকৰ্ম এটা কৰিলো এনে লাগিল মোৰ। সেইদিনা

বৌতিৰ লগত মই এবাৰো কথা পাতিব নোৱাৰিলো, লাজতে মোৰ মৰি যাম যেন লাগিছিল।

সেই দিনাৰ পিছত আৰু মই শাৰদাহঁতৰ ঘৰলৈ নগলো। যদিও এবাৰ শাৰদাক দেখা পাবৰ কাৰণে মনটো উদ্বাউল হৈ উঠিছিল, তথাপি নিজক সংযত কৰিলো। সোনকালে ঘৰ সজোৱা কাম শেষ কৰালো। বিল দিলো; টকা ললো। তাৰ পিচত আৰু সেইফালে মুখ নকৰিলো। শাৰদাৰ নিচিনা এজনী ছোৱালীৰ লগত চিনাকি হোৱাৰ কাৰণে নিজকে সৰ্বান্তঃকৰণে অভিশাপ দিলো।

মোৰ সন্দেহ আছিল, মই বিশ্বাস কৰা নাছিলো। কিন্তু কিছু দিনৰ মূৰত মই বৌতিৰ নিজ মুখৰ পৰাই আদ্যোপান্ত শুনিলো। ঘৃণাত, লজ্জাত, আত্মগ্লানিত মই মৰ্ম্মাহত হলো।

মন্তব্যৰ সুৰত বৌতিয়ে কৈছিলে, পাপীয়ে পাপীৰ জন্ম দিয়ে। পাপীয়ে নিষ্পাপীক পাপী কৰে। কিন্তু কি কৰিম, পাপ কৰিও আমি জীয়াই থাকিব লাগে—জীৱিকাৰ কাৰণে। চিৰস্তাদাৰৰ জীয়েকে মোকো সমানে পাপৰ ভাগী কৰিলে।

*　　*　　*　　*

ইতিমধ্যে পাঁচটা বছৰ পাৰ হৈ গৈছিল। বৌতিয়ে মোৰ বিয়া পতাৰ কথা আলচিছিল। ময়ো ভাবিছিলো মোৰ বিয়া কৰোৱাৰ বয়স হৈছে, আৰু আজিকালি মোৰ নিয়মীয়া এটা আৰ্জনো আছে। বিয়া নকৰোৱাৰ কোনো কাৰণ নাই।

মোৰ পিতৃ-পৰিচয় সম্পৰ্কে মোৰ দৰে আন বহুতৰে সন্দেহ আছিল। তথাপি এতিয়া মই এজন ধনী ডেকা মানুহ। কেইবা ঠাইৰ পৰাও ছোৱালী দিয়াৰ প্ৰস্তাৱ আহিল। বৌতিয়ে হয়তো ইমান আশা কৰা নাছিল। একো স্থিৰ কৰিব নোৱাৰি বৌতিয়ে ছোৱালী পছন্দ কৰাৰ ভাৰ মোৰ ওপৰত দিলে।

মই বহুত চিন্তা কৰিলো। দুই এজনী ছোৱালীও চালো। কিন্তু ভাল নেলাগিল। মনত পৰিল শাৰদাৰ কথা। শাৰদাৰ

এতিয়াও বিয়া হোৱা নাই। বিয়া হোৱাৰ আশাও বৰ কম। ওচৰ দূৰৰ সকলোৱে শাৰদাৰ কথা জানে। কোনো আত্মসম্মান থকা পৰিয়ালে শাৰদাক বোৱাৰী কৰি নলব।

মই ভাবি চালো। ময়ো পিতৃপৰিচয়হীন। এইখন চহৰত থকাৰ কাৰণেই বৌতি আৰু মই সমাজত মানে সম্মানে চলি আছো। আমাৰ ইতিবৃত্ত য'ত সকলোৱে জানে তাত আমাৰ দিন কাটোৱাই টান হ'লহেঁতেন।

মোৰ প্ৰস্তাৱ শুনি বৌতি উচপ খাই উঠিল। মই যে শাৰদাক বিয়া কৰোৱাৰ কথা কল্পনাও কৰিব পাৰিম সেইকথা বৌতিয়ে ভাবিবই পৰা নাছিল। তাতে আমি ব্ৰাহ্মণ। বামুণৰ ধনী ডেকালৈ ছোৱালী নিদিব কোনে ?

মই বৌতিক বুজাই ক'লো আজিকালি অসবৰ্ণ বিবাহ হবই লাগিছে। আৰু শাৰদাক মোৰ ভাল লাগিছে।

মোৰ কথা শুনি বৌতিয়ে দুখ কৰিলে। বৌতিৰ মুখ ক'লা পৰিল। তলমূৰ কৰিলে বৌতিয়ে, আনৰ হতুৱাই মোক কোৱালে যে অসবৰ্ণ বিবাহতো বৌতিৰ আপত্তি সিমান নেথাকিলহেঁতেন। কিন্তু শাৰদা যে এজনী বেয়া চৰিত্ৰৰ ছোৱালী সেই কথা আন-কোনোবাই নেজানিলেও জোনাকীবায়ে জানে, কাৰণ শাৰদাক চিৰ-যুগমীয়া কলঙ্কৰ পৰা মুক্ত কৰিছে জোনাকীয়ে নিজ হাতে। তাৰ পিচত সেইজনী ছোৱালীক কেনেকৈ বোৱাৰী কৰি লব !···

বৌতিৰ কথাত যুক্তি আছিল। কিন্তু মই আকোঁৰ গোঁজ হৈ লাগিলো। বিয়া যদি কৰাও শাৰদাকেই কৰাম। কাৰণ জীৱনত আজিলৈকে শাৰদাৰ বাহিৰে আন কোনো ছোৱালীকে মই ভালপোৱা নাই।

উপায়ান্তৰ হৈ বৌতিয়ে জীৱন চিৰন্তাদাৰলৈ প্ৰস্তাৱ পঠিয়ালে। খবৰটোৱে নগৰৰ বহুতৰে মাজত আলোড়নৰ সৃষ্টি কৰিলে।

বহুতে বৌতি আৰু মোৰ মস্তিষ্কৰ বিকৃতি ঘটিছে বুলি ভাবিলে।

জীৱন চিৰস্তাদাৰে আমাৰ প্ৰস্তাৱটো পাই ভাল পালে, বৌতিৰ সাহস আৰু মোৰ সঙ্কল্পক শলাগিলে। লগতে কলে তাই পঢ়া-শুনা কৰা ছোৱালী আমি যি কৰো নকৰো তাইৰ লগত পৰামৰ্শ কৰিহে' কৰিম, তাইৰ অমতে আমি একোকে কৰিব নোৱাৰো।

কথাটো মেয়ো ভালপালো। ভয় আছিল মাক-বাপেকলৈহে। শাৰদাতো মোৰ প্ৰস্তাৱত মান্তি হবই। কাৰণ এইয়াতো শাৰদাক কেৱল বিয়া কৰোৱা নহয়, গোটেই জীৱনৰ কাৰণে শাবদাক উদ্ধাৰ কৰা, সন্মানত প্ৰতিষ্ঠা কৰা। তাতে শাৰদাই মোক জানে, বুজে, ভাল পায়। মোৰ প্ৰস্তাৱ শুনি শাৰদাই বুজিব, মোৰ ভালপোৱা কিমান উদাৰ।

আশা আৰু উৎকণ্ঠাৰে শাৰদাৰ সন্মতিৰ কাৰণে অপেক্ষা কৰিলো। এদিন বিমৰ্ষ আৰু বিষণ্ণ মনেৰে বৌতি ঘৰলৈ আহিল, বৌতিৰ দুশ্চিন্তাৰ কাৰণ মই নুবুজিলো। বৌতিক সুধিবলৈকো বেয়া লাগিল কিন্তু বৌতিয়ে নিজেই কলে "জীৱন চিৰস্তাদাৰব জীয়েক তোৰ লগত বিয়া নহয়।"

"কি ?"

"ওঁ। খাটাংকৈ জনাই দিছে—তাই তোৰ লগত বিয়া নহয়।"

মই স্তম্ভিত হলো, মৰ্মাহত হলো। দ্বিতীয়বাৰ মই নিঃসন্দেহ হলো যে শাৰদা চৰিত্ৰহীনাই থাকি যাবলৈ প্ৰস্তুত হৈছে। মোৰ প্ৰস্তাৱটো যিজনী শাৰদাই প্ৰত্যাখ্যান কৰিব পাৰে, সেইজনী ছোৱালীৰ নিশ্চয় অন্যকোনো প্ৰেমিকৰ লগত এতিয়াও গোপন সম্পৰ্ক আছে। ৰক্ষা পৰিছো যে শাৰদাৰ লগত মোৰ বিয়া হৈ নগল।

কিন্তু মই বৰ লাজো পালো, মানুহৰ মুখলৈ চাবলৈ মোৰ ভয় লাগিল। চহৰখনৰ মানুহবোৰে কিজানি মোক কি বুলি ভাবিছে! বামুণৰ লৰা হৈ জানি শুনি ও শাৰদাৰ নিচিনা এজনী ছোৱালীক মই বিয়া কৰাবলৈ ওলাইছিলো। সেইয়া আছিল এক আদৰ্শবাদী দুঃসাহস। এনে প্ৰস্তাৱ পালে অন্য ছোৱালীয়ে নিজক ধন্য

মানিলেহেঁতেন। অথচ শাৰদাই মোৰ প্ৰস্তাৱ কৰিলে সহজভাবে প্ৰত্যাখ্যান।

মই লাজপালো, অপমানিত বোধ কৰিলো, আৰু পলম নকৰি বেদনাথ ভট্টাচাৰ্য্যৰ ছোৱালী শৰ্ম্মিষ্ঠাক বিয়া কৰালো। বিয়াত বহুত টকা খৰচ কৰিলো, বৰ ধুমধামো কৰিলো। বৌতিয়ে বৰ আনন্দ পালে।

শৰ্ম্মিষ্ঠা ভাল ছোৱালী, শৰ্ম্মিষ্ঠাই মোৰ জীৱনটো পূৰ্ণ কৰি তুলিলে। কিন্তু তথাপি মই মাজে মাজে অনুভৱ কৰো যে মই দাম্পত্য জীৱনত সম্পূৰ্ণ সুখী হব পৰা নাই। জীৱনৰ মাজত ক'ৰবাত এটা শূণ্যতা, এটা ৰিক্ততা বৈ গ'ল। সেই শূন্যতা পূৰাব পাৰিলেহেঁতেন কেৱল এজনী ছোৱালীয়ে—শাৰদাই। কিন্তু আজি আৰু সেইবোৰ কথা ভাবি লাভ নাই। শৰ্ম্মিষ্ঠাৰ প্ৰতি সামান্য অৱহেলাও পাপ হব। শৰ্ম্মিষ্ঠা মোৰ প্ৰতি গভীৰভাবে অনুৰক্তা। শৰ্ম্মিষ্ঠা অসুন্দৰীও নহয়।

তথাপি কেতিয়াবা সকলো অৰ্থহীন যেন লাগি যায়। মনটো অবুজ হৈ উঠে। শাৰদাৰ প্ৰত্যাখ্যানৰ প্ৰতিশোধ লবব মন যায়। কিন্তু মই অসহায়। বহু কষ্ট কৰি শাৰদাৰ চিন্তাৰ পৰা মই নিজকে আঁতৰাই আনো। বুকুৰ ভিতৰখন বৰ গধুৰ গধুৰ লাগে। এটা ধুনীয়া অট্টালিকা সাজিছিলো, এনেতে খহি গ'ল। ভগ্নস্তূপৰ কাষত থিয়হৈ মই অকলে বৈ আছো। মই বৰ নিঃসঙ্গ, অকলশৰীয়া।

———

# সৰযূৰ কথা

মৰমৰ প্ৰদীপ ককাইদেউ,

তোমাৰ চিঠিখন পাবৰ আজি কেইবাদিনো হ'ল। উত্তৰ দিয়াত পলম হ'ল, কাৰণ কিনো উত্তৰ দিম ভাবিয়ে পোৱা নাছিলো। তোমাৰ কথাবোৰে আমাক আচৰিত কৰিছে সঁচাকৈয়ে।

মোৰ পৰীক্ষা সিমান বেয়া হোৱা নাই। অৱশ্যে ইংৰাজীৰ থাৰ্ড পেপাৰখন বৰ ভাল হোৱা নাই। পিছে ফেʼল নকৰিম যেন লাগিছে। বি-এ টো যদি এইবাৰ পাছ কৰো, আৰু নপঢ়ো বুলিহে ভাবিছো। কিমাননো আৰু পঢ়ি থাকিম ?

শাৰদায়ো বি-এ দিলে। খবৰ নিশ্চয় পাইছা। ভাল কৰিছে, চোকা ছোৱালী, পাছ কৰিব। তুমি জানাই শাৰদাৰ লগত মোৰ ভাল। আৰু শাৰদাই মোৰ পৰা কোনো কথাকে লুকুৱায়। তোমাৰ চিঠিৰ কথা মই শাৰদাক জনোৱা নাছিলো। কিন্তু মোক অবাক কৰি দি শাৰদাই তুমি তাইলৈ দিয়া কিবা চিঠিৰ কথা কলে— এক ৰকম হাঁহি-হাঁহিয়ে। তাইৰ মুখলৈ চাই মই তাইৰ মনৰ ভাব অকনো বুজিব নোৱাৰিলো।

মানিলো বাৰু তোমাৰ কথাকে ;—সকলো মানুহে নিজক আন সকলোতকৈ বেছি ভাল পায়, মানুহ স্বাৰ্থপৰ, আত্মকেন্দ্ৰিক, আনক ভালপালেও মানুহে নিজৰ স্বাৰ্থতে ভাল পায়। কিন্তু শাৰদাৰ নিচিনা এজনী ছোৱালীক কোনোবাই নিজৰ স্বাৰ্থতে ভালপালেও জানো তাত বেয়া পাবলগীয়া কিবা আছে ? নিজৰ স্বাৰ্থতেতো কোনোবাই শাৰদাক ভালপাব পাৰে, আৰু গোটেই জীৱনৰ কাৰণে নিজৰ কৰি লব পাৰে। সেয়েজানো কাৰোবাৰ ক্ষতি কৰিব ?

শাৰদাই তোমাৰ বিষয়ে কি ভাবিছে মই নেজানো। যদি

শাৰদাৰ নিচিনা কোনোবা ছোৱালীয়ে তোমালোকক পলায়নবাদী বুলি ক'ব খোজে, মিছা কোৱা হব জানো ?

বিয়া কৰাই সংসাৰী হলে তোমাৰ কৰ্ত্তব্যত বাধা পৰিব—তোমাৰ আদৰ্শৰ স্থিৰতা হেৰাব, দেশপ্ৰেম আৰু দাম্পত্য প্ৰেম এইবোৰৰ মাজত বিৰোধ সোমাব—এইবোৰ জানো পিচত ভবা কথা নহয় ? এজনী ছোৱালীৰ ভালপোৱাই স্বামীৰ আদৰ্শক শক্তিশালীহে কৰিব লাগে, বিভ্ৰান্ত কৰিব কিয়'? এজনী পতিব্ৰতা পত্নী স্বামীৰ প্ৰেৰণাৰ কাৰণ নহয় জানো ?

তুমি লিখিছা তোমাৰ অস্থিৰ আৰু অনিশ্চিত জীৱনৰ মাজলৈ আনক টানি ননাই জ্ঞানীৰ কাম হব। মই তোমাৰ সমান জ্ঞানী নহয়। কিন্তু তোমাৰ জীৱনৰ গতিশীলতাক কিয় তুমি অস্থিৰতা বুলিব খুজিছা মই বুজা নাই। তুমি বিপ্লবী সমাজ কৰ্ম্মী, দেশকৰ্ম্মী, ৰাজনীতিৰ মাজত তোমাৰ জীৱনে বিকাশ লাভ কৰিছে। তোমাকলৈ আমি গৰ্ব কৰো। তোমাৰ লিখাই আমাক উদ্বুদ্ধ কৰে, তোমাৰ তেজস্বী বক্তৃতাই আমাক মুগ্ধ কৰে, তোমাৰ দুঃসাহসী কাৰ্য্যকলাপে আমাৰ মনলৈ নতুন নতুন আশা-উদ্দীপনা আনে। সেইবাবেই তোমাক যেতিয়া এৰেষ্ট কৰে, আটক কৰি ৰাখে আমাৰ চৰকাৰৰ প্ৰতি পুতৌ হয়, তোমালৈ শ্ৰদ্ধা বাঢ়ে। কোনো আদৰ্শবাদী ৰাজনৈতিক কৰ্ম্মীৰ কাৰণে জানো ৰাজপথ আৰু বন্দীশালৰ মাজত কিবা পাৰ্থক্য আছে ? যিখিনি পুলিচে তোমাক ধৰিবলৈ যায়হি, সেই পুলিচখিনিৰ চকুতো জানো তোমাৰ প্ৰতি শ্ৰদ্ধা উপচি নপৰে ? যি জীৱনত যিমান ডাঙৰ আদৰ্শৰ অনুগামী হয় তাৰ জীৱনৰ দুখ-দুৰ্দ্দশাও সিমানেই অধিক হোৱাটো জানো কিবা নতুন কথা ? যীশুৱে জানো প্ৰাণ দিবলগীয়া হোৱা নাছিল ? মোহম্মদে প্ৰাণৰ ভয়ত মক্কা এৰি মদিনালৈ পলোৱা নাছিল !

তুমি জানা প্ৰদীপ ককাইদেউ, মই তোমাৰ আদৰ্শৰ ভক্ত। মই এজনী সাধাৰণ ছোৱালী। তোমাৰ আদৰ্শবাদী মনটোৰ কাষ-চাপিব

পৰা শিক্ষা সাহস মোৰ নাই। তোমাক উপদেশ দিবৰ চেষ্টা কৰাটো মোৰ বাবে ধৃষ্টতা মাথোন। আনৰ দৰেই মোৰো তোমাৰ ওপৰত গভীৰ আস্থা আছে। তুমি যে সকলো কাম ভাবি চিন্তিহে কৰা, সেই কথা মই জানো।

এইবাবেই যেতিয়া তুমি শাৰদাক বিয়া কৰোৱাৰ সিদ্ধান্তৰ কথা জনাইছিলা, আমি বৰ সুখী হৈছিলো। তোমাৰ মনোবলক আন্তৰিকভাবে শলাগিছিলো যে এজন আদৰ্শবাদী দেশকৰ্ম্মীয়ে ব্যক্তিগত জীৱনতো এটা মহৎ আদৰ্শ দাঙি ধৰিবলৈ ওলাইছে।

তোমাৰ মনৰ কথা প্ৰথমে মোকেই জনোৱা নাছিলা জানো? তুমি পাহৰিলেও সেই দিনাৰ কথা সকলো মোৰ মনত আছে।

মাইঁত ফুৰিবলৈ ওলাই গৈছিল, আমাৰ ঘৰত ভাইটি আৰু মইহে আছিলো। তুমি চিন্তিতভাবে আহি আমাৰ ঘৰ ওলাইছিলাহি। আৰু বিশেষ ভূমিকা নকৰি মোক কৈছিলা—“সৰযূ, তোমাক এটা কথা ক'ম।”

তোমাৰ কথাৰ সুৰত মই বিস্মিত হৈছিলো। ধেমালি কৰিছা-নেকি—মই মাথোন কৌতুহলেৰে তোমাৰ চকু মুখলৈ চাইছিলো। কোনোবা সমনীয়া সহকৰ্ম্মীক কোনো ৰাজনৈতিক অভিমত জনোৱাৰ দৰে তুমি মোক কৈছিলা—‘মই এটা সিদ্ধান্ত কৰিছো সৰযূ—’কি সিদ্ধান্ত ককাইদেউ?

‘মই বিয়া কৰাম—’

তোমাৰ এই ঘোষণাই মোৰ মন আনন্দেৰে পূৰ্ণ কৰি তুলিছিল। থোকাথুকি মাতেৰে মই সুধিছিলো, ‘ধেমালি কৰা নাইতো ককাইদেউ?’

গহীন হৈ তুমি কৈছিলা—‘বিয়া এটা গুৰুত্বপূৰ্ণ কথা। তাক লৈ ধেমালি কৰা নেযায়।’

বিয়াক জীৱনৰ গুৰুত্বপূৰ্ণ কথা বুলি তুমি কোৱা সেইয়াই মই

প্ৰথম শুনিছিলো। তোমাক মোৰ অন্য এজন বেলেগ মানুহ যেন লাগিছিল তেতিয়া।

তাৰ পিচত যেতিয়া তুমি কৈছিলা যে তুমি বিয়া কৰাব খোজা ছোৱালীজনী আন কোনো নহয় মোৰ সহপাঠি আৰু অন্তৰঙ্গ বন্ধু—শাৰদা, মই বিস্ময়ত, অনন্দত, অবিশ্বাসত কন্ধবাক হৈ কেৱল তোমাৰ মুখলৈ চাইছিলো। তোমাৰ মনত নিশ্চয় থাকিব পায়। জীৱনত মই সেইদিনাৰ সমান চঞ্চলতা কোনো দিন অনুভৱ কৰা নাছিলো। তুমি বিয়া কৰাবা শাৰদাক। কথাষাৰ শাৰদাক সেই মুহূৰ্ত্তে জনাবলৈ মই অধীৰ হৈ উঠিছিলো। কিন্তু মোক আৰু বিস্মিত কৰি তুমি পাতলকৈ হাঁহি কৈছিলা--

—'তুমি চিন্তা কৰিব নেলাগে। শাৰদাক কৈ আহিছে তোমাক কৈছো।'

"শাৰদাক কৈ আহিছা, কি কলে শাৰদাই?"

"একো নকলে, শাৰদাৰ কাণ মূৰ ৰঙা পৰিল। এবাৰ মোৰ চকুলৈ মূৰতুলি চাই তলমূৰ কৰিলে",—তুমি কৈছিলা।

তাৰ পিচত কিমান দিন তুমি আৰু মই বহি তোমাৰ বিয়াৰ কথা আলোচনা কৰিছিলো। তোমাক জোকাইছিলো। তোমাক আৰু শাৰদাক বহুৱাই লৈ মই ঠাট্টা বিদ্ৰূপ কৰিছিলো। তুমি জানা প্ৰদীপ ককাইদেউ, শাৰদা আৰু তোমাৰ বিয়া হব বুলি জানি পৃথিবীৰ আন কোনো মোতকৈ বেছি সুখী হোৱা নাছিল। কত চিন্তা, কত কল্পনা কৰিছিলো মই তোমালোকক লৈ। শাৰদাই তোমাৰ জীৱনলৈ নতুন দিগন্তৰ পোহৰ আনিব, তোমাৰ জীৱনক পূৰ্ণতাৰ আনন্দেৰে ভৰাই তুলিব, তুমি সুখী হ'বা, নতুন উছাহ-উদ্দীপনা লৈ তুমি দেশৰ কামত, বাইজৰ কামত আত্ম নিয়োগ কৰিব পাৰিবা।

তোমাৰ সিদ্ধান্তক মই সন্দেহ কৰা নাছিলো। শাৰদাৰ প্ৰতি মোৰ ঈৰ্ষাও হোৱা নাছিল। তথাপি তুমি কিজানি শাৰদাৰ কথা

আটাইবোৰ নেজানা, আৰু বিয়াৰ পিছত সেইবোৰ কথা জানিলে কিজানি তুমি অসুখী হোৱা, সেই কাৰণে শাৰদাৰ অনুপস্থিতিত তাইৰ অতীত জীৱনৰ সকলো কথা মই তোমাক 'প্ৰায় খোলাখুলিকৈয়ে কৈছিলো। সকলো কথা তোমাক জনাবলৈ শাৰদাই মোক টানি অনুৰোধ কৰিছিল। শাৰদাই মোক কৈছিল—'মই কাৰো জীৱন অসুখী কৰিবলৈ নিবিচাৰো। তেওঁক মোৰ কথা সকলো ক'বা। বিয়াৰ পিচত আৰু সেইবোৰ কথা কোৱাৰ কোনো সাৰ্থকতা নেথাকিব। মোৰ কোনো কথা লুকুৱাবলগীয়া নাই।'

মই শাৰদাৰ সকলো কথা তোমাক জনাইছিলো। মোৰ কথা শুনি তুমি মাথোন নিৰ্বিকাৰ ভাবে হাঁহিছিলা আৰু কৈছিলা 'মোকনো কিয় দেৱতা বুলি ভাবিছা সৰযূ? ময়ো বৰ ভাল মানুহ নহও। জানি শুনি কোনো পাপ নকৰিলেও জীৱনত কোনো ভুল নাই কৰা বুলি মই কব নোৱাৰো। আৰু শাবদাব সকলো কথাকে মই জানো। আৰু জানো বাবেই মই বিয়া কৰাবলৈ ওলাইছো। কিয় জানা? মই ভবিষ্যতৰ কথাহে চিন্তা কৰিছো, অতীতৰ কথা নহয়। আমি কোনেও অতীতলৈ ঘূৰি নেযাওঁ।' তোমাৰ কথা শুনি তোমাৰ প্ৰতি শ্ৰদ্ধাত মোৰ মূৰ দোঁ খাই গৈছিল।

তোমাৰ প্ৰস্তাৱত যে শাৰদা আৰু শাৰদাহঁতৰ গোটেই পৰিয়ালটো সুখী হৈছিল সেইকথা আনে নেজানিলেও মই ভালকৈ জানিছিলো। শাৰদা যে আনন্দ আৰু গৰ্ব্বত ফুলি উঠিছিল।

তাৰ পিচত সেইবাৰ কৃষকৰ মাটিৰ দাবীত আন্দোলন কৰাৰ কাৰণে যে তোমাক পুলিচে এৰেষ্ট কৰি লৈ গৈছিল, তেতিয়া আমাৰ বেছি বেজাৰ নেলাগিলেও শাৰদা যে মৰ্ম্মাহত হৈছিল সেই কথা মই জানিছিলো। ভগা ভগা মাতেৰে শাৰদাই মোক কৈছিল, "মই জানো সৰযূ, জেইলত কোনো মানুহেই শান্তি নেপায়। তেওঁৰ বৰ কষ্ট হব।"

মই বৃথা সান্ত্বনা দিবৰ চেষ্টা কৰা নাছিলো।

শাৰদাই এটা কথা ভালকৈ জানিছিল যে তোমাৰ আদৰ্শৰ পৰা তোমাক একোৱে টলাব নোৱাৰে। আৰু তুমি ভৱিষ্যতৰ ওপৰত দৃঢ় বিশ্বাসী। তদুপৰি তুমি জেলত থাকিলেও বা দূৰত ক'ৰবাত থাকিলেও শাৰদাৰ কোনো অসুবিধা নহয় কাৰণ তুমি ধনীৰ লৰা, টকা-পইচাৰ কাৰণে কোনো অসুবিধা নহয়। শাৰদাই ভাবিছিল—তোমাক পোৱাটোৱেই হব তাইৰ জীৱনৰ আটাইতকৈ ডাঙৰ সাফল্য।

তাৰ পিচত, বিয়াৰ সকলো বন্দোবস্ত হৈ যোৱাৰ পিছত, তুমি এইয়া কি কৰিলা? তুমি কিয় এনেকৈ হব ধৰা বিয়াখন ভাঙি দিলা? ইমান নিষ্ঠুৰ কথা এটা ইমান সহজভাবে তুমি কেনেকৈ ল'ব পাৰিছা, মই বুজিব পৰা নাই। তুমি নিশ্চয় ধেমালি কৰা নাই, নহয় জানো?

শাৰদাৰ হৈ আৰু এটা কথা তোমাক মোৰ কবলগীয়া আছে। হয়তো কথাটো ক'লে তুমি মোক বেয়া পাবা। কাৰণ তোমাক কোনো টান কথা ক'বৰ অধিকাৰ মোৰ নাই। তথাপি তোমাৰ আৰু মোৰ মাজত কোনো ৰক্ত সম্পৰ্ক নাই যদিও, তুমি মোৰ আপোন ককাইদেউতকৈ কোনো গুণে পৰ নোহোৱা, কাৰণ তোমাৰ জীৱনাদৰ্শৰ মই একান্ত ভক্ত।

সঁচাকৈয়ে তুমিয়ে কোৱাচোন এনেকৈ এখনৰ পিছত এখনকৈ শাৰদাৰ হ'ব ধৰা বিয়াবোৰ ভাগিগৈ থাকিলে, তাই কেনেকৈ জীয়াই থাকিব? গোটেই সংসাৰখন তাইৰ প্ৰতি এনে নিষ্ঠুৰ হ'লে তাই কেনেকৈ এজনী মৰমীয়াল ছোৱালী হৈ থাকিব? আজিৰ যুগতো এজনী ছোৱালীৰ ব্যক্তিত্বক এনেদৰে অৱমাননা কৰাৰ কিবা যুক্তি আছে জানো? কোনোবা এজনী ছোৱালীৰ একেবাৰেই বিয়া নোহোৱাটো বৰ আচৰিত হবলগীয়া কথা নহয়। কিন্তু হব ধৰা বিয়াবোৰ এনেকৈ ভাগি ভাগি যোৱাটো বৰ নিষ্ঠুৰ কথা নহয় জানো? ৰহস্য সৃষ্টি কৰি কোনো লাভ নাই। তুমি যি কৰিছা, জানি

বুজিয়েই কৰিছা, সেইকথা মই জানো। কিন্তু এনে কিয় কৰিব-লগীয়া হ'ল সেইকথা বুজাই শাৰদাক সান্ত্বনা দিবৰ কাৰণে হলেও তুমি মোক পৰিস্থিতিটোৰ বিষয়ে মুকলিকৈ জনাবা বুলি আশা কৰিলো। তুমি ওচৰত থকা হলে, তোমাক নিজেই লগ ধৰি সকলো সুধি পুছি ললোহেঁতেন, কিন্তু তোমাক চিঠিৰে লগপোৱাৰ বাহিৰে মোৰ কোনো উপায় নাই।

বহুত কথা লিখিলো। মোক ভুল নুবুজিবা, তোমাৰ জীৱনটো কেৱল তোমাৰ নহয়, তোমাৰ জীৱনৰ সুখ-দুখৰ ভু ৰাখোতা আন বহুত আছে। তুমি এজন সমাজ কৰ্ম্মী। সমাজক যিদৰে তুমি নিজৰ বুলি ভাবা, তেনেকৈ সমাজেও তোমাক নিজৰ বুলি ভাবে। তুমি যদি শেষ সিদ্ধান্ত কৰি পেলাইছা মোৰ একো কবলগীয়া নাই। কিন্তু তোমাৰ চিঠিখনে সঁচাই মোক মৰ্ম্মাহত কৰিছে। মই শাৰদাক লগ ধৰিম আৰু তাই কি ভাবিছে জানিবৰ চেষ্টা কৰিম, কিন্তু তাই এজনী দুৰ্বোধ্য ছোৱালী। হয়তো এই মৰ্ম্মান্তিক কথাটোত তাই হা-হা কৰি হাঁহি দিব। সেইবাবে তোমাৰ পৰাই এটা মুকলি উত্তৰ বিচাৰিছো। লিখিবা দেই।

মোৰ ভক্তিভৰা প্ৰণাম ল'বা।

তোমাৰ

সৰযু।

# প্ৰসন্ন প্ৰাণ ফুকনৰ কথা

মই অন্য কি কামৰ কাৰণে উপযুক্ত হলোহেঁতেন ক'ব নোৱাৰো। এম, এ আৰু ল' পাছ কৰাৰ পিছত এজন ডেকা মানুহে বহুত কিবা-কিবি কৰিব পাৰে; ওকালতি কৰিব পাৰে, হাকিম হ'ব পাৰে, ডি-এছ-পি হ'ব পাৰে; ছাপ্লাই, ইনকমটেক্স, ছেলটেক্স অফিচাৰ হ'ব পাৰে। বহুত কিবা কিবি কৰিব পাৰে। কিন্তু মই সেইবোৰৰ এটাকো নকৰিলো। কিয় ক'ব নোৱাৰো। বেচৰকাৰী কলেজটোত যেতিয়া অধ্যাপকৰ কামটো প্ৰায় বিনা আয়াসেই পালো, আৰু বিশেষ হাবাথুৰি নোখোৱাকৈ জীৱন চিৰস্তাদাৰৰ নতুনকৈ সজোৱা ভাড়া ঘৰটো পালো, তেতিয়া আৰু অন্যকাম বিচৰাৰ কথা চিন্তা কৰিবলৈকে এৰি দিলো।

প্ৰফেছাৰ হলো। ডেকা প্ৰফেছাৰ, প্ৰসন্নপ্ৰাণ ফুকন,—সকলোৱে মাতে। বৰ বেয়া নেলাগে।

ছাত্ৰ হিচাবে মই বৰ চোকা বা মেধাবী নাছিলো, কিন্তু পঢ়া-শুনাত বৰ মনোযোগী আছিলো। সেই দেখি পৰীক্ষাত ভাল ধৰণেই উত্তীৰ্ণ হৈছিলো। ঘৰৰ অৱস্থা মধ্যমীয়া। বৰ বেছি অভাৱ নাই। কোনোমতে চলি যাব পাৰে। পৰিয়ালটোও সৰু—দেউতা, মা আৰু মোৰ ভনী দুজনী। লৰা মাত্ৰময়েই। ময়ো পঢ়া-শুনা সমাপণ কৰি অধ্যাপক হৈ কামত সোমাইছো।

ফাইনেল দি আহি সাতমাহ মাথোন একো নকৰাকৈ ঘৰতে আছিলো। সেই সময়ৰ ভিতৰতে মাইঁতে আগতে চাই-চিতি থোৱা ছোৱালী বীণা বৰুৱাৰ লগত মোৰ বিয়াৰ বন্দোৱস্ত পকা কৰি পেলাইছিল। বীণাক মই সৰুৰে পৰা দেখিছো। বীণাক বিয়া কৰাবলৈ অমান্তি হোৱাৰ কোনো কাৰণেই মোৰ নাছিল। বৰং

বিয়াখন সোনকালে পাতি পেলোৱাৰ দিহা কৰাৰ কাৰণে মই মনে মনে আনন্দহে পাইছিলো।

অৱশ্যে কিবা এটা কামত সোমাই নোলোৱা পৰ্য্যন্ত মোৰ বিয়া যাতে পতা নহয় তাৰ বাবে মই মা'হঁতক ক'লো। মা'হঁত সহজে মান্তি হল। মাত্ৰ কলে, মানুহ ঘৰে বহুত দিন বাট চাই আছে। সেই কাৰণেহে অলপ খৰ খেদা কৰিছো। নহলেনো তোৰেই বয়স উকলি গৈছেনে বীণাৰে বয়স উকলি গৈছে।

মাৰ কথাষাৰ ভাল লাগিল, কিন্তু কলেজৰ কামত যোগ দিবৰ কাৰণে ঘৰৰ পৰা আঁতৰি আহিব লগীয়া হ'ল, যথেষ্ট দূৰলৈ। ঘৰৰ ওচৰতে কিবা কাম পোৱা হলে নিশ্চয় ভাল পালোহেঁতেন।

নতুন সৰু চহৰখনো সিমান বেয়া নেলাগিল। এনেকুৱা ঠাইত বেচৰকাৰী কলেজৰ প্ৰফেছাৰো এজন ডাঙৰ মানুহ।

থাকিবলৈ ঘৰ বিচাৰোতে কলেজৰ সহকৰ্ম্মী সকলৰ পিছতে মোৰ চিনাকি হ'ল ভাড়া ঘৰৰ গৰাকী জীৱন চিৰস্তাদাৰৰ লগত। কথাই-বতৰাই মানুহজনক মোৰ ভাল লাগিল। বয়সস্থ মানুহ, আমাৰ দেউতাৰ বয়সীয়া। মানুহজন অমায়িক যেন লাগিল।

এদিন তেওঁৰ ঘৰত মোক চাহ খাবলৈ মাতিলে। ওচৰতে ঘৰ গলো। যিজনী ছোৱালীয়ে মোক চাহ জলপান দিলে, সেই ছোৱালীজনী ক'ৰবাত দেখা যেন লাগিল মোৰ। মই ছোৱালী জনীৰ মুখলৈ চালো। সলজ্জভাৱে হাঁহি ছোৱালীজনীয়ে ক'লে, "ছাৰে মোক চিনি পোৱা নাই কিজানি, মই আপোনাৰ ক্লাছ দুদিন কৰিছো।"

"তুমি আমাৰ কলেজতে পঢ়া নেকি।"

সৰুকৈ ছোৱালীজনীয়ে ক'লে, 'হয়'—,

আৰু দুই-চাৰি কথা পাতি চাহ জলপান খাই বিদায় ললো।

এই চিনাকিৰ কোনো বিশেষত্ব নাছিল। ইতিমধ্যে আমাৰ কলেজৰ আৰু কেইবাজনীও ছোৱালীৰ লগত চিনা পৰিচয় হৈছিল।

কথাটোত মই কোনো গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন বোধ কৰা নাছিলো। বিশেষকৈ তেতিয়া মোৰ মনটো ৰীণাৰ চিন্তাই পূৰ্ণ কৰি ৰাখিছিল। অন্য ছোৱালীয়ে মনত দাগ কাটিব নোৱাৰিছিলে।

মোৰ বিষয় আছিল ইতিহাস আৰু শাৰদায়ো ইতিহাস লৈছিল। ক্লাছত মাজে মাজে মই লৰা-ছোৱালীবোৰৰ ওপৰত চকু ফুৰাইছিলো। দেখিছিলো বৰ মনোযোগেৰে একান্তভাৱে মোৰ মুখৰ ওপৰত চকু থাপি শাৰদাই মোৰ কথা শুনিছে। দেখি মোৰ ভাল লাগিছিল।

ক্ৰমে মই উপলব্ধি কৰিব ধৰিলো যে গোটেই ক্লাছটোৰ ভিতৰত শাৰদায়েই মোৰ বক্তৃতালৈ একান্ত মনোযোগ দিয়ে। লগে লগে অনুভৱ কৰিব ধৰিলো যে এই ছোৱালীজনী কেৱল ক্লাছটোৰ ভিতৰতে নহয়, সদৌ কলেজটোৰ ভিতৰতে আটাইতকৈ ধুনীয়া ছোৱালী। ব্যক্তিগতভাৱে এই ছোৱালীজনীৰ লগত চিনাজনা থকাৰ কাৰণে মোৰ ভাল লাগিল।

মোৰ বিশেষ মনোযোগ লাভ কৰা কথাটো যেন শাৰদাই ক্ৰমে বুজি উঠিছিল। কিন্তু আমাৰ ঘনিষ্ঠতা গঢ়ি উঠা নাছিল।

পূজাৰ বন্ধৰ আগে আগে কেইবা দিনো শাৰদা ক্লাছলৈ অহা নাছিল। কথাটো মই লক্ষ্য কৰিছিলো। ক্লাছ কৰি অলপ বেয়া লাগিছিল। ক্লাছটো উকা উকা লাগিছিল।

এদিন সন্ধিয়া জীৱন চিৰস্তাদাৰৰ ঘৰলৈ গলো। শাৰদাৰ মাকে মোক আথেবেথে সোধপোচ কৰিলে। শাৰদাক ওলাই নহা দেখি মই বিশেষ ভূমিকা নকৰি সুধিলো, "শাৰদাক দেখা নাই; নাই নেকি?"

মাকে ক'লে "আছে। আজি কেইবাদিনো তাইৰ জ্বৰ, ফ্লু হৈছে হ'বলা। মুৰ দাঙিবকে পৰা নাই।"

"ক'ত আছে শাৰদা?"

"তাইৰ কোঠাতে আছে। আহক—"

তেওঁৰ পিছে পিছে মই শাৰদাৰ কোঠালৈ সোমাই গলো। কোঠাটো কিছু বিশৃঙ্খল হৈ আছে। শাৰদাৰ পঢ়া মেজৰ ওপৰত

কিছুমান বহী-কিতাপ অবিন্যস্ত হৈ পৰি আছে, আৰু আছে ঔষধৰ বটল, আৰু কিবাকিবি।

ওচৰৰে বিচনাখনত গাত এখন চাদৰলৈ শাৰদা চকু মুদি পৰি আছে। ৰঙাপৰা এখন অতীব সুন্দৰ মুখ আৰু এখিনি এনি তেনি পৰি থকা কিচ্ কিচ্ কৰে ক'লা চুলি আৰু এটা শান্ত তপত নিশ্বাস।

শাৰদাৰ ওচৰত গৈ মাকে সৰুকৈ মাত দিলে—'শাৰদা।'

শাৰদাই চকু মেলিলে। হয়তো মই কোঠালৈ সোমাই অহাৰ কথা শাৰদাই গম পাইছিল। চকু মেলিয়ে শাৰদাই মাকৰ আৰু মোৰ চকুলৈ সৰলভাৱে চালে। তাৰ পিচত হহঁাৰ নিচিনা কৰি ক'লে "ছাৰ আহিছে!"

'কি হৈছে তোমাৰ?' মই সুধিলো।

"জ্বৰ ছাৰ' –ফ্লু।"

"এতিয়া অলপ ভাল পাইছা? জ্বৰ আছে নেকি?" কোৱাৰ লগে লগে মই শাৰদাৰ কপালত হাত দি চালো।

মোৰ চকুত চকু থাপি শাৰদাই সুধিলে, 'আছেনে নাই?'

'সামান্য আছে।'

"বহক ছাৰ। মা, ছাৰক চাহ তাহ দিয়া নাই নহয়?"

"আপুনি অকণ ইয়াতে বহক। মই এটোপা চাহ কৰো। গুচি নেযাব—" কৈয়ে মোৰ উত্তৰলৈ বাট নেচাই শাৰদাৰ মাক কোঠাটোৰ পৰা ওলাই গ'ল।

শাৰদা বিছনাতে বহিল।

"বহক ছাৰ তাতে বহক। চকীখনলৈ দেখুৱাই শাৰদাই ক'লে, ফ্লু বৰ বেয়া, এজনৰ পৰা আনৰ হয়।"

মই হাঁহিলো আৰু বিছনাৰ কাষতে থকা চকী খনতে বহি ক'লো 'ক্লাছত তোমাক কেইবা দিনো দেখা নাই। সেই কাৰণেহে আহিলো তোমাৰ যে অসুখ মই কবই নোৱাৰো।'

'কেনেকৈনো ক'ব পাৰিব? জ্বৰ হৈছে। ঘৰতে পৰি আছো। আপোনাৰ ভাল ছাৰ?'

'আছো ভালেই'।'

তাৰ পিছত একো কথা পাতিবলৈ নেপাই। কছুপৰ দুয়ো মনে মনে থাকিলো।

অলপ পৰৰ পিচত শাৰদাই ক'লে, "মূৰটো বৰ বিষাই আছে। মই শুই থাকোনে ছাৰ?"

"শোৱা, শোৱা, তুমিনো বহিলা কিয়?" মই যামেই। তোমাৰ খবৰ কৰি যাবৰ কাৰণেহে আহিলো ; ঔষধ খাইছা নহয়।"

"খাইছো, এনেযে বেয়া খাবলৈ"। কৈ কৈ শাৰদা আকৌ বিছনাত শুলে আৰু ভৰিৰ পৰা ডিঙিলৈকে চাদৰখন টানি ললে। মই এনেয়ে শাৰদাৰ মুখলৈ চাই ৰলো। হঠাৎ মোৰ সমগ্ৰ শৰীৰ শিয়ৰি উঠিলে—ইমান ধূনীয়া এখন মুখতো মই কোনো কাহানিও ক'তো দেখা নাই। এইয়া যে অপৰূপ, অপূৰ্ব।

বাহিৰত মাত শুনিলো। মই মেজখনৰ পৰা কিতাপ এখন টানি লৈ মেলি ললো। প্ৰকৃততে তেনে অৱস্থাত কি কৰা উচিত মই ঠিক কৰিবই পৰা নাছিলো।

'শাৰদা' বুলি মাতদি পৰ্দ্দাখন দাঙি এজন মানুহ সোমাই আহিল মই মানুহজনৰ মুখলৈ চালো। মানুহজনক চিনি নেপাওঁ। তেওঁ এক বিশেষ ধৰণে মোৰ চকু মুখলৈ চালে, যেন এই কোঠাটোত এনেদৰে আশা কৰা নাছিল তেওঁ।

তেওঁৰ পিছে পিছে জীৱন চিৰস্তাদাবো কোঠাটোলৈ সোমাই আহিল আৰু মোক বহি থকা দেখি আনন্দ মিহলি মাতেৰে ক'লে "অ' আপুনি। কেতিয়া আহিল? শাৰদাজনীৰ আকৌ বৰ অসুখ।" তাৰ পিছত মানুহজনৰ ফালে চাই ক'লে, "এওঁক চিনি নেপায়নেকি? শাৰদাইঁতৰ প্ৰফেছাৰ ; এওঁ ডাক্তৰ ৰামানুজ চৌধুৰী।"

আমি দুয়ো নমস্কাৰ কৰি চিনা জনা হলো। মই চকীখনৰ পৰা

উঠিব খোজা দেখি ডাক্তৰে কলে, “আপুনি বহক বহক, মই এওঁক এবাৰ চাই যাবৰ কাৰণে আহিলো ; যামেই ।”

লগে লগে তেওঁ মাতিলে, “শাৰদা ।” শাৰদাই ডাক্তৰৰ মুখলৈ চালে ।

“কেনেকুৱা পাইছা আজি ?”

‘জ্বৰটো কিজানি কমিছে । কিন্তু মূৰটো বৰ বিষাই আছে ।”

বিছনাৰ কাষ চাপি গৈ ডাক্তৰে শাৰদাৰ কপালত হাত দি চালে ; হাতৰ পালছ্ চালে আৰু কিছুপৰ শাৰদাৰ মুখৰ ফালে চাই থাকি আশ্বাস দিয়াৰ সুৰত ক’লে-লাহে লাহে কমি আহিব । ফ্লু বৰ বেয়া, হার্ট উইক কৰে । আজি কিবা খাইছা ?

‘একো খাবলৈ মন নেযায় ।’

“মনতো নেযাবই । তথাপি খাব লাগে । ঔষধটো খাইছা—?”

‘খাইছো ; বৰ বেয়া ।’

কোৱাৰ ধৰণটোত ডাক্তৰবো হাঁহি উঠিল । কিন্তু ডাক্তৰে নহাঁহিবৰ চেষ্টা কৰিলে । তেওঁ শাৰদাৰ পৰা মোৰ ফালে মুখ ঘুৰালে আৰু হহাঁৰ নিচিনা কৰি কলে ‘আপুনি অসুখৰ খবৰ কৰিবলৈ আহিল ?’

মই অলপ অপ্রস্তুত হলো, নিজক সংযত কৰি ক’লো, “মই এওঁলোকৰ ভাড়াঘৰতে থাকো ।”

ডাক্তৰৰ প্রশ্নটোৰ উত্তৰ সেইটো নিশ্চয় ন’হল ।

ডাক্তৰে ক’লে, “ভাল আপুনি বহক । মোৰ কেইবাটাও ৰোগী চাবলগীয়া আছে । মই যাও ।”

শাৰদাৰ ফালে মুখুৰাকৈ আৰু শাৰদাক মাত নলগোৱাকৈ ডাক্তৰ ওলাই গ’ল ।

অলপ সময় মই মনে মনে থাকিলো । ডাক্তৰ ৰামানুজ চৌধুৰী মানুহজনক কিয় জানো মোৰ বৰ ভাল নলগা যেন অনুভৱ হ’ল, আৰু তেৰোঁ যেন মোক বৰ ভাল নেপালে ।

চাহ দি শাৰদাৰ মাকে মোক আন এটা কোঠালৈ মাতিলে। মই উঠিলো। শাৰদাই মোৰ মুখলৈ চাই ক'লে, 'চাহ খাই গুচি নেযাব ছাৰ। আকৌ মোৰ ওচৰলৈ আহিব। আপুনি অহাত যে মই ইমান ভাল পাইছো।'

শাৰদাৰ কথা নেৰাখি নোৱাৰিলো।

দুদিন মানতে শাৰদা ভাল হ'ল। কিন্তু শাৰদাৰ অনুৰোধতে মই নিতৌ কাম নোহোৱা সন্ধিয়াটো শাৰদাহঁতৰ ঘৰতে কটাব ধৰিলো। সহজভাবে যাও, আহো। অন্যৰ লগত দুই চাৰি আষাৰ কথা-বতৰা পাতিয়ে শাৰদাৰ কোঠা পাওঁগৈ। শাৰদাক বৰ সৰল, বৰ মৰমীয়াল যেন লাগে। শাৰদাই কিবা এটা সোধে, কিবা এটা বুজি লয়, শিকি লয়, শিকাই বুজাই মোৰ আনন্দ লাগে।

ক্ৰমে মোৰ সকলো চিন্তা শাৰদাত কেন্দ্ৰীভূত হ'বলৈ ধৰিলে। ক্লাছত কেতিয়া শাৰদাক দেখা পাম, সন্ধিয়া কেতিয়া শাৰদাৰ কোঠাত বহি দু-আষাৰ কথা পাতি হাঁহি ধেমালি কৰিম তাৰ প্ৰতীক্ষাত মই সময়বোৰ কটাব ধৰিলো। এটা নতুন চঞ্চলতা, এটা নতুন উদ্বেগ অনুভৱ কৰিব ধৰিলো।

মাৰ চিঠি পালোঁ। তেওঁলোকে মোৰ বিয়াৰ দিন ঠিক কৰিবৰ কাৰণে সাজু হৈছে। উত্তৰ দিলো,—এতিয়া কৰিব নেলাগে। মোৰ হাতত টকা নাই। বৰ্ত্তমান বিয়া পাতিব নোৱাৰিম।

বাৰে বাৰে চিঠি আহিব ধৰিলে। বীণা আৰু বীণাৰ দেউতাকেও মাজে মাজে চিঠি দিয়ে। মই অস্বস্তি বোধ কৰিব ধৰিলো পৃথিৱীত বিয়াই জানো আটাইতকৈ ডাঙৰ কথা? মাজে মাজে চিন্তিত হওঁ, মাজে মাজে অধৈৰ্য্য হওঁ। ক্ৰমে বীণা মোৰ জীৱনৰ মাজৰ পৰা যেন দূৰলৈ আঁতৰি যাব ধৰে, আৰু বীণাৰ ঠাইত শাৰদা আহি আসন কৰি বহে। মই অশান্তি অনুভৱ কৰো। বিবেকে আমনি কৰে। বীণা নামৰ ছোৱালী এজনীয়ে বহু দিনৰ পৰা বহু

আশা কৰি মোৰ কাৰণে বাট চাই আছে। সেই ছোৱালীজনীক নিৰাশ কৰি মনোকষ্ট দিয়াটো জানো উচিত হ'ব ?

কিন্তু এই নতুন ছোৱালীজনী, এই আচৰিত, ধুনীয়া, মৰম লগা শাৰদা নামৰ ছোৱালীজনী। এই ছোৱালীজনীয়ে যে মোৰ মনৰ মাজত অলক্ষিতে ঠাই কৰি লৈছে, মই কি কৰিম ? কি কৰিম ?

অৱশ্যে মুখ খুলি আজিও মোৰ মনৰ কথা এবাৰো শাৰদাক এদিনো কোৱা নাই। আমি জ্ঞান-বিজ্ঞানৰ নানা কথা পাতিছো— কিন্তু মৰম চেনেহৰ কোনো কথা পতা নাই। কিন্তু যি কথা চকুৰ চাৱনিত, নকঁপা ওঁঠত, অৰ্থহীন নীৰবতাত ব্যক্ত হৈ উঠে, তাক জানো মুখ খুলি কোৱাৰ দৰকাৰ আছে ? শাৰদাই জানো একোকে বুজা নাই ; শাৰদাই জানো বুজা নাই এজন স্বাস্থ্যবান, শিক্ষিত ডেকা মানুহে কিয় তেওঁক লগ পাবৰ প্ৰতীক্ষাত উদ্বিগ্নভাৱে দিনৰ পিছত দিন কটাই যায়।

শাৰদাই বুজে। শাৰদাই সকলো বুজে। আন যিকোনো ছোৱালীয়েও বুজি পাব। হৃদয়ৰ ভাষা হৃদয়ে সুবুজি নেথাকে।

বীণাৰ লগত মোৰ বিয়াৰ সমস্যাটো তেনেই সাধাৰণ যেন লাগিল। দুৰ্ব্বলভাৱে, মনে মনে সঙ্কল্প কৰিলো বীণাৰ লগত মোৰ বিয়া নহব। মোৰ বিয়া হব শাৰদাৰ লগত। মনে যাক বিচাৰে তাৰ লগতহে আমাৰ বিয়া হোৱা উচিত। ঠিক কৰিলো, আৰু গোপনে ৰাখি লাভ নাই। সকলো কথা, মোৰ মনৰ ভাবৰ কথা শাৰদাক জনাম। শাৰদা নিশ্চয় মোৰ প্ৰস্তাৱত সুখী হব।

শুই শুই নানা কথা চিন্তা কৰিলো। মোৰ জীৱনটো মোৰ। মোৰ সুখ কামনাই মাহঁতৰ স্বাভাৱিক বাঞ্ছা। বীণাৰ পৰিবৰ্ত্তে শাৰদাক বিয়া কৰাওঁ বুলিলে মাহঁতে আপাত্ত নকৰিব। আৰু যেতিয়া মাহঁতে শাৰদাক দেখিব তেতিয়া কাৰো একো কবলৈ নেথাকিব। বহুতে হয়তো মোৰ ভাগ্যক ঈৰ্ষাহে কৰিব। শাৰদাক পিছদিনা লগ পাবৰ কাৰণে মই প্ৰায় অধৈৰ্য্য হৈ পৰিলো।

পিছদিনা কলেজত এখন টেলিগ্রাম পালো ; দেউতাৰ বৰ অসুখ, মোক যেনে আছো তেনেই মাতি পঠাইছে।

মনটো দমি গ'ল। ঘৰলৈ যেন মই একপ্ৰকাৰ পাহৰিয়ে আছিলো। দেউতাৰ অসুখৰ বাতৰিয়ে মোক বৰ উদ্বিগ্ন কৰি তুলিলে। সেই দিনাই ঘৰলৈ যাবলৈ ওলালো। ছুটি ললো ; ৰাতিৰ ৰেলেৰেই ঘৰলৈ যাম।

ভাবিলো শাৰদাহঁতক মাত লগাই যাওঁ।

শাৰদাহঁতৰ ঘৰত বহুত মানুহ দেখিলো। উপলক্ষটো বুজিব নোৱাৰিলো। অলপ অপ্ৰতিভ হলো, কিন্তু সহজ হবৰ চেষ্টা কৰিলো।

শাৰদাক দেখা নেপালো। কোনোবা ফালে থাকিল, জীৱন চিৰস্তাদাৰক পালো। মোৰ কথা কলো আৰু কলো যে আৰু দেড ঘণ্টাৰ মূৰতে মই ঘৰলৈ যাম।

তেওঁ ক'লে, "আমাৰ শাৰদাক চাবলৈ মানুহ আহিছে।"

প্ৰথমে মই কথাটো বুজিব নোৱাৰিলো।

তেওঁ পুনৰ ক'লে, "লৰাজন কিছুদিন ইয়াতে আছিল, ই-এ-চি। এতিয়া এ-ডি-এম হৈছে। মানুহ ঘৰো ভাল। তেওঁলোকৰ যদি ছোৱালী পছন্দ হয় আমি দিয়াৰ কথাহে ভাবিছো। বেয়া হব জানো ?"

মোৰ মূৰটো ঘূৰোৱা যেন লাগিল। মই কোনোমতে ক'লো, "মোৰ ৰেলৰ সময় হৈছে, মই যাওঁ।"

"ভাত কেইটা ইয়াতে খাই যোৱা হলে—"

"নহয়, পলম হৈ যাব। আহিছো বাৰু—" কৈ মই উত্তৰ খোজ ললো। শাৰদাক চাবলৈ আহিছে—প্ৰাৰ্থী এ-ডি-এম। শাৰদাৰ এজন হাকিমৰ লগত বিয়া হব।

ৰেললৈ তেতিয়াও সময় আছিল, কিন্তু মই আৰু নবলো।

দুৱাৰত তলামাৰি ৰান্ধনি, সৰাটোক দুটামান টকা আৰু দুটামান অনাৱশ্যকীয় উপদেশ দি মই ৰিক্সাখনত উঠি ষ্টেচনলৈ আগ বাঢ়িলো।

শাৰদা আৰু বীণা—নহয়, নহয়, মই আৰু জীৱনত বিয়াকে নকৰাও। শাৰদাই জানো মোক ভালপোৱাৰ পিছত অন্যকাৰোবাক বিয়া কৰাব পাৰিব? কিন্তু শাৰদাই জানো মোক ভাল পায়? কোনো দিন সোধা নাই সেই কথা, কোনো দিন কোৱা নাই সেই কথা। মোৰ আক্ষেপ হ'ল, এবাৰো নকলো কিয় মোৰ মনৰ কথা। বহুত পলম হৈ গ'ল। শাৰদাৰ কি দোষ?

ৰেলৰ দীঘলীয়া যাত্ৰাটো বৰ অস্বস্তিৰে ছটফটাই কটালো। এতিয়াও সময় আছে। এতিয়াও মই জীৱন চিৰস্তাদাৰক জনাই দিব পাৰো—শাৰদাৰ মোৰ বাহিৰে আন কাৰো লগত বিয়া নহয়। আপোনালোকে বৃথা চেষ্টা নকৰিব। আৰু শাৰদাৰ মাক-দেউতাকে জানো একোকেই নেজানে? নেজানে জানো মোৰ আৰু শাৰদাৰ মনৰ কথা।

ৰেলৰ দীঘলীযা যাত্ৰাত মোৰ চিন্তাবোৰ আদি অন্তহীন হৈ যাব ধৰিলে। জীৱনত এনে দোমোজাত মই কাহানিও পৰা নাই।

# শাৰদাৰ কথা

মোৰ নাম কিয় শাৰদা ৰখা হৈছিল মই নেজানো। শৰৎকালত মোৰ জন্ম হোৱাৰ কাৰণে শাৰদা থৈছিল নেকি ক'ব নোৱাৰো। হয়তো নাম কৰণৰ বিশেষ কোনো কাৰণ নেথাকিবও পাৰে।

মই ধুনীয়া। মই কিয় ধুনীয়া হলো মই নেজানো। মোৰ মা আৰু বাইদেউহঁতো ধুনীয়া; কিন্তু মোৰ সমান ধুনীয়া নহয়। বহুতৰ মতে নগৰখনৰ ভিতৰতে মোৰ সমান ধুনীয়া ছোৱালী দ্বিতীয় এজনী নাই। ভগবাণ আৰু প্ৰকৃতিয়ে মোক নাৰীৰ সকলো সৌন্দৰ্য্য উদাৰভাবে দান কৰিছিল। যেতিয়াৰ পৰা সৌন্দৰ্য্যক চিনিব আৰু বুজিব পৰা হলো তেতিয়াৰ পৰা নিভুৰ্লভাবে মই উপলব্ধি কৰিছিলো যে মোৰ ৰূপ সৌন্দৰ্য্যাই কাৰো স্বীকাৰোক্তিৰ অপেক্ষা নেৰাখে। মোক কোনো ব্যক্তিগত কাৰণত মনে মনে ভাল নোপোৱা ছোৱালী বিলাকেও অকপটে আৰু বিনা দ্বিধাই স্বীকাৰ কৰে যে মোৰ দেহৰ ৰূপ অনিন্দ্য।

দেহাৰ ইমানবোৰ সৌন্দৰ্য্য লৈ জীৱন চিৰস্তাদাৰ নামৰ এজন মধ্যবিত্ত কেৰাণীৰ ঘৰত মই কিয় জন্ম লৈছিলো, মোৰ কাৰণে সিও অবোধ্য। বয়সস্থ কোনো কোনো তিৰোতাই ঠিকেই কৈছিল, এই ৰূপ থাকে ৰাজকুমাৰীৰ; কেৰাণীৰ মজিয়াত এইয়া ৰূপ নহয় —জুই। কাৰোবাক পোৰক, ঘৰখন নুপুৰিলেই হয়। শুনি মই লুকাই লুকাই হাঁহো।

বুঢ়ীহঁতক কবৰ মন যায়—ৰূপৰ জুয়ে নোপোৰে, কেৱল পোহৰ দিয়ে। আৰু যাক পোৰে তাৰ আৰু ছাইৰ বাহিৰে একো বাকী নেথাকে।

মাজে মাজে মোৰ আক্ষেপ হয় মই ৰাজকুমাৰী নহলো কিয়, তেতিয়া হয়তো বাট হেৰুওৱা কোনোবা দূৰ-দূৰণিৰ ৰাজ কোৱঁৰৰ

ৰথ মোৰ পদূলি মূৰত আপুনি বৈ গ'লহেঁতেন। হয়তো কোনো ৰাজ্যৰ নহ'লেও কোনো ৰাজপুত্ৰৰ হৃদয় ৰাজ্যৰ মই হলোহেঁতেন অধীশ্বৰী। কিন্তু মই জানো মই এখন সৰু চহৰৰ এজন কেৰাণীৰ জীয়েক—আৰু বেছি একো নহওঁ।

অৱশ্যে দেউতাই মোক ৰাজকুঁৱৰীৰ নিচিনাকৈয়ে ৰাখিবলৈ বিচাৰে। কিন্তু মাই ভাবে, মই তেওঁৰ জীয়েক মাত্ৰ, আন একো নহয়। মোৰ বেয়া লাগে।

মই জানো দেহৰ ৰূপৰ নিচিনাকৈয়ে মোৰ জ্ঞান বুদ্ধিও আছে। অতি তীক্ষ্ণ নহব পাৰো, কিন্তু অন্য দহজনী ছোৱালীতকৈ মই নিশ্চয় বেছি বুদ্ধিমতী আনে নোকোৱাকৈয়ে এই কথা মই বুজো।

মই নেজানো জ্ঞানেই মানুহৰ জীৱন অশান্তিময় কৰে নেকি? নিজৰ বিষয়ে সচেতন হলেই মানুহ উচ্চাকাঙ্ক্ষী, দূৰাকাঙ্ক্ষী হয় নেকি? কিন্তু আন কাৰো জীৱনৰ বাটত বাধা হিচাপে থিয় নোহোৱাকৈ উচ্চাভিলাসী হোৱাটো জানো বেয়া কথা? উচ্চাভিলাস নেথাকিলে মানুহে জীৱনত উন্নতি কৰিব কেনেকৈ? মৃত আৰু মূৰ্খৰ বাহিৰে, আন মানুহ নিশ্চয় কিছু দূৰাকাঙ্ক্ষী হবই। মোৰ উচ্চাভিলাসী হোৱাৰ যুক্তিও আছিল। মোৰ মাৰ দেউতাক ককাদেউতা যথেষ্ট ধনী মানুহ। মোৰ মোমাইদেউহঁত ডাঙৰ চৰকাৰী বিষয়া। পূৰ্ণ মোমাইদেউ এছ-আই হৈ পুলিচৰ কামত সোমাইছিল। এতিয়া তেওঁ এডিচনেল্ এছ-পি, মাধৱ মোমাইদেউ শ্বিলঙত থাকে এ-ডি-পি-এইচ। লেখৰ মানুহ। মোৰ ভিনিহিদেউ দুজনো ডাঙৰ অফিচাৰ —বৰ ধনী মানুহ। এজন ইন্‌কমটেক্সৰ অফিচাৰ। আনজন বি-ডি-অ'। সকলোৰে, এৰা সকলোৰে মটৰগাড়ী আছে। মাত্ৰ গাড়ী নাই আমাৰ। মোমাইদেউ ভিনিহিদেউহঁতৰ হেজাৰ হেজাৰ টকা। দৰমহাৰ এশগুণ ঘোচপায়। ভঙা পইচাৰ হিচাপ কোনো কাহানিও কৰা নাই। মাত্ৰ আমাৰহে সিমান টকা নাই। সৰহকৈ ঘোচখাব জনাহ'লে দেউতাৰো হ'লহেঁতেন। আৰ-এছ বিলাকে

বহুত ঘোচ খাব পাৰে আৰু বহুতে খায়ো। তাকে নকৰি দেউতাই আমাৰ ঘৰখনৰ অৱস্থা দুখ লগা কৰি ৰাখিছে।

অৱশ্যে আমি বৰ দুখীয়া নহয়। মাছে গাখীৰে দুসাজ খাবলৈ আমি নোপোৱা নহয়। কিন্তু ছেকেন্দহেণ্ড হলেও গাড়ী এখন নেথাকিলে আজিকালি মানুহক কোনেও লেখত নধৰে।

এইবাৰে দেউতাক মই বেয়া পাওঁ। কিন্তু দেউতাই মোক বৰ মৰম কৰে সেইদেখি সৰহপৰ দেউতাক মই বেয়া পাই থাকিব নোৱাৰো। একেখন ফিল্মকে পাঁচবাৰ চাম বুলিলেও দেউতাই মোক টকা নিদি নেথাকে। আৰু মোৰ অলঙ্কাৰ পাতিও যেতিয়াই যি লাগে বোলো দেউতাই হাঁহিমুখে কিনি দিয়ে। এজন কেৰাণীৰ জীয়েকৰ আৰু তিনিপোৱা সোণৰ অলঙ্কাৰ থাকিলে বৰ বেয়া পাব লাগে জানো? তাৰোপৰি মোমাইদেউ আৰু ভিনিহিদেউহঁতেও ক'ৰবাত কাৰবাৰ বিয়ালৈ মই যাবলৈ ওলালেই এবোজা নতুন কাপোৰ কানি আৰু কিবা এপদ নতুন অলঙ্কাৰ গঢ়াই দিয়াটো তেনেই সাধাৰণ কথা আছিল। সকলোৱে মোক ৰাজকুমাৰীৰ নিচিনাকৈ সজাই পৰাই আটোল-টোলকৈ ৰাখিবলৈ সদায় চেষ্টা কৰিছিল। মই ভাবিছিলো সেইয়া মোৰ প্ৰাপ্য কাৰণ মই ধুনীয়া, মোৰ ৰূপৰ সমকক্ষ আন কোনো নাই। অৱশ্যে মই বিলাসী নহয়। যাৰ দেহৰ প্ৰচুৰ ৰূপ আছে তাক কাপোৰ কানি আ-অলঙ্কাৰৰ বিলাসীতাৰ দৰকাৰ নাই। মই মাথোন সদায় জুখি-মাখি পৰিপাটি হৈ থাকো। এজনী শিক্ষিত ভদ্ৰঘৰৰ নগৰীয়া ছোৱালীৰ ক্ষেত্ৰত সেইটো কোনো বেয়া কথা নহয়। বেছি ধুনপেচ মূৰ্খ আৰু কুৰূপা ছোৱালীবোৰেহে মাৰে।

মই সৰু থাকোতে ৰূপৰ প্ৰতিযোগিতাত ফেৰ মাৰিছিলো নিজৰে বাইদেউ দুজনীৰ লগত। কাপোৰ কানি মই সিহঁতকৈ সদায় দামী আৰু ভাল বিচাৰিছিলো।. আৰু পাইছিলো। পিছে মই বেছি বুজন নৌহওঁতেই দুয়োজনী বাইদেউৰে বিয়া হৈ গ'ল। মোৰ প্ৰতিযোগিতাৰ পাত্ৰী নোহোৱা হ'ল।

কিন্তু যেতিয়া মই আমাৰ স্কুলৰ ক্লাছ এইট পালোগৈ মই দেখিলো সকলো বিষয়তে মোৰ লগত ফেৰ মৰা এজনী ছোৱালী আমাৰ স্কুলৰে ক্লাছ নাইনত পঢ়ে। তাইৰ নাম তুলিকা চলিহা।

তুলিকাৰ দেউতাক মটৰ ভেহিকল্ ইন্স্পেক্টৰ—বৰ ধনী মানুহ। মাহেকত মানুহে কোৱাকুই কৰিছিল তেওঁৰ দৰমহাৰ উপৰিও বাহিৰা অৰ্জন অতি কমেও দহ পোন্ধৰ হেজাৰ টকা। সোঁৱে বাৱেঁ তেওঁৰ টকাই টকা। গাড়ী এখন পাছ কৰি দিলে তেওঁ কাৰোবাৰ পৰা এহেজাৰ টকাৰ কম নাখায়। নতুন লাইন বাছত পাৰ্মিটৰ কাৰণে কোনোবাই দৰ্খাস্ত কৰিলে দৰ্খাস্তৰ লগত এশটকীয়া নোট এখন গাঁথি নিদিলে তেওঁ দলিয়াই পেলাই দিয়ে। তুলিকাৰ দেউতাকে শ্বিলং, গুৱাহাটী, ডিব্ৰুগড় আৰু যোৰহাটত যোৱা চাৰি বছৰত আঢৈলাখ টকাৰ মাটি কিনিছে আৰু গুৱাহাটীত এক লাখ ষাঠি হেজাৰত এটা ঘৰ সজাই ভাড়াও দিছে। ভাড়াও পায় বাৰশ টকা। তেওঁৰ গাড়ীও দুখন—চৰকাৰীখনৰ বাহিৰেও। এখন দামী আমেৰিকান গাড়ী, আনখনো সৰু মৰিছ গাড়ী।

তুলিকা সদায় গাড়ীৰে স্কুললৈ আহে। আৰু যাওঁতেও গাড়ীৰেই লৈ যায়। এইবাবেও প্ৰায় সকলোৱে তুলিকাক চিনি পায়।

তুলিকা কিন্তু দেখাত সিমান ধুনীয়া নহয়। গাৰবৰণ মিঠা বৰণীয়া, নাকটো অলপ খঁৰা, বাওঁ চকুটো অলপ কেঁৰা আৰু মুখখন খোপোকা। অৱশ্যে গাটো আটিল আৰু ভাঁজবোৰ ধুনীয়া।

কিন্তু তুলিকা চলিহাই সদায় বৰ দামী দামী কাপোৰ-কাণি পিন্ধি ফুৰে। তাইৰ কাপোৰ কাণিৰ বিশেষত্ব দূৰৰ পৰাই চকুত পৰে। তাইৰ বিষয়ে, সিহঁতৰ টকা পইচা মটৰ গাড়ীৰ বিষয়ে আৰু বিশেষকৈ তাইৰ কাপোৰ-কাণি আৰু অলঙ্কাৰৰ বিষয়ে ছোৱালীবোৰৰ মাজত আৰু আমাৰ দুগৰাকীমান মাষ্টৰণীৰ মাজতো আলোচনা হয়। ময়ো কেতিয়াবা শুনো। কিন্তু এইবোৰ কথাই মোক বৰ আমনি দিয়া নাছিল। মোৰ বিষয়েও ছোৱালীবোৰে আৰু কোনো কোনো

শিক্ষয়িত্ৰীয়ে আলোচনা কৰে। সেইবাবে মই তুলিকাক বেয়া পোৱা নাছিলো। বিশেষকৈ মই নিশ্চিতভাবে জানিছিলো যে দৈহিক ৰূপত তুলিকা কাহানিও মোৰ সমকক্ষ হব নোৱাৰে।

কিন্তু যিদিনা শুনিলো যে চহৰ খনৰ বহুত লৰা তুলিকাৰ মৰম ভিক্ষাৰী তুলিকা কেনিবা খোজ কাঢ়ি ফুৰিবলৈ গলে লৰাৰ দল পিছে পিছে যায় আৰু কেবাটাও ডাঙৰ মানুহৰ লৰা তুলিকাৰ প্ৰেমত পৰিছে ( অৱশ্যে প্ৰেমত পৰাটো কি মই তেতিয়াও ভালকৈ বুজা নাছিলো ), তেতিয়া তুলিকাৰ প্ৰতি মোৰ ঈৰ্ষা হবলৈ ধৰিলে।

মোৰো ৰূপৰ প্ৰশংসাকাৰী কম নাছিল। কিন্তু তেতিয়ালৈকে মোৰ কোনো প্ৰেমিক নাছিল। প্ৰায়বোৰ লৰা আছিল মোৰ সমনীয়া। কোনোৱে মোক দূৰৰ পৰা জোকায়, কোনোৱে মোক দেখিলেই কুচি-মুচি সেও হৈ ফুৰে, কোনোৱেবা একেলগে খেলে মেলে, থিয়েটাৰ চিনেমা চায়। ইহঁতৰ কোনোবাটো মোৰ প্ৰেমিক হয়নে নহয় কেনেকৈ জানিম? আৰু প্ৰেমিকনো কেনেকুৱা হয় তাৰো বিশেষ ধাৰণা মোৰ নাছিল। এই বিষয়ে আনৰ লগত আলোচনা কৰিবলৈকো ভাল নেপাইছিলো, কাৰণ নিজৰ অজ্ঞতা আনৰ আগত মই কোনো কাহানিও প্ৰকাশ কৰা নাই।

কিন্তু নিতৌ তুলিকা আৰু তুলিকাৰ প্ৰেমিক বোৰৰ সম্পৰ্কে ছোৱালীবোৰে কিবাকিবি কথা আলোচনা কৰে। শুনি মোৰ অসহ্য লাগে। হয়তো মোৰ ৰূপৰ বিষয়ে যিদৰে আলোচনা কৰে, তুলিকাৰ বিষয়েও তেনেকৈয়ে কৰে, কিন্তু তুলিকাৰ প্ৰসঙ্গ ওলালে মোক কোনোবাই ইচ্ছা কৰি অৱহেলা কৰিছে যেন লাগে। ইপিনে মই বুজিব পাৰিছিলো যে অহঙ্কাৰী ছোৱালী বুলি তুলিকাৰ এটা বদনামো আছে। আৰু এই বিষয়ে তুলিকা সজাগ। মই কিন্তু নিশ্চয়কৈ ক'ব পাৰো মোৰ কোনো অহঙ্কাৰ নাই। কিন্তু মই কি আৰু মোৰ কি আছে কি নাই মই ভালকৈ জানো আৰু মনতো ৰাখো।

মনে মনে তুলিকাৰ প্ৰতি মোৰ এটা ঈৰ্ষা হ'ল। কিন্তু তেতিয়া

মই এজনী কম বয়সীয়া ছোৱালী। এই ঈৰ্ষা পূৰাই। তুলিকাৰ লগত ৰূপৰ প্ৰতিযোগিতাত ফেৰ মৰাৰ বাহিৰে অন্য কি কৰিব লাগে মই বুজা নাছিলো। কিন্তু এই নিজে পতা প্ৰতিযোগিতাত নামোতে মই মাথোন এটা কথাকে চিন্তা কৰিছিলো—মই জয়ী হব লাগিব, তুলিকাক মই পৰাজিত কৰিবই লাগিব। মই সৰ্ব্বজয়া হ'ব লাগিব।

অৱশ্যে তেতিয়ালৈকে মোতকৈ এক শ্ৰেণীৰ ওপৰৰ তুলিকাৰ লগত মোৰ কথা-বতৰাই হোৱা নাছিল। আৰু তুলিকাই মোৰ বিষয়ে কিভাবে মই একোকে কব পৰা নাছিলো। হয়তো তুলিকাই মোৰ বিষয়ে একোকে ভবা নাছিল, সকলো আছিল মোৰ নিজৰ কল্পনা। কিন্তু সেই কল্পনাই আছিল মোৰ কাৰণে সত্যতকৈও অধিক।

মই তুলিকাৰ লগত যুঁজ কৰিবৰ কাৰণে মনে মনে দৃঢ সঙ্কল্পত উপনীত হ'লো।

হঠাৎ এদিন উপায়টো আবিস্কাৰ কৰি পেলালো। যিবোৰ লৰাই তুলিকাক ভালপায়, তুলিকাৰ প্ৰশংসা কৰে, সিহঁতক তুলিকাৰ পৰা কাঢ়ি আনিব লাগিব—যেনেকৈয়ে হওক। তেতিয়া মোৰ মনত ভাব হ'ল কিবা গোপন বুদ্ধি কৰি তুলিকাই মোৰ প্ৰেমিকবোৰক মোৰ পৰা কাঢ়ি নিছে। সিহঁতক সকলোকে আকৌ মই ঘুৰাই আনিম।

এই নতুন চিন্তাই মোক উদ্বিগ্ন আৰু উত্তেজিত কৰি তুলিলে। যেন মোৰ ৰ'বৰ সময় নাই। পলম হৈ গ'লেই সকলো পণ্ড হৈ যাব। তুলিকা বিজয়ীনী হবলৈ নোপাওঁতেই মই:জয়ী হব লাগিব।

আমাৰ ঘৰলৈ মাজু মোমাইদেউ আহিছিল, মা'হঁতৰ লগত মোৰ পঢ়া-শুনাৰ বিষয়ে কথা-বতৰা পাতিছিল। মোমাইদেৱে ক'লে যে ক্লাছ নাইনৰ পৰা মোৰ কাৰণে এজন বা দুজন ভাল ঘৰুৱা শিক্ষক ৰখাটো নিতান্ত দৰকাৰী হ'ব, কাৰণ আজিকালি স্কুলত পঢ়া-শুনা যথেষ্ট নহয়। ঘৰত মাষ্টৰ ধৰি নপঢ়ালে লৰা-ছোৱালীয়ে পাছ কৰাই টান। তেওঁ তেওঁৰ লৰা-ছোৱালীৰ কাৰণে তিনিজন শিক্ষক ৰাখিছে,

এজনে ইংৰাজী পঢ়ায়, এজনে অঙ্ক আৰু ভূগোল পঢ়ায়, আনজনে সংস্কৃত, বুৰঞ্জী আদি পঢ়ায়।

মোমাইদেউৰ প্ৰস্তাৱত দেউতা মান্তি হ'ল ক'লে কথাটো মযো ভাবি আছো। এজন মাষ্টৰ যেনেতেনে ধৰিবই লাগিব। তাই পঢ়া-শুনাত সিমান বেয়া নহয়। কিন্তু আজিকালি ভালকৈ পাছ কৰিব নোৱাৰিলে পঢ়াই মিছা। মটৰ ভেহিকল্ ইন্সপেক্টৰৰ ছোৱালী-জনীক মদন শইকীয়া নামে হাইস্কুলৰ মাষ্টৰ এজনে পঢ়ায়। মানুহজন চোকা বুলি শুনিছো। আৰু ডেকা মানুহ, লৰা-ছোৱালী এহালিৰ বাপেক মুঠেই। তেওঁকে সুধি চাম। মানুহজন বি-এছ-চি ; বি-এ . বি-টি—কোৱালিফাইদ্ মানুহ।

দেউতাৰ কথা শুনি মোৰ বুকুখন ঢিপ্ ঢিপাই উঠিল। তুলিকাক পঢ়োৱা মাষ্টৰ মদন শইকীয়া। এইয়াই যে সুবৰ্ণ সুযোগ। মদন শইকীয়াক মই তুলিকাৰ পৰা কাটি আনিবই লাগিব। মনটো মোৰ চঞ্চল হৈ উঠিল।

মোমাইদেউক মই বুজাই ক'লো ঘৰুৱা শিক্ষক নথকাৰ কাৰণে মোৰ পঢ়াত কিমান অসুবিধা হৈছে ! আৰু কলো যে মদন শইকীয়াৰ নিচিনা ভাল মাষ্টাৰ এই অঞ্চলত নায়েই। মোমাইদেউ থাকোতেই যেন দেউতাৰ হতুৱাই মদন শইকীয়াক মোক পঢ়াবৰ কাৰণে বন্দোবস্ত কৰি থৈ যায়। সন্দেহৰ সৃষ্টি নকৰাকৈ যিমান খিনি গুৰুত্ব দি কথা-খিনি ক'ব পৰা যায় মই ক'লো। গাড়ীলৈ মোমাইদেউ আৰু দেউতাই তেতিয়াই মদন শইকীয়াক বিচাৰি গ'ল। মই উৎকণ্ঠিত-ভাবে বাট চাই ৰ'লো। তুলিকাৰ লগত সংগ্ৰামত নামিছো। মই জয়ী হবই লাগিব।

মোমাইদেউহঁত ঘুৰি আহি জনালে যে সময়ৰ বৰ নাটনি যদিও, মদন শইকীয়াই মোক ঘৰত দিনে এঘণ্টাকৈ পঢ়াবলৈ আহিবলৈ মান্তি হৈছে।

খবৰটো পাই মই অনুভৱ কৰিলো যেন তুলিকাৰ লগত প্ৰথম ৰণখনত মই জয়ী হলোৱেই। মই প্ৰতীক্ষা কৰিলো।

কিয় নেজানো মোৰ এটা ধাৰণা বদ্ধমূল হৈছিল যে মদন শইকীয়া তুলিকাৰ ঘৰুৱা শিক্ষক নহয়, তুলিকাৰ প্ৰেমিক। আৰু সেই প্ৰেমিকক মই তুলিকাৰ পৰা কাঢ়ি আনিবলৈ ওলাইছো। দুটা লৰা-ছোৱালীৰ বাপেক, এজন বিবাহিত মানুহ কোনো এজনী ক্লাছ নাইনৰ ছাত্ৰীৰ প্ৰেমিক হ'ব পাৰেনে নোৱাৰে ভাবিবৰ ধৈৰ্য্য তেতিয়া মোৰ অকনো নাছিল।

প্ৰথমতে অৱশ্যে মদন শইকীয়াক দেখি মই দমি গ'লো। মানুহজন দেখিবলৈ শুৱনি নহয়। ওপৰৰ পাৰী দাঁত অলপ ওলোৱা চকুদুটা সৰু সৰু, মুখখনত লৰাকালত ওলোৱা আইৰ দাগ আছে। তাৰ ওপৰত ঘন দাঢ়ি, চুলিও দুই-চাৰিডাল পকিছে। বয়সো কিজানি চল্লিশৰ ওচৰ চাপিব পায়।

মাতটো অৱশ্যে মিঠা, কিন্তু মানুহজনে কথা খুব কম কয়, আৰু কথাবোৰ বৰ জুখিমাখি কোৱা আৰু ৰুক্ষ যেন লাগে। প্ৰথম দিনা আহি মোৰ লগত কথা নেপাতিলেই বুলিব লাগে। এবাৰ মাথোন গহীনকৈ মোৰ মুখলৈ চালে, তাৰ পিছত দেউতাৰ লগত দুআষাৰমান কথাপাতি সেই দিনা মোক নপঢ়োৱাকৈয়ে গ'লগৈ।

পিছদিনাৰ পৰা মদন শইকীয়া মোক পঢ়াবলৈ আহিব ধৰিলে। কিন্তু পঢ়াটো মোৰ প্ৰধান কথা নাছিল। মোৰ লক্ষ্য আছিল তুলিকাৰ প্ৰেমিক (মোৰ ধাৰণা ক্ৰমে দৃঢ়তৰ হৈছিল যে মদন শইকীয়া তুলিকাৰ প্ৰেমিক) মদন শইকীয়াক জব্দ কৰা। কিন্তু মানুহজন বৰ আচৰিত ধৰণৰ। পঢ়াৰ বাহিৰে অন্য বিষয়ৰ একো কথাকে মোৰ লগত নেপাতে। নেহাঁহে। ঠিক এঘণ্টা হোৱাৰ লগে লগে অকনো নবৈ গুচি যায়।

মই বুজিলো তেওঁ নিশ্চয় তুলিকাৰ চিন্তাতে এনেদৰে ব্যস্ত থাকে।

তুলিকাতো কম ৰচকী নহয়। কিন্তু তেওঁৰ গাম্ভীৰ্য্যৰ কাৰণে, মোৰ কোনো কথা উলিয়াবৰ সাহস নহয়।

মোৰ বয়সৰ এজনী ছোৱালীৰ বুদ্ধিৰে মই তেওঁক আকৰ্ষণ কৰাৰ নানা বুদ্ধি অৱলম্বন কৰিব ধৰিলো।

স্কুললৈ মেখেলা চাদৰ বা কেতিয়াবা শাৰী পিন্ধি গলেও, ঘৰত মই সদায় ফ্ৰক পিন্ধি থাকো। ফ্ৰক পিন্ধিলে নিজকে এজনী সৰু ছোৱালী যেন লাগে, আৰু গা ঢাকিবৰ কাৰণে কোনো চেষ্টাও কৰিব লগীয়া নহয়। শ্লীভলেছ আৰু ল'নেক ফ্ৰক পিন্ধিয়ে মই মদন শইকীয়াৰ ওচৰত পঢ়ো। তথাপি যেন তেওঁ সম্পূৰ্ণ নিৰ্বিকাৰ। মোৰ ফালে ভালকৈ চকু তুলি চোৱাৰে যেন তেওঁৰ কোনো প্ৰয়োজন নাই।

মই অপমানিত বোধ কৰিব ধৰিলো। মই সঙ্কল্প কৰিলো যে মই তেওঁক আকৰ্ষণ কৰিবই লাগিব, নহলে মোৰ ডাঙৰ পৰাজয় হ'ব।

এদিন শইকীয়া অলপ সোনকালে যাবলৈ ওলাইছিল। "আজি মই অলপ সোনকালে যাব লাগিব–" তেওঁ অনুমতি বিচৰাৰ ধৰণে মোক কৈছিল।

পোণ পতিয়াকৈ তেওঁৰ চকুলৈ চাই মই সুধিলো, "তুলিকাৰ তালৈ যাব?"

তেওঁ স্থিৰভাবে মোৰ চকুমুখলৈ চালে। মই অনুভৱ কৰিলো যেন তেওঁৰ চাৱনি মোৰ মুখৰ পৰা তললৈ বাগৰি গ'ল আৰু তেওঁ কিছু অপ্ৰস্তুত হ'ল। তেওঁ অতি ক্ষীণভাবে হাঁহিবৰ চেষ্টা কৰিলে, আৰু কলে, "তুলিকাক ৰাতিপুৱাহে পঢ়াওঁ।"

সাহস পাই মই সুধিলো, "তুলিকা খুব ভাল ছোৱালী, নহয় ছাৰ?"

"পঢ়া শুনাত সিমান বেয়া নহয়"—চমুকৈ তেওঁ কলে।

সেইদিনা আৰু অন্য কথা পতা নহল। তেওঁ গ'লগৈ।

কিন্তু পিছদিনা তেওঁ আগৰ দৰেই ৰুক্ষ আৰু কঠিন। দিনে দিনে মানুহজন সহজ হৈ আহিব বুলি আশা কৰিছিলো, কিন্তু হৈ আহিল তাৰ বিপৰীত। মোৰ খং উঠিল ( কিয় নেজানো ) তুলিকাৰ ওপৰত। মোৰ জিদ্ বাঢ়ি গ'ল।

সেইদিনা মা-দেউতাহঁত ফুৰিবলৈ ওলাই গৈছিল। আমাৰ লগুৱা লৰাটোহে ঘৰত আছিল। মই কোঠাৰ লাইট নজলোৱাকৈ বিছনাতে পৰি আছিলো, আৰু শইকীয়া আহি পাবৰ কাৰণে বাট চাইছিলো।

মোৰ কোঠালৈ মদন শইকীয়া সোমাই আহিল। তেতিয়াও কোঠাৰ ভিতৰটো সম্পূৰ্ণ আন্ধাৰ হোৱা নাছিল। মোৰ কোঠাৰ দুয়োখন খিৰিকি খোলাই আছিল। সাৱধানভাবে যিমান দূৰ অসাৱধান হ'ব পাৰি সিমান অসাৱধান আৰু অসংযতভাবে মই বিছনাতে পৰি আছিলো।

লাইট নজলোৱা দেখি প্ৰথমে শইকীয়া দুৱাৰ মুখতে থমকি ৰ'ল আৰু পৰ্দাখন আঁতৰাই ভিতৰত মোক শুই থকা দেখি, মাতিলে, "এই গধূলিখন এন্ধাৰে মুন্ধাৰে পৰি আছা কিয়, শাৰদা, আজি তোমাৰ গাটো ভাল নহয় নেকি ?"

একো নেমাতি আৰু অকনো লৰচৰ নকৰি মই পৰা ভাগেই পৰি থাকিলো। ফ্ৰকটো যে বহুত কোঁচ খাই আছিল মই জানিছিলো, তথাপি টানি লবৰ চেষ্টা নকৰিলো।

তেওঁ ভিতৰলৈ সোমাই আহিল ; আৰু মাতটো যথেষ্ট কোমল কৰি মোৰ কাষত বৈ মাতিলে, "শাৰদা কি হৈছে ? গাটো ভাল নহয় নেকি ? এনেকৈ কেঁচেই পৰি আছা ?"

তেওঁৰ কথা নুশুনাৰ দৰে মই পৰিয়ে থাকিলো, লৰচৰ নকৰিলো।

তেওঁ মোৰ কাষতে বিছনাখনতে বহিল, আৰু মোৰ কপালত হাত দি চালে, লগে লগে কলে, "জ্বৰচৰ নাই দেখোন। কি হৈছেনো ?"

এইবাৰ মই চকু মেলিলো। তেওঁ মোৰ মুখলৈ উদ্বিগ্নভাবে চাই আছে। নিশ্চয় মোৰ কিবা এটা হৈছে বুলি ভাবিছে।

তেওঁ আকৌ কলে, "অসময়ত শুলে গা বেয়া লাগে, উঠা।"

মই কিন্তু পৰি থকাৰ পৰা নুঠিলো, সেহাই সেহাই কোৱাদি কলো, "আপুনিনো অসময়ত কিয় আহিল ?"

তেওঁ কলে, "মোৰ অকনো অসময় হোৱা নাই। তোমাৰ পঢ়িবৰ সময় হ'ল। ঘৰত কোনো নাই নেকি শাৰদা ?"

মই দুষ্টামী কৰি কলো, "ঘৰৰ কাৰোবাক পঢ়াব নে মোক পঢ়াব ?"

এইবাৰ যেন তেওঁ মোৰ ধেমালি বুজি পালে, ক'লে,—"তোমাকে পঢ়ুৱাবলৈ আহিছো। ঘৰত কোনো নেথাকিলেই এনেকৈ সন্ধিয়া ঘৰত শুই থাকিব লাগে নেকি ? উঠা—"

কৈ তেওঁ মোৰ বাউসীত ধৰি মোক এক প্ৰকাৰ বহুৱায়ে দিলে। মই বহিলো আৰু বাওঁহাতেৰে চকুলৈ নামি অহা চুলিখিনি ঠিক কাৰ কৰি তেওঁৰ চকুলৈ চাই হাঁহি দিলো।

মই দেখিলো তেওঁৰ মুখখন ৰঙা পৰিছে। তেওঁৰ চকুদুটা জ্বলমলাই উঠিছে। তেওঁ যেন কিবা কাৰণত ভয়হে খাইছে।

তেওঁ মোৰ ওচৰতে বহিছে; মই হাত দুখন ওপৰলৈ দাঙি ধৰি এঙামুৰী মাৰিলো। সন্ধিয়াৰ ক্ৰমে ঘনাই অহা আন্ধাৰৰ মাজেদি তেওঁ একেথৰে মোৰ গাটোৰ ফালে চাই আছিল।

মই এইবাৰ বিছনাৰ পৰা নামিলোঁ আৰু সৰুকৈ ক'লো,"লাইটটো জ্বলাই দিওনে ছাৰ ?"

এইবাৰ তেওঁৰ মুখত কথা নাই। তেওঁৰ চকুহালে তীব্ৰ দৃষ্টিৰে মোৰ শৰীৰৰ প্ৰতিটো অঙ্গক অনুসৰণ কৰিছে। আনন্দতে মোৰ মনটো ভৰি উঠিল। লাইট নজ্বলোৱাকৈয়ে মই এবাৰ বাহিৰৰ ফালে চালো, মাইঁত তেতিয়াও অহা নাই। মই আহি তেওঁৰ সমুখত বলোহি আৰু ক'লো; "ছাৰ, বেয়া পালে নহয় ? তুলিকাক দেখোন

আপুনি খুব মৰম কৰে ; মোক কেৱল পঢ়াবলৈহে আহে। মোলৈ আপোনাৰ অকনো মৰম নাই ?"

খিৰিকীৰ বাহিৰৰ ফালে চাই সেপ ঢুকি তেওঁ কলে, "পঢ়াশুনা ভালকৈ কৰা সকলো লৰা-ছোৱালীকে মই ভাল পাওঁ।"

ঘপৰাই মই ক'লো, —"মোকো ভাল পায় ?"

কৈয়ে উত্তৰৰ কাৰণে বাট নেচাই মই ছুইচটো টিপি লাইটটো জ্বলাই দিলো আৰু কোঠাৰ পৰা বাহিৰলৈ ওলাই গ'লো। তেওঁ বহিয়ে থাকিল।

অৱশ্যে মোৰ মৰম বিচৰা ডেকা লৰা বহুত আছিল। মই স্কুললৈ আহোতে বাটৰ কাষত বৈ মোৰ ফালে চাই থকা লৰাৰ সংখ্যা কম নাছিল। ৰথীনে ময়ে সৰুৰে পৰা একেলগে খেলিমেলি ডাঙৰ হৈছিলো ; ডাঙৰ হৈ সি মোক ভাল পাবলৈ ধৰিছিল অন্য ৰকমে। তাৰ লগত মাজে সময়ে দন্ কাজিয়াও কৰিছিলো। দেখাই মেলাযো সি বৰ ধুনীয়া লৰা। পিচলৈ খোলাখুলি ভাবেই সি মোৰ মৰম বিচাৰিছিল আৰু তাক অকণমান অৱহেলা কৰা যেন দেখিলে সি বেজাৰ আৰু অভিমানত মৰ্ম্মাহত হৈ পৰিছিল, আনকি দুই তিনি দিন আমাৰ ঘৰলৈকো নহা হৈছিল ; তেতিয়া মোৰ বেয়া লাগিছিল আৰু সিহঁতৰ ঘৰলৈ গৈ তাৰ অভিমান ভাঙিব লগীয়া হৈছিল। সি হাতভৰি এচাৰিছিল ; আৰু তাৰ মান ভাঙিবৰ কাৰণে কেতিয়াবা তাৰ অবুজ অনুৰোধ ৰক্ষা কৰি তাক চুমা খাবলৈও দিবলগীয়া হৈছিল।

ৰথীনৰ নিচিনাকৈ আৰু বহুত লৰাই মোৰ মুখৰ কথা এষাৰ শুনিবলৈ পালেই বা অকমান মৰম লগা চাৱনি পালেই সন্তুষ্ট হৈছিল। কিন্তু এই লৰাবোৰক জয় কৰিবৰ কাৰণে মোৰ একোকে কৰিবলগীয়া নহৈছিল। সেই দেখি সিহঁতক ভালো নেলাগিছিল।

কিয় নেজানো সেই সময়ত মোৰ একমাত্ৰ আকাঙ্ক্ষা হৈছিল, মোৰ ৰূপ, গুণ ব্যক্তিত্বেৰে তুলিকা চলিহাক পৰাজিত কৰা। অৱশ্যে

এই বিষয়ে তুলিকাই কিবা জানিছিল নে নাই সেই কথা ভাবি চোৱাৰ প্ৰয়োজন মই অকনো বোধকৰা নাছিলো। কিন্তু মোৰ দৃঢ়ধাৰণা হৈছিল যে তুলিকা মোৰ প্ৰেমৰ প্ৰতিদ্বন্দ্বী।

পৰীক্ষাত ভালকৈ পাছ কৰিলো। তুলিকায়ো পাছ কৰিলে। তুলিকা এতিয়া স্কুল এৰি কলেজলৈ যাবগৈ। মোৰ ইচ্ছা হৈছিল যেন তুলিকাই 'ফেইল' কৰক আৰু তাই আৰু মই একে ক্লাছত পঢ়ো। আৰু তাই বুজক মই তাইতকৈ কিমান বেছি ধুনীয়া আৰু কিমান বেছি ভাল। সেইটো নহ'ল। তুলিকাই পাছ কৰি কলেজলৈ যাবলৈ ওলাল। অৱশ্যে বেছি দূৰ নহয়। আমাৰ স্কুলৰ ওচৰতে সিহঁতৰ কলেজটো, আমাৰ প্ৰায়ে দেখাদেখি হয়।

"এতিয়াও আপুনি তুলিকাক পঢ়াই আছে নেকি?" এদিন মই মদন শইকীয়াক সুধিলো।

"এৰা, এই বছৰটো কিছু চাইচিতি দিব লাগে বুলি কৈছে।"

"কলেজৰ ছোৱালীক প্ৰফেচাৰেহে পঢ়ায়?"

"আমি পঢ়ালেও একো-হানি নহয়।" "তেওঁ ক'লে।

"তুলিকাই বি-এ পাছ কৰাৰ পিছতো পঢ়াই থাকিব নেকি?" অভিমান ভৰা মাতেৰে মই ক'লো।

দিনে দিনে মদন শইকীয়া মোৰ ওচৰত কিছু সহজ হৈ আহিছিল। মোৰ তেওঁক কিন্তু কথা কবলৈ ভয় নলগা হৈ আহিছিল।

"কোনোবাই পঢ়ো বুলিলে পঢ়ামতো।"

"মোকো পঢ়াব?"

"তোমাক দেখোন পঢ়ায়ে আছো।"

"মোক পঢ়াবলৈ নোৱাৰাতহে আছে। আহি জানো আপোনাৰ ভাল লাগে?"

"কিয় ভাল নেলাগিব?"

"মিছা কথা কৈছে--" এক বিশেষ ৰকমে কথাষাৰ কৈ মই আঁতৰি গৈছিলো।

আন এদিন মই কেনেকৈ নেজানো মদন শইকীয়াক ক'লো, "আপুনি যদি মোৰ ওচৰলৈ আহি ভাল পায় তেন্তে তুলিকাৰ ওচৰলৈ নেযাব—।"

মোৰ কথাষাৰত তেওঁ যেন কিছু আচৰিত হ'ল। তেওঁ মোৰ মুখলৈ চালে। মই পোনপতিয়া ভাবেই ক'লো, "আপুনি তুলিকাহঁতৰ ঘৰলৈ গলে মই বেয়া পাওঁ।"

কথাষাবৰ কঠিনতাত তেওঁ যেন স্তম্ভিত হৈছিল। তেওঁ সুধিলে, "কিয় শাৰদা" ?

"মই বুজাই ক'ব লাগিব নেকি ?" বুলি কৈ আঁতৰি গৈছিলোঁ। এদিন আহি মদন শইকীয়াই ক'লে,"মই তুলিকাক পঢ়াবলৈ যোৱাটো বন্ধ কৰিছো।"

"কিয় ?"

'তেওঁ ক'লে, "কিয় তোমাক বুজাই ক'ব লাগে নেকি ?"

"সঁচা ?" আনন্দেৰে মোৰ মনটো ভৰি উঠিল। মোৰ যেন জয় হৈছে।

"মই আৰু তোমাৰ বাহিৰে আন কাকো ঘৰত পঢ়াবলৈ নেযাওঁ বুলি ঠিক কৰিছো— " মদন শইকীয়াই কলে।

মানুহজনলৈ সেইদিনা মোৰ বৰ মৰম লাগি গৈছিল। একো নকৈ মই তেওঁৰ বুকুত সোমাই পৰিছিলো। তেওঁ মৰম কৰি মোৰ গালে মুখে হাত ফুৰাই দিছিল। আৰু মই থোকা থুকি মাতেৰে কৈছিলো, "ছাৰ, এতিয়াহে মোৰ ভাল লাগিছে।"

দিনে দিনে মদন শইকীয়া মোৰ ওচৰত যিমানে দুৰ্ব্বল হৈ পৰিছিল, সিমানে মোৰ বেছি আনন্দ লাগিছিল। অৱশ্যে বাহিৰত মানুহজন আগৰ নিচিনাই গহীন আছিল, আৰু সেই দেখি কোনোৱে অন্য একো নেভাবিছিল।

তাৰ পিছত এদিন নিৰ্ভয়ে মই মদন শইকীয়াৰ ওচৰত আত্মসমৰ্পণ কৰিছিলো। নতুন অভিজ্ঞতাৰ উন্মাদনাই মোক যিমান তৃপ্তি আৰু

আনন্দ দিছিল তাতোকৈ বেছি আনন্দ দিছিল তুলিকাৰ পৰা মদন শাইকীয়াক আঁতৰাই আনিব পৰাৰ সাৰ্থকতাই।

তেতিয়া একো বুজা নাছিলো। এজনী জনা শুনা ছোৱালীয়ে কিয় তেনে কৰিছিলো এতিয়াও বুজা নাই।

এবাৰ মদন শইকীয়াৰ ওচৰত ধৰা দিয়াৰ পিছত আৰু মোৰ আত্মৰক্ষাৰ কোনো উপায় নাছিল। কেইদিনমানৰ অভিজ্ঞতাৰ পিছতে ভয়, দুশ্চিন্তা আৰু বিৰক্তিত মই বিব্ৰত হৈ পৰিছিলো কিন্তু তেতিয়া আৰু মদন শইকীয়াৰ কবলৰ পৰা নিজক আঁতৰাই অনাৰ উপায় নাছিল।

তাৰ কিছুদিনৰ পিছত মদন শইকীয়া এইটো স্কুলৰ পৰা ট্ৰেন্সফাৰ হৈ গৈছিল।

আৰু তাৰ কিছুদিনৰ পিছত এদিন মাজৰাতি আমাৰ ঘৰলৈ জোনাকী মিড্‌ৱাইফ আহিছিল। তেতিয়া মই মৃত্যু বাঞ্চা কৰিছিলো। কিন্তু মৃত্যু মোৰ নহল। মিড্‌ৱাইফ জোনাকীয়ে এটা পাঁচ মহীয়া মাংস পিণ্ডৰ প্ৰাণ স্পন্দন শেষ কৰি দি মোৰ আৰু জীৱন চিৰস্তাদাৰৰ ইজ্জত ৰক্ষা কৰিছিল।

এই ঘটনাৰ পিছত দেউতাৰ আগৰ হাঁহিমাত নোহোৱা হৈছিল; মাই খণ্ডতে মোৰ ফালে নোচোৱা হৈছিল। বাইদেউহঁত আমাৰ ঘৰলৈ নহা হৈছিল। আৰু ভয়ত, লাজত, আত্মগ্লানিত মই মৰ্মাহত হৈ পৰি আছিলো।

আৰু ইতিমধ্যে তুলিকা চলিহাৰো এজন আণ্ডাৰ ছেক্ৰেটৰীৰ লগত বিয়া হৈ গৈছিল—বৰ ধুমধামেৰে।

মা, দেউতা আৰু বাইদেউহঁতৰ বাহিৰে, জোনাকী ধাই আৰু মোৰ বাহিৰে মোৰ এই অভাৱনীয় অধঃপতন আৰু দুৰ্ভাগ্যৰ কথা আন কোনোৱে নেজানিলে, আনকি ভিনদেউহঁতেও একো গম নেপালে। অসুখৰ কাৰণে স্বাস্থ্য বেয়া হৈছে বুলি ছমাহ গৈ ভিনদেউৰ লগত আছিলো। তেতিয়াও মোৰ বয়স বৰ বেছি হোৱা নাছিল।

তুলিকাৰ ওপৰত জয়ী হৈছো বুলি তেতিয়াও ভাবি আনন্দ পোৱাৰ কাৰণে মোৰ দুৰ্ভাগ্যক ক্ষতি বুলি তেতিয়াও একান্তভাবে মই মানি লব পৰা নাছিলো।

অলপ দিনৰ ভিতৰতে মোৰ হৃত স্বাস্থ্য ঘুৰাই পালো। আকৌ মোৰ উপলব্ধি কৰি আনন্দ লাগিল যে ছিলঙৰ ডেকা-গাভৰুহঁতৰ মাজত মই পুনৰ আলোচনাৰ বিষয় হৈ পৰিছো। মোৰ ৰূপ যৌৱনৰ বিষয়ে বাটে ঘাটে আলোচনা হৈছে। ভিনদেউহঁতৰ ঘৰৰ আগেদি অহা যোৱা কৰা ডেকা লৰাৰ সংখ্যা দিনক দিনে বাঢ়িছে।

আজিকালি মই আৰু ফ্ৰক পিন্ধি নুফুৰো। আজিকালি দামী দামী শাৰী পিন্ধো। পাট-মুগাৰ মেখেলা চাদৰ পিন্ধো। এতিয়া আৰু মই সৰু ছোৱালী হৈ থকা নাই।

এদিন বাইদেউ আৰু ভিনদেউৰ লগত ফুৰিবলৈ ওলাই গলো। মে'ই মাহৰ দেওবাৰ আছিল। বতৰটো ফৰকাল আছিল। ছিলঙত এনে ফৰকাল দিন আপুৰুগীয়া বস্তু।

আমি কলৈ যাম মই একো জনা নাছিলো। ভিনদেৱে নিজেই গাড়ী চলাইছিল। এই ধুনীয়া আবেলিটো উপভোগ কৰাই তেতিয়া আছিল মোৰ একমাত্ৰ উদ্দেশ্য।

গাড়ীখনগৈ এটা ধুনীয়া নতুন ঘৰৰ পদূলি মূৰত ৰলগৈ। গাড়ীখন ৰোৱা দেখিয়ে হাঁহিমুখে যিজনী গাভৰু আগবাঢ়ি আহিল—মই দেখি আচৰিত হলো, সেইজনী আনকোনো নহয়, তুলিকা। মই কিছু বিব্ৰত বোধ কৰিলো।

তুলিকাই বৰ আথবেথ কৰি মোৰ বাউসীত ধৰি এক প্ৰকাৰ মোক টানি নিয়াদিয়ে নি বহুৱালে আৰু ক'লে, "ছিলঙতে ইমান দিন আছা, তেওঁ আমাৰ ঘৰলৈ এবাৰো আহিব নোপোৱানে ? মই ইয়াত আছো বুলি জানো কব নোৱাৰা ? তুমি থকাৰ কথা মই আজি অলপ দিনৰ আগতেহে গম পাইছো। নহলে মই কাহানিবাই গৈ তোমাক আমাৰ ঘৰলৈ লৈ আহিলোহেঁতেন।"

তুলিকা আগতকৈ শকত আৰু ধুনীয়া হৈছে। প্ৰথম মাতৃত্বৰ চিন স্পষ্ট-অস্পষ্টভাবে চকুত পৰা হৈছে। লজ্জা, তৃপ্তি, আনন্দ একেঠাই হৈ তুলিকাক মৰমীয়াল কৰি তুলিছে।

ভিনদেউক তুলিকাই ক'লে, "জানে দাদা, শাৰদাৰ নিচিনা ধুনীয়া ছোৱালী আমাৰ স্কুলতে নাছিল। মোৰ যে এওঁলৈ ইমান মৰম লাগে পায়। আমাৰ কথাবতৰা নাছিল যদিও এওঁক হলে মই ভালকৈ চিনি পাইছিলো। তোমাৰ বাৰু মোক স্কুলত দেখা মনত আছেনে ?"

উচ্ছল আন্তৰিকতাৰে কথাবোৰ কৈ গৈছিল তুলিকাই। মই অনুভৱ কৰিলো তুলিকা এজনী বৰ মৰমীয়াল, সৰল আৰু সুখী বাংঢালী ছোৱালী।

মই কোনোমতেই তুলিকাৰ ওচৰত সহজ হ'ব নোৱাৰিলো। এটা ক্ষমাহীন অপৰাধত মই তুলিকাৰ ওচৰত অপৰাধী—এই ভাবটোৱে মোক চঞ্চল কৰি তুলিলে। মই উপলব্ধি কৰি মৰ্ম্মাহত হলো যে তুলিকাৰ ওচৰত মোৰ ভীষণ পৰাজয় হৈছে। এটা অমূলক আৰু ভিত্তিহীন ঈৰ্ষাৰ বশৱৰ্ত্তী হৈ তুলিকাৰ ওপৰত জয়ী হোৱাৰ আশাৰে মই মোৰ জীৱনটোক ধ্বংস আৰু অধঃপতনৰ পথলৈ নিজেই আগুৱাই দিলো। দুটা লৰা-ছোৱালীৰ বাপেক, এজন বয়সস্থ প্ৰৌঢ় মানুহৰ ওচৰত মই নিজে জীৱনৰ শ্ৰেষ্ঠতম সম্পদ অৰ্পণ কৰি নিজৰ বিৰুদ্ধে ক্ষমাহীণ পাপ কৰিলো।

মোৰ তেতিয়া মন গৈছিল যেন সকলো কথা স্বীকাৰ কৰি তেতিয়াই মই তুলিকাৰ ওচৰত নতজানু হৈ ক্ষমা বিচাৰিম। অৱশ্যে মোৰ কাৰ্য্যই তুলিকাৰ অকনো ক্ষতি নকৰিলে, সেয়েই সান্ত্বনা। মোৰ পাপ-বুদ্ধিয়ে মোৰেই চৰম ক্ষতি সাধন কৰিলে। আজি নিজেই তাৰ বাবে অনুতাপ কৰাৰ বাহিৰে অন্য একো কৰিবলগীয়া নাই, নিজৰ ওচৰত মই অপৰাধী, মোৰ জীৱনৰ ওচৰতো।

কোনোমতে হাঁহিমাতি তুলিকাৰ আৰু তেওঁৰ স্বামীৰ লগত কথা

বতৰা পাতি, চাহ খাই গুচি আহিলো। তাত থকা সময়খিনি মোৰ উশাহ বন্ধ হোৱা যেন লাগিছিল আৰু মোৰ দুৰ্ব্বলতা কেনেবাকৈ ধৰা পৰি যায় বুলি মোৰ বৰ ভয় লাগিছিল।

পৰম দুৰ্ভাগ্যৰ আচল ঘটনাতো ঘটিবৰ সময়তো মই সিমান দুঃখীত অনুভৱ কৰা নাছিলো, যিমান দুখ আৰু আত্মগ্লানি অনুভৱ কৰিলো সেইদিনা। তুলিকাৰ ঘৰৰ পৰা ঘুৰি আহি মই ভাগৰি পৰিলো; মৰ্ম্মাহত এক গোপন বেদনাত মই মূৰ কামুৰিছে বুলি বিছনাত পাৰি উচুপি উচুপি কান্দিলো। চকুলোৰে গাৰু তিতি গ'ল।

এইয়া যে মোৰ চৰম পৰাজয় হ'ল। তুলিকাৰ জয় হ'ল। মোৰ জীৱনৰ আৰম্ভণিতে এটা শুধৰাব নোৱাৰা ভুল কৰি মই সমগ্ৰ জীৱনটোৰ মাধুৰী শেষ কৰি দিলো।

ছিলঙৰ পৰা নতুন স্বাস্থ্য শ্ৰীলৈ ঘুৰি আহিলো, কিন্তু আহিলো এটা মৰি যোৱা মন লৈ। মোৰ মনৰ সকলো প্ৰফুল্লতা মই হেৰুৱাই পেলাইছিলো। তদুপৰি মই ঘৰলৈ ঘুৰি আহি অনুভৱ কৰিলো যে মোৰ স্খলনৰ কথা নগৰখনৰ সকলোৱে ইতিমধ্যে জানি গৈছে। মই চকু তুলি কাৰো মুখলৈ চাব নোৱাৰা হলো। আগেয়ে সকলোৰে চকুত মোৰ প্ৰতি, মোৰ ৰূপৰ প্ৰতি যি আচৰিত শ্ৰদ্ধা আছিল— এতিয়া তাৰ ঠাইত দেখিলো অৱজ্ঞা, বিদ্ৰুপ আৰু উপহাসৰ চাৱনি।

যি সময়ত তুলিকাৰ লগত মই প্ৰতিযোগিতাত নামিছিলো সেই সময়তে মোৰ চিনাকি হৈছিল ডেপুটি কমিছনাৰ নীলকণ্ঠ কাকতীৰ ইঞ্জিনীয়াৰ পুত্ৰ কৈলাশ কাকতীৰ লগত। জীৱনত সেই প্ৰথম এজনী গাভৰুৰ সংস্পৰ্শলৈ অহা এজন সুঠাম স্বাস্থ্যবান ডেকা, এদিন মোক দেখি বিমুগ্ধ হৈ বৈ গৈছিল। তাৰ পিছত আকাশৰ তৰাক সাক্ষী ৰাখি মোৰ কাষলৈকে চিৰদিনৰ কাৰণে ঘুৰি অহাৰ প্ৰতিজ্ঞা কৰি বিদেশলৈ গৈছিল এদিন। মই কথা দিছিলো; — আন্তৰিকতাৰেই মই কথা দিছিলো যে মইও তেওঁৰ কাৰণে বাট চাই

থাকিম। কাৰণ তুলিকাৰ লগত জয়ী হোৱাটো আছিল এক উত্তেজনাৰ মুহূৰ্ত্তৰ কথা। তাত সমগ্ৰ জীৱনৰ কাৰণে কোনো আঁচনি নাছিল।

কৈলাশ ঘুৰি আহিছিল। আৰু মই জানো মোৰ কাৰণেই ঘুৰি আহিছিল কৈলাশ। কিন্তু মই আৰু কৈলাশৰ আগত মুখ দেখুৱাব নোৱাৰিলো। কৈলাশ ঘুৰি অহাৰ আগতেই তেওঁৰ সন্মুখত দেখা দিয়াৰ যোগ্যতা মই হেৰুৱাই পেলাইছিলো।

কৈলাশ নিশ্চয় ক্ষুন্ন হৈছিল। নিশ্চয় তেওঁ হতবাক হৈ মোক সৰ্ব্বান্তঃকৰণে অভিশাপ দিছিল; আৰু তাৰ পিছত শকুন্তলাক বিয়া কৰাইছিল। কিন্তু মই জানো কৈলাশনাথ পৃথিৱীলৈ শকুন্তলা নেওগক বিয়া কৰাবৰ কাৰণে অহা নাছিল; আহিছিল শাৰদা নামৰ এজনী ছোৱালীক জীৱন-সঙ্গিনী কৰি লবৰ কাৰণে।

কৈলাশৰ পুৰুষ হৃদয়ে নিশ্চয় আজিও মোক ক্ষমা কৰিব পৰা নাই। মই জানো সেইয়া কৈলাশৰ পৰাজয় নহয়। সেইয়া মোৰেই পৰাজয়। ক্ষণিকৰ পৰাজয় নহয়, সমগ্ৰ জীৱনৰ অপূৰণীয় পৰাজয়।

কৈলাশ আজি ডাঙৰ ইঞ্জিনীয়াৰ, গাড়ী আছে, পত্নী শকুন্তলা আছে, ধুনীয়া ধুনীয়া চাৰিটা লৰাছোৱালী আছে। দেউতাকে কাহানিবাই 'ৰিটায়াৰ' কৰি ছিলঙৰ ঘৰত থাকিবলৈ লৈছে। আমাৰ ঘৰৰ কথা তেওঁ লোকৰ কাৰোৰেই আজি মনত নাই।

কেতিয়াবা অকস্মাত গাড়ীৰে যাওঁতে দূৰৰ পৰা কৈলাশক দেখোঁ। মোৰ মনত এনেলাগে যেন আজিও কৈলাশ সুখী হব পৰা নাই। কিবা এটা অভাৱত ভুগিছে।......

আমাৰ পুৰণি ঘৰটো ভঙাই নতুন ঘৰ সজাইছিল, পকী ঘৰ, ঘৰ সজাৰ ঠিকা লৈছিল গুণজিত শৰ্ম্মা নামৰ এজন ডেকা মানুহে। মানুহ জনৰ মাকৰ নাম আছিল জোনাকী। গুণজিত দেখাই মেলাই বেয়া নাছিল।

দেউতা কাছাৰীলৈ যায়। কেতিয়াবা ঘৰ সজোৱা কাম মযে

ৰৈ চাই থাকো। চাই থাকি ভাল লাগে। এচটা এচটাকৈ ইটাবোৰ জাপি গৈ থাকে। চাই থাকোতেই চকুৰ আগতে একোটা খুটা, একোখন বেৰ গঢ়ি উঠে। দেখি বৰ ভাল লাগে।

মাজে মাজে গুণজিত শৰ্ম্মাই কাম চাবলৈ আহে। কেতিয়াবা মানুহজনক চাহ-চৰ্ব্বত দিওঁ। সেইয়া সাধাৰণ ভদ্ৰতাৰ কথা। মই অৱশ্যে ক্ৰমে বুজি উঠিছিলো যে মানুহজনক মোৰ ৰূপে আকৰ্ষণ কৰিছে। ডেকা মানুহ—মোৰ প্ৰতি দুৰ্ব্বলতা জন্মাটো তেনেই স্বাভাৱিক কথা। মই বেয়া নেপালো। কোনো প্ৰকাৰে বাধা দিয়াৰো প্ৰয়োজন বোধ নকৰিলো। এজনী ধুনীয়া গাভৰুৰ ৰূপৰ পূজাৰীৰ সংখ্যা যিমানে বাঢ়ে সিমানে গাভৰুৰ আনন্দৰ কথা।

আৰু সেই সময়ত মই মদন শইকীয়াৰ লগত জীৱনৰ নতুন অভিজ্ঞতা আহৰণ কৰাত মত্ত। ৰথীনো আছিল তেতিয়া মোৰ মৰম ভিক্ষাৰী। গুণজিত শৰ্ম্মাক মোৰ প্ৰতি আকৃষ্ট হোৱা জানিব পাৰি মোৰ ভালেই লাগিছিল। এই ডেকা মানুহজনক আৰু সম্মোহিত কৰি তুলিবৰ কাৰণে মই জানি শুনিয়েই গুণজিতৰ লগত আত্মীয়তা ঘনিষ্ঠ কৰি তুলিলো।

ঘৰটোৰ কাম আধাতকৈ বেছি হৈছিল। লোহা, চিমেণ্ট আদি মাজে মাজে পাবলৈ নোহোৱা হোৱাৰ কাৰণে মাজে মাজে কাম বন্ধ ৰাখিব লগীয়া হৈছিল। তেতিয়া ঠিকাদাৰ শৰ্ম্মায়েই বহু কষ্টে ক'ৰবাৰ পৰা বস্তুৰ যোগাৰ কৰিছিল,—যদিও সেই দায়িত্ব আমাৰহে আছিল।

ইয়াৰ মাজতে মদন শইকীয়া মাষ্টৰ অন্য এটা দূৰণিৰ চৰকাৰী হাইস্কুললৈ বদলি হৈ গৈছিল। মই তেওঁৰ অনুপস্থিতিত অন্য এজন প্ৰেমিক পুৰুষৰ সান্নিধ্য আশা কৰিছিলো, এনেই নিজকে বঞ্চিতা বা অকলশৰীয়া অনুভৱ নকৰিবৰ কাৰণে। মদন শইকীয়াৰ ঠাইত গুণজিত শৰ্ম্মাক পালো, এজন মোৰ ৰূপ মুগ্ধ নতুন প্ৰেমিক হিচাপে।

অৱশ্যে গুণজিত দুঃসাহসী নাছিল। তাতে তেওঁ বামুণৰ লৰা।

তদুপৰি মাক এজনী মিডৱাইফ। গতিকে আমাৰ দেহ মনৰ দুৰন্ত নাইকীয়া হোৱা নাছিল, আৰু মদন শইকীয়া যোৱাৰ পিছত, মই যেতিয়া তুলিকাৰ লগত জয়ী হলো বুলি আত্মপ্ৰসাদ উপলব্ধি কৰিছিলো, তেতিয়া মই চিন্তা কৰিছিলো বিদেশত থকা কৈলাশ কাকতীৰ কথা। তেতিয়াও কৈলাশৰ পৰা নিয়মমতে মই মৰম ভৰা চিঠিবোৰ পাই আছিলো। আপোনমনে সজা এটা অদ্ভুত যুক্তিৰে নিজৰ কাৰ্য্যক সমৰ্থন কৰি মই নিজকে কৈছিলো যে মদন শইকীয়াৰ মোৰ অনুভূতি জগতৰ লগত কোনো সম্পৰ্ক নাই। তুলিকাক পৰাজিত কৰিবৰ কাৰণেই তাইৰ প্ৰেমিক মদন শইকীয়াক মই কাঢ়ি আনিছো মাত্ৰ।

তাৰ পিছত অপ্ৰত্যাশিত কিন্তু অৱশ্যম্ভাৱী সেই ঘটনাটো ঘটিল। এদিন দুপৰ ৰাতি আমাৰ ঘৰলৈ আহিল এজনী আধবয়সীয়া মানুহ—মোক অপযশ, গ্লানি আৰু কেলেঙ্কাৰীৰ পৰা মুক্ত কৰিবৰ কাৰণে। কিছুদিনৰ পিছত জানিব পাৰিলো তেওঁৰ নাম জোনাকী, আৰু তেৱেঁই ঠিকাদাৰ গুণজিত শৰ্মাৰ মাক।

মই আশা কৰা মতেই শৰ্ম্মাই মোৰ লগত সম্পৰ্ক শেষ কৰি আঁতৰি গ'ল। হয়তো মাকৰ মুখৰ পৰাই শৰ্ম্মাই মোৰ বিষয়ে সকলো কথা জানি গৈছিল, যদিও মাকে তেনেকথা গোপন কৰি ৰখাটো বাঞ্চনীয় আছিল।

গুণজিত শৰ্ম্মা আঁতৰি গ'ল। মই ভাল পালো। মানুহজনক মই ভালপোৱা নাছিলো আৰু তেওঁৰ মাকেই মোৰ কলঙ্কৰ একমাত্ৰ জীৱন্ত সাক্ষী।

ইতিমধ্যে মই ক'তো একো নোহোৱাৰ দৰে কলেজত নাম লগাই পঢ়াত মনোযোগ দিছিলো, আৰু কলেজীয়া জীৱনৰ বৃহত্তৰ পৰিসৰত নতুন নতুন অভিজ্ঞতাৰ আস্বাদ লৈ লৈ আগবাঢ়িছিলো।

তেতিয়াই অন্তৰঙ্গভাৱে চিনাকি হৈছিল দেশকৰ্ম্মী প্ৰদীপ দত্তৰ লগত, আমাৰ কলেজৰে প্ৰফেছাৰ প্ৰসন্ন প্ৰাণ ফুকনৰ লগত।

প্ৰসন্ন প্ৰাণ ফুকনৰ কোনো বিশেষত্ব নাছিল। অন্য প্ৰফেছাৰৰ দৰেই তেওঁ আছিল এজন ভাল ডেকা প্ৰফেছাৰ। আমাৰ ভাড়া ঘৰতে আছিল। আমাৰ ঘৰলৈ অহা-যোৱা কৰিছিল। অকলশৰে থকা অবিবাহিত ডেকা মানুহ। আমি মৰম কৰিছিলো। অৱশ্যে অন্যান্য ডেকা প্ৰফেছাৰতকৈ তেওঁ মোৰ প্ৰতি কিছু বেছি আকৃষ্ট হোৱাটো মই অলপ দিনৰ ভিতৰতে বুজিব পাৰিছিলো ; কিন্তু তেওঁৰ লগত মন আৰু হৃদয়ৰ সম্পৰ্ক গঢ়ি তোলাৰ কোনো প্ৰেৰণা মই অনুভৱ কৰা নাছিলো। তথাপি তেওঁ মোৰ ৰূপ মুগ্ধ বুলি জানি মই বেয়া পোৱা নাছিলো।

তেওঁৰ লগত চিনাকি হোৱাৰ কিছুদিনৰ পিছত মই জানিব পাৰিছিলো যে ৰীণা নামে ছোৱালী এজনীৰ লগত তেওঁৰ বিয়াৰ বন্দোবস্ত হৈ আছে। আন যিকি নহওক, ৰীণা নামৰ সেই অচিনাকি ছোৱালীজনীক বিশ্বাসঘাতকতা কৰাৰ ইচ্ছা মোৰ নাছিল। আৰু ফুকনেও কোনো দিন তেওঁৰ মনৰ ভাব মুখ খুলি কোৱা নাছিল।

এজন অন্য মানুহৰ লগত মোৰ বিয়াৰ বন্দোবস্ত হোৱা বুলি জানি তেওঁ বৰ মৰ্ম্মাহত হৈ পৰিছিল আৰু কিছুদিনৰ পিচত তেওঁ আমাৰ কলেজকে এৰি অন্য এটা কলেজলৈ গুচি গৈছিল।

এইখিনি সময়ৰ ভিতৰতে মোৰ আৰু এজন ডেকা মানুহৰ লগত চিনাকি হৈছিল। এখন ডাঙৰ ৰাজহুৱা সভা হৈছিল। বহুত মানুহ জমা হৈছিল। কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰো গৈছিল। সেই সভাত এজন বক্তাই বৰ উত্তেজিত ভাৱে, ওজস্বী ভাষাৰে বক্তৃতা দিছিল। তেওঁৰ ভাষাত তীব্ৰ তেজস্বীতা আছিল। তেওঁৰ মুখত আছিল বিপ্লৱৰ ভাষা। সমগ্ৰ দেশৰ নৈতিক অধঃপতনৰ এখন জীৱন্ত ছবি তেওঁ শ্ৰোতাৰ আগত দাঙি ধৰিছিল। বিদেশী শত্ৰুতকৈ কিদৰে ধনলোভী, স্বাৰ্থলোভী, লাভখোৰ, মুনাফাখোৰ ব্যৱসায়ীবোৰে অধিক শত্ৰুতা কৰিছে তাৰ কথা বুজাই কৈছিল। আমি তেওঁৰ

বক্তৃতা শুনি অভিভূত হৈছিলো। তেওঁৰ কথাত মানুহবোৰ উত্তেজিত আৰু চঞ্চল হৈ উঠিছিল।

সভাৰ শেষত তেওঁ কলেজৰ লৰা ছোৱালীবোৰক শুৰ্কীয়াকৈ লগ ধৰিছিল। দেশৰ শিক্ষিত শ্ৰেণীয়ে আৰু যুৱক সমাজে কেনেকৈ দেশখনক ধ্বংস হৈ যোৱাৰ পৰা ৰক্ষা কৰিবৰ দায়িত্ব লব লাগিব, সেই কথা বুজাই কৈছিল।

মানুজন অলপ খীন, ওখ, চুলিবোৰ চুটি, অলপ টপা, গাৰ বৰণ মিঠাবৰণীয়া, চকু দুটা তীব্ৰ তেজাল, মাতটো গম্ভীৰ আৰু স্পষ্ট। কথাবোৰ আন্তৰিকতাৰে উদ্বুদ্ধ।

কাপোৰ-কানি তেওঁ পৰিস্কাৰ পিন্ধিছিল, আৰু খোজ কাটালো তেওঁৰ আছিল গাম্ভীৰ্যাপূৰ্ণ। বছা বছা শব্দ ব্যৱহাৰ কৰি তেওঁ বক্তৃতা দিছিল, আৰু প্ৰায় এঘণ্টা সময় উপস্থিত থকা সকলো মানুহক মুগ্ধ আৰু অভিভূত কৰি ৰাখিছিল।

মানুহজনৰ নাম আছিল প্ৰদীপ দত্ত। তেওঁৰ ব্যক্তিগত জীৱনৰ বিষয়ে ভালেমান কথা জানিছিলো মোৰ সহপাঠী সৰযূৰ পৰা, সৰযূৰ পৰাই জানিছিলো প্ৰদীপ দত্ত এজন বিপ্লবী লিখকো আৰু লিখা আৰু তেওঁৰ কাৰ্য্যকলাপৰ মাজত কোনো পাৰ্থক্যই নাই। তেওঁ বিপ্লবী আন্দোলন কৰা বাবে বহুবাৰ জেললৈ গৈছে।

তেওঁৰ আচৰিত মনোবল আৰু সাহস আছে। যিটো তেওঁ সত্য-বুলি বিশ্বাস কৰে; অচল অটলভাৱে তাত তেওঁ দৃঢ় হৈ লাগি থাকে।

সৰযূৰ দৰেই মানুহজনলৈ মোৰ শ্ৰদ্ধা হৈছিল; আৰু সৰযূৰ যোগেদিয়ে তেওঁৰ লগত যেতিয়া মই চিনাকি হলো তেতিয়া তেওঁৰ মাৰ্জিত ব্যক্তিত্ব আৰু পৌৰুষে মোক মুগ্ধ কৰিলে।

তেওঁ তেতিয়াও অবিবাহিত আছিল আৰু খোলাখুলি ভাবেই কৈছিল যে তেওঁৰ আদৰ্শ আৰু কাৰ্য্যকলাপক বুজিব পৰা কোনোবা ভাল ছোৱালী পালে তেওঁ বিয়া কৰাব।

মই স্বীকাৰ কৰিছো, মই যদি জীৱনত কাবোবাক সচাঁসচিকৈ

ভাল পাইছিলো তেন্তে এই প্ৰদীপ দত্তক। আৰু ভাল পাইছিলো কাৰণেই মোৰ অতীত জীৱনৰ সকলো কথা তেওঁক মই জনাইছিলো। সেই সাহস তেওঁৰ উদাৰতাই মোক দিছিল।

ৰাজনীতিত আৰু সামাজিক কাৰ্য্যকলাপৰ তেওঁ বিপ্লবী হলেও, সমাজৰ প্ৰাচীন নিয়ম মতেই তেওঁ মোৰ লগত বিয়াৰ ব্যৱস্থা কৰাইছিল। মোৰ অতীতৰ সকলো দোষ তেওঁ হাঁহি হাঁহি ক্ষমা কৰি দিছিল, আৰু দৃঢ়ভাবে কৈছিল—'যি কোনোদিন তললৈ পৰাৰ আঘাত পোৱা নাই সি কাহানিও ওপৰলৈ উঠাৰ আনন্দ লাভ কৰিব নোৱাৰে। মই মোৰ শক্তি অনুসৰি আমাৰ পুৰণি পৃথিবীখনক নতুনকৈ গঢ়াৰ কামত ব্ৰতী হৈছো। কিন্তু পৃথিবীখন নতুনকৈ গঢ়াৰ আগতে আমি নিজক নতুন কৰিব লাগিব; 'পুৰণি মানুহে নতুন পৃথিবী গঢ়িব নোৱাৰে।'

তেওঁৰ কথাই মোক পুলকিত কৰিছিল। আমি দুয়ো দুয়োৰো কাষ চাপি গৈছিলো অতি ঘনিষ্ঠভাবে। তেওঁৰ ব্যক্তিত্বৰ লগত মোৰ দেহৰ সৌন্দৰ্য্যৰ যেন ক'ৰবাত এটা গভীৰ মিল আছিল। তেওঁৰ কথা বতৰা কাৰ্য্যকলাপে মোকো আদৰ্শবাদী কৰি তুলিছিল। দিনে দিনে তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা, ভক্তি আৰু মৰম বাঢ়ি গৈছিল। সৰযুক মই লুক-ঢাক নোহোৱাকৈয়ে কৈছিলো—'প্ৰদীপ দত্তৰ জীৱন সঙ্গিনী হোৱাৰ নিচিনা সৌভাগ্য হলে, জীৱনত মই আৰু একো নিবিচাৰো।'

তেতিয়াও আমাৰ বিয়াৰ বন্দোবস্ত হোৱা নাছিল। তেনেতে এদিন গুণজিত শৰ্ম্মাৰ মাক জোনাকীয়ে মা-দেউতাইতৰ ওচৰত প্ৰস্তাৱ উত্থাপন কৰিলে মোক তেওঁৰ বোৱাৰীয়েক কৰিবৰ ইচ্ছা কৰে। পৃথিবীৰ কোনেও নেজানিলেও জোনাকীয়ে মোৰ কথা জানে। সেইজনী মানুহেই নিজে আহিছে পুতেকৰ কাৰণে মোক খুজিবলৈ। তেওঁৰ উদাৰতা আৰু মনোবলত মই মুগ্ধ নহৈ নোৱাৰিলো। পাঁচ বছৰেও গুণজিত শৰ্ম্মাই মোক পাহৰি নোযোৱা

দেখি আৰু বিয়াবাৰু নকৰাকৈ মোৰ কাৰণেই অপেক্ষা কৰি থকা দেখি গৰ্ববোধ কৰিলো। কিন্তু খাক ভাল নেপাওঁ তাৰ লগত কেনেকৈ বিয়া হ'ম? মই অসন্মতি জনালো। মা-দেউতাহঁত অসন্তুষ্ট হ'ল, ক্ষুণ্ণ হ'ল। গুণজিত শৰ্ম্মাৰ ওচৰত মই কৃতজ্ঞ। মোক ৰক্ষা কৰিবৰ চেষ্টা কৰাৰ কাৰণে, মোক মোৰ নিজৰ পৰাই উদ্ধাৰ কৰিবৰ সৎসাহস কৰাৰ কাৰণে। কিন্তু বিয়া মানে ৰক্ষা কৰা নহয়, বিয়া মানে উদ্ধাৰ হোৱাও নহয়। বিয়া মানে জীৱনৰ পূৰ্ণতাৰ পথত মুক্তিৰ কাৰণে আগবাঢ়ি যোৱা প্ৰদীপ দত্তই কৈছিল সেই কথা। বিয়া মানে নিজৰ ব্যক্তিত্বক আবিস্কাৰ কৰা, নিজৰ নিজত্বক প্ৰতিষ্ঠা কৰা। গুণজিত শৰ্ম্মাই মোক এই উপলব্ধি দিব নোৱাৰিব।

মোৰ বাইদেউহঁত বৰ ধনী। মোমাইদেউহঁতো ধনী। প্ৰত্যেকৰে ধুনীয়া ধুনীয়া মটৰ গাড়ী আছে, বেংকত হাজাৰ হাজাৰ টকা আছে। এতিয়া মই বুজিছো সেইবোৰ অন্যায়ভাৱে ঘটা টকাৰে কৰিছে। সমাজৰ চকুত ধূলি দি, দেশখনক আৰু জাতিটোক ধ্বংসৰ পথলৈ ঠেলি দি তেওঁলোক ধনী হৈছে, অভিজাত, বিলাসী জীৱনৰ অধিকাৰী হৈছে। হয়তো গুণজিত শৰ্ম্মাই তেনেদৰে অন্যায়ভাৱে ধন ঘটা নাই। তেওঁ সৰু ঠিকাদাৰ, তথাপি ধন ঘটাৰ ব্যৱসায়েই তেওঁৰো ব্যৱসায়। তেৰোঁ হয়তো অধিক ধনৰ আশাত এদিন মানৱতাক বিক্ৰী কৰি দিব।

যেতিয়া ধীৰ, স্থিৰ, আত্মস্থ প্ৰদীপ দত্তই প্ৰকাশ্যে জনালে যে মোৰ সন্মতি থাকিলে তেওঁ মোক বিয়া কৰাবলৈ ইচ্ছুক মই যেন স্বৰ্গৰ সন্ধান পালো। মই অনুভৱ কৰিলো যেন অনিশ্চিতভাৱে শুভাগমনৰ কাৰণে নিৰবে প্ৰতীক্ষা কৰি থকা মোৰ জীৱন-দেৱতা প্ৰসন্ন হৈ মোক, মোৰ নাৰীত্বক আৰু মোৰ সৌন্দৰ্য্যক মৰ্য্যাদাত প্ৰতিষ্ঠিত কৰিবৰ কাৰণে আগবাঢ়ি আহিছে। সেইদিনা প্ৰদীপ দত্তক মোৰ ভৰিত পৰি সেৱা কৰিবৰ মন গৈছিল। কবৰ মন গৈছিল—তোমাৰ কাৰণেই, কেৱল তোমাৰ কাৰণেই মই এই পৃথিৱীলৈ আহিছিলো। মোক লোৱা তোমাৰ ঘৰমেৰে মোক চিৰদাসী কৰি কিনি লোৱা। মোক ধন্য

কৰা। পূৰবী মাধবীহঁতৰ নিচিনা ধনী হবলৈ মই নিবিচাৰো। নিৰলস সুখ-সমৃদ্ধিৰ জীৱনো মই নিবিচাৰো। মোক মোৰ মৰমৰ মানুহজনৰ বাহুপাশত সোমাই ধুমুহাৰ মাজত জপিয়াই পৰিবলৈ দিয়া। মোক নিজৰ পৰা মুক্ত হবলৈ দিয়া।

আশাৰ বিচিত্ৰ ৰহন সানি ভবিষ্যতৰ নতুন কাৰেং সাজিছিলো।

কিন্তু এদিন—এদিন সন্ধিয়া, ঘৰত মই অকলে আছিলো। প্ৰদীপ দত্তৰ কাৰণেই বাট চাই আছিলো। তেওঁ সেইদিনা অহাৰ কথা আছিল– অন্য এখন চহৰৰ পৰা। দত্ত গতিশীল, তেওঁ স্থানু নহয়। চৌদিশে নতুন পৃথিবী নিৰ্ম্মানৰ আহ্বান, চৌদিশে পুৰণি পৃথিবী ভঙাৰ আয়োজন ডাক পৰে প্ৰদীপ দত্তৰ, অবিশ্ৰান্ত ভাবে তেওঁ ঘূৰে, মানুহক আশাৰ কথা কয়, নতুন প্ৰত্যয়ৰ কথা কয়, মোৰ মনটো তেওঁৰ পিছে পিছে ঘুৰে মোৰ মৰমবোৰ তেওঁৰ লগে লগে উৰি ফুৰে।

প্ৰদীপ দত্ত আহিল, এখন পৰিশ্ৰান্ত কিন্তু নিৰ্ভীক আৰু আত্মস্থ মুখ।

তেওঁ মোৰ সন্মুখা সন্মুখীকৈ বহিল। দুই এষাৰ অন্য কথা পাতিলে। মোৰ ভাল বেয়াৰ খবৰ ললে। তাৰ পিচত সেই একেই স্থিৰ কিন্তু সামান্য করুণ মাতেৰে মোৰ মুখলৈ চাই ক'লে, "শাৰদা, মই মোৰ বন্ধু অজিত বৰুৱাৰ পৰা এখন চিঠি পাইছো।"

তেওঁ ৰ'ল। তেওঁৰ কথা শুনি মোৰ বুকুখন ঢিপ্‌ঢিপাই উঠিল। মই তেওঁৰ মুখলৈ ভীতিগ্ৰস্ত চাৱনিৰে চালো।

অজিত বৰুৱাক মই চিনি পাওঁ। চিনি পাওঁ সৰুৰে পৰা, বয়সত তেওঁ মোতকৈ দুই তিনি বছৰৰ ডাঙৰ আছিল। কিন্তু সৰুতে আমি একেলগেই পঢ়িছিলো। বৰ দুখীয়া মানুহৰ লৰা আছিল অজিত বৰুৱা। মেট্ৰিক পাছ কৰি আৰু নপঢ়িলে।. ধাৰে ঋণে অলপ পইচা গোটাই বোম্বাইলৈ গ'ল আৰ্ট স্কুলত পঢ়িবৰ কাৰণে। তাত কেনেকৈ কি পঢ়িলে মই বিশেষ নেজানো। কেই বছৰমানৰ মূৰত ইয়ালৈকে

ঘুৰি আহিল। অলপ দিন এনেয়ে থাকি চহৰতে, আমাৰ কলেজৰ ওচৰতে এটা ষ্টুডিঅ' খুলিলে।

মই কলেজলৈ যাওঁতে সদায় অজিত বৰুৱাক দেখো, কিবাকিবি কৰি থাকে, ছবি বোধকৰো ভিতৰফালৰ কোঠাটোতহে আঁকে। মই কিন্তু কলেজলৈ আহোঁতে যাওঁতে তেওঁক সদায় দেখো। মাজে মাজে মোৰ ভাব হয় যে অজিতে মোলৈকে চাই থাকে, মোক চাবৰ কাৰণেই তেনেকৈ বহি থাকে।

মাজে মাজে অজিত বৰুৱা আমাৰ ঘৰলৈকো আহে। বিশেষকৈ মাহঁতৰ লগতে কথা বতৰা হয়। মোৰ লগত কথা পাতিলেও কেৱল মোৰ পঢ়া-শুনাৰ বিষয়ে দু আষাৰমান কথা পাতে। মোৰ লগত কথা পাতিলে বৰ সহজ আৰু স্বাভাৱিক হৈ নেথাকে, কিবা এটা দ্বিধাত যেন অপ্ৰস্তুত হৈহে কথাপাতে। অৱশ্যে আগৰে পৰা অতি কম কথা কয় অজিত বৰুৱাই। তেওঁ অকা ছবিৰ কোনো প্ৰদৰ্শণী ক'তো হোৱা নাই। হলেও মই দেখা নাই। তেওঁ কি ছবি আঁকে বা আঁকিছে মই নেজানো।

সেই অজিত বৰুৱাই কি চিঠি দিলে প্ৰদীপ দত্তলৈ মই বুজিব নোৱাৰিলো, আৰু অজিত বৰুৱাৰ পৰা পোৱা চিঠিৰ উল্লেখ তেওঁ মোৰ আগত কিয় কৰিছে তাকো বুজিব নোৱাৰিলো।

মই জিজ্ঞাসু চাৱনিৰে দত্তৰ চকুলৈ চোৱা দেখি তেওঁ ক'লে, "অজিত মোৰ পুৰণি বন্ধু, মই দুবছৰ বোম্বাইত আছিলো, তাৰ ট্ৰেড ইউনিয়নত কাম কৰিছিলো। তেতিয়া আমি একেলগেই আছিলো। তুমি চিনি পোৱা নহয়, অজিত বৰুৱাক ?

মই মূৰ দুপিয়ালো—পাওঁ।

"এবা আজিকালি ষ্টুডিঅ' খুলি ইয়াতে আছে। দেখিছা কিজানি।"

"হয়।"

"অজিতে মোলৈ এখন চিঠি দিছে। সেই কাৰণে মই কথাটো তোমাৰ লগত পৰামৰ্শ কৰিবলগীয়া হ'ল, চিঠিখন চাবানেকি ?"

প্ৰদীপ দত্তৰ নিচিনা মানুহে মোৰ লগত ৰহস্য সৃষ্টি কৰিব খুজিছে জানো ?

মই ক'লো, "কিনো—লিখিছে বৰুৱাই ?"

দত্তই তেওঁৰ পৰ্টফলিঅ বেগটোৰ ভিতৰৰ পৰা বিচাৰি এখন চিঠি উলিয়াই মোৰ হাতত দিলে। এটা সাধাৰণ খাম।

মোৰ মনটো গধুৰ লাগিল। চিঠি খনত যেন এটা গোপন দুঃসংবাদ আছে।

দত্তই ক'লে, "অজিতক মই বৰ ভালকৈ জানো। মোৰ দৰেই অজিতো আদৰ্শবাদী, অৱশ্যে মই যদি ৰূপান্তৰৰ সাধনা কৰিছো অজিতে ৰূপৰ সাধনা কৰিছে। অজিত এজন বিপ্লবী শিল্পী। আমাৰ লক্ষ্য একেটা। পথহে বেলেগ।'

তন্ময় কৰি মই মাথোন নিৰবে শুনি গলো।

অলপ পৰ মনে মনে থাকি তেওঁ ক'লে, "যথা সময়ত চিঠিখন নিদিয়া হলে আমি বিপদতে পৰিলোহেঁতেন। পলম হ'ল, তথাপি বেছি পলম যে নহল সেয়ে ৰক্ষা।"

মই বিব্ৰত বোধ কৰিলো। আৰু অসহায়ভাবে তেওঁৰ মুখলৈ চালো।

প্ৰদীপ দত্তই কলে, "অজিতৰ চিঠিখন তুমি পঢ়ি চাবা। মোৰ সঁচাই অলপ বেয়া লাগিছে। হয়তো তোমাৰো অলপ বেয়া লাগিব। কিন্তু মোৰ নিজকে ব্যস্ত ৰাখিবলৈ এখন বহল পৃথিৱী আছে। অজিত বৰ অকলশৰীয়া। তোমালোকক মই অকণো বেয়া নেপাওঁ। তোমালোকক সুখী হোৱা দেখিলে মোতকৈ আৰু কোনো সুখী নহয়। মোক ভুল নুবুজিবা। অজিত মোৰ বৰ মৰমৰ বন্ধু।"

বজ্ৰাহতৰ দৰে অজিতৰ চিঠিখন হাতত লৈ মই বহি থাকিলো। প্ৰদীপ দত্তৰ কথা মই অকনো বুজি পোৱা নাই। সন্ধিয়াৰ আন্ধাৰ

বোৰ গাঢ় হৈ আহিছে। ঘৰটোৰ নিৰৱতাখিনি অসহ্য লাগিছে। জীৱনত কোনো কাহানিও মই ইমান দুৰ্ব্বল আৰু ইমান নিঃসঙ্গ অনুভৱ কৰা নাছিলো। কিবা এটা কওঁ কওঁ বুলিও মই ক'ব নোৱাৰিলো। ডিঙিটো মোৰ শুকাই কাঠ মাৰি গৈছিল।

প্ৰদীপ দত্তই শান্তভাৱে ক'লে, "চিঠিখনত সি সকলো লিখিছে। সিযে তোমাক ইমান গভীৰভাৱে সকৰে পৰা ভালপাই আহিছে মই নেজানো। তুমিও মোক কোৱা নাছিলা। মই নহলেও তুমি জীৱনত সুখী হব পাৰিবা। কিন্তু তুমি নহলে সি গোটেই জীৱন অসুখী হৈ কটাব লাগিব। হয়তো তোমাক ভালপোৱাৰ কথা সি কোনোদিনেই কাকো মুখখুলি কোৱা নাই। চিঠিখনত সি ঠিকেই লিখিছে—আনকাৰোবাৰ লগত শাৰদাৰ বিয়া হৈ যোৱা হলে হয়তো মই সহ্য কৰিব পাৰিলোহেঁতেন, কিন্তু তোৰ লগত বিয়া হলে মই কেনেকৈ সহ্য কৰিম? তই যে মোৰ বন্ধু।"

প্ৰদীপ দত্তৰ কথা শুনি থাকিবৰ মোৰ ধৈৰ্য্য নাছিল। একো নকৈ মই বহাৰ পৰা উঠি আহিলো। অলপ পৰৰ পিচত মোক মাত লগাই দত্তও গ'লগৈ।

তেওঁ ক'লে, "অজিতৰ প্ৰস্তাৱটো তুমি বিবেচনা কৰি চাবা, মোৰ কথা নেভাবিবা। মোৰ সম্পৰ্ক ঘৰৰ লগত নহয়, পথৰ লগত। মই চলি যাব পাৰিম, কিন্তু অজিতে তোমাৰ কাৰণেই বাট চাই আছে। আৰু তোমাৰ কাৰণেই বাট চাই থাকিব, তাক মই জানো।"

মই ধুৱঁলী-কুৱঁলী দেখিছিলো। প্ৰদীপ দত্ত ঘুৰি এখোজ এখোজকৈ খোজ দি খটখটিয়েদি তললৈ নামি গৈছিল। তাৰ পিচত কিছু-পৰৰ মূৰত আলি বাটত উঠি সেই চিনাকি ধীৰ, আত্মস্থ খোজেৰে আগবাঢ়িছিল।

মই থৰ লাগি চাই আছিলো, কিছুপৰৰ মূৰত প্ৰদীপ দত্ত জনতাৰ ভীৰৰ মাজত হেৰাই গৈছিল।

থিয় দিয়াতে কিমান পৰ থিয় দি আছিলো নেজানো— ;

"তাতে বৈ আছ কিয় ?"—

মাৰ মাত শুনি মই ঘুৰি চালো। "তোমালোক কেতিয়া আহিলা মা ?"

নিজক সংযত কৰি মই সুধিলো। তাৰ পিচত মোৰ কোঠাৰ লাইটটো জ্বলাই লৈ, প্ৰদীপ দত্তই দি যোৱা অজিত বৰুৱাৰ চিঠিখন পঢ়িবলৈ উলিয়াই ললো। চিঠিখন তেতিয়াও মোৰ হাতৰ মুঠিতে আছিল।"